www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

অসম বার্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সংসাৰত গাৰ বলেৰেৰা শক্তিৰে সংগ্ৰহ কৰিব। নোৱাৰা বস্তু হ'ল জ্ঞান। জ্ঞান আৰ্জিবলৈ একমাত্ৰ লাগে অধ্যয়ন। – জনচা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বার্তা' গোষ্ঠী -

প্ৰথম বছৰ ☐ সংখ্যা- ৩২২ ☐ বুধবাৰ ☐ ৩০ ছেপ্টেম্বৰ, ২০২৬ চন ☐ Volume/Year- I ☐ Issue- 322 ☐ Wednesday ☐ 30th September, 2026 ☐ Asom Barta, Majuli ☐ PRGI Reg. No.- ASASS/25/A2361 ☐ Price- Rs. 10 ☐ Total Page-8

এই নিৰ্বাচন চৰকাৰ সলনি কৰাৰ নহয়, চৰকাৰ শক্তিশালী কৰাৰ ঃ মুখ্যমন্ত্ৰী

অৰুণোদয় ১৫০০ টকা, মহিলা বজাৰ, দুগ্ধ সমবায় আদিৰ ঘোষণা হিমন্ত বিশ্ব শৰ্মাৰ

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২৯ ছেপ্টেম্বৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি ৰাজ্যৰ ৰাজনীতি তীব্ৰভাবে উত্তপ্ত হৈ পৰিছে। এই উপ-নিৰ্বাচনৰ প্ৰচাৰৰ মাজতে নগাঁও-বটদ্ৰৱা সমষ্টিৰ ৰাইডঙীয়া ☐ ৬ পৃষ্ঠাত

অসম ক্ৰিকেট সম্ভাৰ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন; কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ

অসমত স্থাপন হ'ব ACAৰ ৬খন ক্ৰিকেট একাডেমী

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২৯ ছেপ্টেম্বৰ ঃ অসম ক্ৰিকেট সম্ভা (ACA)ৰ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন হৈছে। এই সভাত সম্ভাৰ ভবিষ্যৎ কাৰ্যসূচী আৰু ৰাজ্যত ক্ৰিকেট খেলৰ উন্নয়ন সম্পৰ্কত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত আগন্তুক অসম প্ৰীমিয়াৰ ☐ ৬ পৃষ্ঠাত

ৰামাকান্ত দেউৰী ৰাজনৈতিক শচীন টেণ্ডুলকাৰ ঃ মুখ্যমন্ত্ৰী

নগাঁও দখলৰ লক্ষ্যৰে ৰণডংকা মুখ্যমন্ত্ৰীৰ



ষ্টাফ ৰিপৰ্টাৰ মৰিগাঁও ২৯ চেপ্টেম্বৰ ঃ আগন্তুক নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি মৰিগাঁৰত আজি NDA মনোনীত প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ সমৰ্থনত অনুষ্ঠিত হয় এক বৃহৎ নিৰ্বাচনী প্ৰচাৰ সভা। মৰিগাঁও স্কুল খেলপথাৰত অনুষ্ঠিত সভাখনত অসমৰ মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰি দলীয় প্ৰাৰ্থীগৰাকীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। সভাত মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী পীযূষ হাজৰিকা, ভাৰতীয় জনতা পার্টিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, ৰাজ্যিক সম্পাদক পল্লৱ লোচন দাস আৰু অসম গণ পৰিষদৰ কার্যকৰী সভাপতি তথা মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থাকে। সভাক কেন্দ্ৰ কৰি মৰিগাঁও স্কুল খেলপথাৰত বিজেপি আৰু মিত্ৰদলৰ নেতা-কৰ্মী তথা ☐ ৬ পৃষ্ঠাত

নগাঁও উপ-নিৰ্বাচনত বিজেপি প্ৰাৰ্থী ২.৫১ পৰা ৩ লাখ ভোটত জয়ৰ দাবী

শিৱামণি বৰাও বিজেপিলৈ অহাৰ বাবে সাজু হৈ আছে ঃ মুখ্যমন্ত্ৰী



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২৯ ছেপ্তেম্বৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰত মঙলবাৰে নগাঁও আৰু মৰিগাঁও জিলাত অংশগ্ৰহণ কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। উপ-নিৰ্বাচনৰ প্ৰচাৰ সভাসমূহত ভাষণ দি তেওঁ কেইবাটাও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। সংবাদ মাধ্যমৰ সম্মুখতে মুখ্যমন্ত্ৰীগৰাকীয়ে এইবাৰ বিজেপিৰ প্ৰাৰ্থী আঠুৰ লাখৰ পৰা তিনি লাখ ভোটত জয়ী হ'ব বুলি ☐ ৭ পৃষ্ঠাত

ভোটাৰ তালিকা বিতর্ক আৰু SIR প্ৰক্ৰিয়াৰ বিৰুদ্ধে ৰাজপথত আন্দোলন ঘোষণা

CWC বৈঠকত মুখ্য নিৰ্বাচন আয়ুক্তক অপসাৰণৰ দাবী কংগ্ৰেছৰ



নেশ্যনেল ডেস্ক, অসম বার্তা, ২৯ ছেপ্তেম্বৰ ঃ ৰাজধানীৰ ইন্দিৰা ভৱনত মঙলবাৰে অনুষ্ঠিত কংগ্ৰেছ ৰকিং কমিটিৰ বৈঠকত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক শীঘ্ৰে অপসাৰণ কৰাৰ দাবী উত্থাপন কৰা হয়। কংগ্ৰেছ সভাপতি মল্লিকার্জুন খাগেৰি এই ☐ ৭ পৃষ্ঠাত

অৰুণাচলৰ ভাৰত-ম্যানমাৰ সীমান্তৰ নামপুঙত এন এছ চি এনৰ ভয়ংকৰ গুলীচালনা

অসম বাইফলছৰ এজন জোৱান নিহত, আহত চাৰিজন

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৯ ছেপ্টেম্বৰ ঃ চুবুীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ চাংলাং জিলাৰ ভাৰত-ম্যানমাৰ সীমান্তৰ সমীপত আজি পুৱা এটা টহলদাৰী দলৰ ওপৰত উগ্ৰপন্থী সদস্যাৰ ধাবাষাৰ গুলীচালনাত এজন সেনা জোৱান নিহত হোৱাৰ লগতে আন চাৰিজন জোৱান আহত হয়। নিহত জোৱানজনৰ নাম হাবিলদাৰ জাংকোকাই কুকি বুলি জানিব পৰা গৈছে। জানিব পৰা ☐ ৭ পৃষ্ঠাত

নিৰ্বাচন আয়োগ বিতর্কত উচ্চতম ন্যায়ালয়ৰ হস্তক্ষেপ

জ্ঞানেশ কুমাৰৰ একপক্ষীয় সিদ্ধান্তৰ বৈধতা প্ৰশ্ন কৰি আবেদন

নেশ্যনেল ডেস্ক, অসম বার্তা, ২৯ ছেপ্তেম্বৰ ঃ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে নিৰ্বাচন আয়ুক্ত সুখবীৰ সিং সান্ধু আৰু বিবেক যোশীৰ সম্মতি অবিহনে এক পক্ষীয়ভাৱে নিৰ্বাচন আয়োগৰ হৈ সিদ্ধান্ত ল'ব পাৰে নেকি - এই প্ৰশ্নক লৈ দাখিল কৰা এক নতুন আবেদনৰ শুনানি গ্ৰহণ কৰিবলৈ উচ্চতম ন্যায়ালয়ে সম্মতি প্ৰকাশ কৰিছে। আদালতে অহা সপ্তাহত বিষয়টো শুনানিৰ বাবে তালিকাভুক্ত কৰিব। ভাৰতৰ মুখ্য ন্যায়াধীশ সূর্য কান্তৰ নেতৃত্বাধীন বিচাৰপীঠৰ সম্মুখত আবেদনকাৰী বাকেশ কুমাৰ সিঙৰ হৈ জ্যেষ্ঠ অধিবক্তা বিকাশ সিঙে বিষয়টো উত্থাপন কৰে। তেওঁ কয় যে আইনী ব্যৱস্থা অনুসৰি বহু সদস্যবিশিষ্ট আয়োগৰ ☐ ৬ পৃষ্ঠাত



কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামদাস আঠৱালেৰ সৈতে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ গুৰুত্বপূৰ্ণ বৈঠক

ভুৱা প্ৰমাণপত্ৰৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ, দুৰ্নীতিৰ কেন্দ্ৰীয় তদন্ত আৰু সাংবিধানিক সুৰক্ষাৰ দাবী

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২৯ ছেপ্টেম্বৰ ঃ চৰকাৰী কার্যসূচীলৈ অসম ভ্ৰমণলৈ অহা কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ৰামদাস আঠৱালেৰ সৈতে মঙলবাৰে গুৱাহাটীৰ কইনাধাবত অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ এখন উচ্চস্তৰীয় বৈঠক অনুষ্ঠিত হৈ যায়। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ সভাপতি সঞ্জীৱ ☐ ৬ পৃষ্ঠাত



জামিন লাভ জুবিন গার্গৰ দুই দেহৰক্ষী পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাৰ


তদন্তকাৰী আৰক্ষীৰ ভুলৰ বাবেই জামিন লাভ



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৯ ছেপ্তেম্বৰ ঃ আসমীয়াৰ হৃদয়ৰ আমঠু জুবিন গার্গৰ মৃত্যু গোচৰত নতুন আইনী মোৰ সৃষ্টি হৈছে। এই ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত অভিযুক্ত দুই দেহৰক্ষীয়ে মঙলবাৰে জামিন লাভ কৰিছে। বিশেষ ন্যায়াধীশৰ আদালতে জুবিন গার্গৰ দুই দেহৰক্ষী ক্ৰমে পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাৰ জামিন মঞ্জুৰ কৰে। জানিব পৰা মতে, আয়-বহির্ভূত সম্পত্তি সংক্ৰান্ত গোচৰত ☐ ৬ পৃষ্ঠাত

এনচিইআৰটিৰ নৱম শ্ৰেণীৰ সমাজ বিজ্ঞানৰ নতুন পাঠ্যপুথিত গুৰুত্বপূৰ্ণ তথ্য সন্নিবিষ্ট


সপ্তম শতিকাৰ পৰাই ভাৰতীয় উপমহাদেশত ভূখণ্ড সম্প্ৰসাৰণ আৰু ধৰ্মীয় উদ্দেশ্যৰে হৈছিল আক্ৰমণ



নেশ্যনেল ডেস্ক, অসম বার্তা, ২৯ ছেপ্তেম্বৰ ঃ এনচিইআৰটিৰ নৱম শ্ৰেণীৰ সমাজ বিজ্ঞানৰ নতুন পাঠ্যপুথিত ভাৰতীয় উপমহাদেশৰ ইতিহাসক লৈ গুৰুত্বপূৰ্ণ তথ্য সন্নিবিষ্ট কৰা হৈছে। 'আওৱাৰষ্টেণ্ডিং ছ'চাইটি ইণ্ডিয়া এণ্ড বিয়ণ্ড-পার্ট চ' নামৰ এই পাঠ্যপুথিখন নতুন শিক্ষাবর্ষ আৰম্ভ হোৱাৰ ছমাহৰ পিছত মঙলবাৰে মুকলি কৰা হয়। পাঠ্যপুথিখনৰ প্ৰথম খণ্ডটো জুন মাহত প্ৰকাশ পাইছিল। পাঠ্যপুথিখনত উল্লেখ কৰা অনুসৰি, সপ্তম শতিকাৰ পৰাই ভাৰতীয় উপমহাদেশই ভূখণ্ড সম্প্ৰসাৰণ আৰু ধৰ্মীয় উদ্দেশ্যৰ বাবে হোৱা নিৰন্তৰ আক্ৰমণৰ পৰ্যায় দেখিছে। ইয়াৰ উপৰি পাঠ্যপুথিখনত কোৱা হৈছে যে চিন্ধপ্ৰবহমান নদী ☐ ৬ পৃষ্ঠাত

প্ৰশাসনৰ অনুমতিৰ পিছতো কংগ্ৰেছৰ সভাত বাধা; বিজেপিৰ বিৰুদ্ধে ক্ষোভ ৰকিবুল হুছেইনৰ

শাসকীয় দলে একনায়কত্ববাদ চলাই গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰিছে: ৰকিবুল



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২৯ ছেপ্তেম্বৰ ঃ প্ৰশাসনৰ বৈধ অনুমতি লাভ কৰাৰ পিছতো কংগ্ৰেছৰ নিৰ্বাচনী বা দলীয় সভাত বিজেপি কর্মী-সমর্থকে বাধা প্ৰদান কৰাৰ গুৱাহতৰ অভিযোগ উত্থাপন কৰিছে ধুবুৰীৰ সাংসদ তথা জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰকিবুল হুছেইনে। সংবাদ মাধ্যমৰ আগত তীব্ৰ ক্ষোভ প্ৰকাশ কৰি সাংসদগৰাকীয়ে বিজেপি দলৰ বিৰুদ্ধে একনায়কত্ববাদ চলোৱাৰ অভিযোগ উত্থাপন কৰে। সংবাদ মাধ্যমৰ আগত ৰকিবুল হুছেইনে প্ৰকাশ কৰা মতে, সকলো নীতি-নিয়ম মানি প্ৰশাসনৰ অনুমতি লৈ আয়োজন কৰা কংগ্ৰেছ দলৰ সভাত শাসকীয় বিজেপি দলৰ কর্মী-সমর্থকে উচ্ছৃঙ্খলি কৰি বাধা আৰোপ কৰিছে। ইয়াৰ জৰিয়তে শাসকীয় দলে বিৰোধীৰ গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰিব বিচাৰিছে ☐ ৬ পৃষ্ঠাত

লাহৰীঘাট সমষ্টিৰ বৰচাপৰিত এ আই ইউ ডি এফৰ বিশাল নিৰ্বাচনী সভা

মই এটা ফুঃ মাৰিলেই দেবাশিষ শর্মা উৰি যাব ঃ বদৰুদ্দিন আজমল



অসম বার্তা, ভৱাগাঁও, ২৯ ছেপ্তেম্বৰ ঃ "মই এটা ফুঃ মাৰি দিলেই দেবাশিষ শর্মা উৰি যাব। শিৱামনিৰ মাতেই শুনা নাই সমস্তিত। ৭৫ ' ভোট মই পাম। ৰিজাল্টৰ পাছত গৌৰৱ, দেৱাশিষে কান্দিব লাগিব।" আজি মৰিগাঁও জিলাৰ ৫৩নং ☐ ৬ পৃষ্ঠাত

মায়ঙৰ গাগলমাৰীত কংগ্ৰেছৰ প্ৰচাৰ সভাত গৌৰৱ-লুৰীণজ্যোতি

'হিমন্ত-আজমল মামা-চাচা' ঃ লুৰীণজ্যোতি গগৈ



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২৯ ছেপ্তেম্বৰঃ মঙলবাৰে মৰিগাঁও জিলাৰ লাহৰীঘাট সমষ্টিৰ বৰালিমাৰীত বিজেপিৰ নিৰ্বাচনী প্ৰচাৰ সভা চলি থকাৰ সময়ছোৱালৈকে, তাৰ পৰা প্ৰায় ৬ কিলোমিটাৰ দূৰৈত মায়ঙৰ গাগলমাৰীত সন্ধিয়া ৭ বজাত কংগ্ৰেছৰ আন এখন প্ৰচাৰ সভা অনুষ্ঠিত হয়। উক্ত সভাত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, কংগ্ৰেছ সাংসদ ☐ ৬ পৃষ্ঠাত

অসম বাইফলছৰ এজন জোৱান নিহত, আহত চাৰিজন

অৰুণাচলৰ ভাৰত-ম্যানমাৰ সীমান্তৰ নামপুঙত এন এছ চি এনৰ ভয়ংকৰ গুলীচালনা



সীমান্তৰ বেৰৰ আশে-পাশে নিৰাপত্তা পৰীক্ষা চলাই থকা আছাম ৰাইফলছৰ টহলদাৰী দলৰ ওপৰত এই আক্ৰমণ

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৯ ছেপ্তেম্বৰ: চুবুীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ চাংলাং জিলাৰ ভাৰত-ম্যানমাৰ সীমান্তৰ সমীপত আজি পুৱা এটা টহলদাৰী দলৰ ওপৰত উগ্ৰপন্থী সদস্যাৰ ধাবাষাৰ গুলীচালনাত এজন সেনা জোৱান নিহত হোৱাৰ ☐ ৬ পৃষ্ঠাত

নিমিষা কাণ্ডৰ পাছত হোমষ্টে-ল'জৰ বাবে নতুন নীতি-নিয়ম

হোমষ্টে-ল'জৰ প্ৰতিটো কোঠাত থাকিব লাগিব আৰক্ষীৰ হেল্পলাইন নম্বৰৰ

উপযুক্ত প্ৰমাণপত্ৰ নোহোৱাকৈ যুবক-যুবতীক দিব নোৱাৰিব ৰুম ঃ DCP ৰলীন দেউৰী



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৯ ছেপ্তেম্বৰ ঃ শহৰীয়া নিমিষা কাণ্ডৰ পাছত হোমষ্টে আৰু ল'জৰ নিয়ম-কানুনক লৈ কঠোৰ হৈ পৰিছে আৰক্ষী প্ৰশাসন। এই পটভূমিত হোমষ্টে আৰু ল'জৰ স্বত্বাধিকাৰী তথা পৰিচালকসকলৰ সৈতে আৰক্ষীয়ে এক বিশেষ বৈঠক অনুষ্ঠিত কৰে। বৈঠকখনত নীতি-নিয়ম নমনা হোমষ্টে আৰু ল'জৰ স্বত্বাধিকাৰী তথা পৰিচালকসকলক কঠোৰ সকীয়নি প্ৰদান কৰে DCP ৰলীন দেউৰীয়ে। বৈঠকত DCP ৰলীন দেউৰীয়ে হোমষ্টে আৰু ল'জৰ স্বত্বাধিকাৰী তথা পৰিচালকসকলক কেইবাটাও গুৰুত্বপূৰ্ণ নির্দেশ প্ৰদান কৰে। এতিয়াৰে পৰা হোমষ্টে আৰু ল'জৰ প্ৰতিটো কোঠাত আৰক্ষীৰ হেল্পলাইন নম্বৰ বাধ্যতামূলকভাৱে থাকিব লাগিব। ইয়াতোপৰি উপযুক্ত প্ৰমাণপত্ৰ নোহোৱাকৈ কোনো যুবক-যুবতীক ৰুম ভাড়া দিয়াৰ অনুমতি নাথাকিব। আৰক্ষী সূত্ৰ অনুসৰি, নথিপত্ৰৰ ক্ষেত্ৰত হোমষ্টে আৰু ল'জৰ স্বত্বাধিকাৰী তথা পৰিচালকসকলে অত্যন্ত কঠোৰ হোৱাৰ নির্দেশ দিয়া হৈছে। কোনো ব্যক্তিক ৰুম দিয়াৰ আগতে তেওঁলোকৰ পৰিচয়-প্ৰমাণপত্ৰ যথাযথভাৱে পৰীক্ষা কৰিব লাগিব। যদি কোনো প্ৰতিষ্ঠানে এই নির্দেশ অমান্য কৰে, তেন্তে তেওঁলোকৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও ডেপুটি কমিশনাৰ ৰলীন দেউৰীয়ে সকীয়াই ☐ ৬ পৃষ্ঠাত

এছিয়ান গেমছ ২০২৬ৰ এথলেটিকছত ভাৰতৰ প্ৰথমটো সোণ

মহিলাৰ ৪×৪০০ মিটাৰ ৰিলেত ভাৰতৰ সোণৰ পদক নিশ্চিত

নিউজ ডেস্ক, অসম বার্তা, ২৯ ছেপ্তেম্বৰ ঃ চলিত এছিয়ান গেমছত ভাৰতীয় এথলেটিকছ দলে প্ৰথমটো সোণৰ পদক লাভ কৰিছে। মঙলবাৰে অনুষ্ঠিত মহিলাৰ ৪,৪০০ মিটাৰ ৰিলে ইভেণ্টত কিৰণ পাহাল, পুৰাস্মা মাচেত্তিৰা, প্ৰাচী চৌধুৰী আৰু বিথ্যা ৰামৰাজৰ দলে দৰ্শনীয় প্ৰদৰ্শন আগবঢ়াই শীর্ষস্থান দখল কৰে। ভাৰতীয় দলটোৱে ৩.২৯.৬৯ মিনিট সময়েৰে দৌৰ সম্পূর্ণ কৰি সোণৰ পদক নিশ্চিত কৰে। এই ইভেণ্টত বাহৰেইনে ৰূপৰ পদক আৰু চীনে ব্ৰঞ্জৰ পদক লাভ কৰে। চলিত এছিয়ান গেমছত ট্ৰেক এণ্ড ফিল্ডৰ পৰা ভাৰতৰ এয়া প্ৰথমটো সোণৰ পদক। ৰিলে ফাইনেলত ভাৰতীয় এথলীটসকলে আৰম্ভণিৰ পৰা শেষলৈকে তীব্ৰ গতি বজাই ৰাখি পাঁড়িয়ামত ত্ৰিৰংগা সর্বোচ্চ স্থানত উৰুৱাবলৈ সক্ষম হয়। ইয়াৰ পূর্বে ভাৰতে পুৰুষৰ 4x400 মিটাৰ ৰিলেত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। ধৰ্মবীৰ চৌধুৰী, মনু থেক্কি নিল, জয় কুমাৰ আৰু বিশাল থেৱাৰাছুৰ সেই দলটোৱে এই ছিজনৰ সর্বশ্রেষ্ঠ ৩.০১.৬৭ মিনিট সময় প্ৰদর্শন কৰিছিল। ইফালে, ভাৰতে ৪.১০০ মিটাৰ মিক্সড ৰিলেতো ব্ৰঞ্জৰ পদক লাভ কৰে। গুৰুনববীৰ সিং, অনিমেষ কুজুৰ, স্নেহা সত্যনাৰায়ণ আৰু হৰিতা ভদ্ৰৰ দলে ৪১.০৬ ছেকেণ্ডৰ ছিজন ☐ ৬ পৃষ্ঠাত



মাজুলী জিলা মহিলা সমিতিৰ পঞ্চদশ অধিৱেশন সম্পন্ন

তীব্ৰ বাক বিতণ্ডাৰ অন্তত বিষয়-বাছনি সভাত ৰুবী শইকীয়াক সভানেত্ৰী আৰু নিতুল হাজৰিকাক সম্পাদিকা নিৰ্বাচিত



অসম বাৰ্তা, উজনী মাজুলী, ২৯ ছেপ্টেম্বৰ ঃ মাজুলী জিলা মহিলা সমিতিৰ পঞ্চদশ ত্ৰি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশনখন আজি দিনজোৰা কাৰ্যসূচীৰে আজি আড়ম্বৰ পূৰ্ণভাৱে নামনি মাজুলীত অনুষ্ঠিত হয়। নামনি মাজুলী আঞ্চলিক মহিলা সমিতিৰ সহযোগত বালিচাপৰি মিলিত কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে উক্ত অধিৱেশনখনত আজি মাজুলীৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শাখা সমিতি, আঞ্চলিক সমিতিৰ কেইবাশতাধিক মহিলাই অংশগ্ৰহণ কৰে। অধিৱেশন উপলক্ষে আজি পুৱাৰ পৰাই সমগ্ৰ বালিচাপৰি অঞ্চলটো মহিলাসকলে মুখৰিত কৰি তোলে। উক্ত, অধিৱেশন উপলক্ষে আজি পুৱা পৰিৱেশ নিকাকৰণৰ পাছত গছপুলি ৰোপণ কৰে মিলিত কৃষ্টি সংঘৰ সভাপতি তথা অভ্যৰ্থনা সমিতিৰ সম্পাদক প্ৰকাশ প্ৰসাদ আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি গুণেশ্বৰ গায়নে। তাৰপিছত মাজুলী জিলা মহিলা সমিতিৰ পতাকা উত্তোলন কৰে মাজুলী জিলা মহিলা সমিতিৰ সভানেত্ৰী সুভদ্ৰা শইকীয়া বৰা আৰু নামনি মাজুলী আঞ্চলিক মহিলা সমিতিৰ সভানেত্ৰী জুতিকা গোস্বামী মহন্তই। উক্ত, অনুষ্ঠানৰ আঁত ধৰে জিলা সমিতিৰ সম্পাদিকা নিতুল হাজৰিকাই। তাৰপিছত বন্তি প্ৰজ্বলন কৰে জ্যেষ্ঠ সদস্যা দিপালী ভূঞা হাজৰিকা, আজীৱন সদস্যা বুলু ভঁৰালী পাঠক আৰু নামনি মাজুলী আঞ্চলিক মহিলা সমিতিৰ উপ সভানেত্ৰী ভাৰতী বৰাই। সদৌ অসম প্ৰাদেশিক মহিলা সমিতিৰ প্ৰয়াত কাণ্ডাৰীসকলৰ স্মৃতিত স্মৃতি তৰ্পণ কৰে মাজুলী জিলা মহিলা সমিতিৰ তিনিগৰাকী উপ সভানেত্ৰী ৰেখা বৰা, প্ৰণতি হাজৰিকা আৰু ৰুবী শইকীয়াই।

উক্ত, অধিৱেশন উপলক্ষে পুৱা ৯ ৩০ বজাত জিলা সমিতিৰ বিষয় বাছনি সভা অনুষ্ঠিত হয়। সম্পাদিকা নিতুল হাজৰিকাই আঁত ধৰা বিষয় বাছনি সভাত সভাপতিত্ব কৰে জিলা সমিতিৰ সভানেত্ৰী সুভদ্ৰা শইকীয়া বৰাই। উক্ত, বিষয় বাছনি সভাত ত্ৰি বাৰ্ষিক অধিৱেশনৰ প্ৰতিবেদন পাঠ আৰু গ্ৰহণ কৰাৰ লগতে আগন্তুক কাৰ্যকালৰ বাবে নতুন সমিতি গঠন কৰা হয়। উক্ত, নতুন সমিতি গঠন প্ৰক্ৰিয়াত তীব্ৰ জটিলতাৰ সৃষ্টি হয়। দীৰ্ঘ সময় ধৰি উক্ত জটিলতা অব্যাহত থাকে। সভানেত্ৰী পদৰ বাবে বনগাঁৰৰ ৰুবী শইকীয়া আৰু গড়মূৰৰ প্ৰণতি হাজৰিকাৰ নাম প্ৰস্তাৱ কৰাত জটিলতা বৃদ্ধি পায়। পাছত ডিব্ৰুগড় জিলা সমিতিৰ পৰা অহা পৰ্যবেক্ষক দিপালী শইকীয়াৰ হস্তক্ষেপত প্ৰণতি হাজৰিকাৰ নাম প্ৰত্যাহাৰ কৰা হয়। ফলত ৰুবী শইকীয়াই আগন্তুক কাৰ্যকালৰ বাবে মাজুলী জিলা সমিতিৰ সভানেত্ৰী নিৰ্বাচিত হয়। সম্পাদিকা পদত পুৰনি সমিতিৰ সম্পাদিকা নিতুল হাজৰিকা শইকীয়াকে পুনৰ মনোনীত কৰা হয়। উক্ত, নতুন সমিতিক উপস্থিত একাংশ জ্যেষ্ঠ সদস্যাই বিৰোধিতা কৰি সভাগৃহ ত্যাগ কৰে যদিও সভাত সভাপতিত্ব কৰা সুভদ্ৰা শইকীয়া বৰাই নতুন সমিতিক বৈধ বুলি উল্লেখ কৰে আৰু সভাত গ্ৰহণ কৰে। দীৰ্ঘ সময় ধৰি সভাত উক্ত বিষয় বাছনি সন্দৰ্ভত বিতৰ্ক চলি থকাৰ মাজতে সভাপতিয়ে সভা ভংগ ঘোষণা কৰে। দুপৰীয়া দুই বজাৰ পৰা বৃহৎ মুকলি সভা অনুষ্ঠিত হয়। সুভদ্ৰা শইকীয়া বৰাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনৰ আঁত ধৰে সম্পাদিকা নিতুল হাজৰিকা শইকীয়াই। মুকলি সভাত বন্তি প্ৰজ্বলন কৰে মাজুলী জিলা মহিলা সমিতিৰ উপদেষ্টা নিৰু দত্তই। সহস্ৰাধিক ৰাইজৰ উপস্থিতিত অনুষ্ঠিত হোৱা উক্ত মুকলি সভাখন উদ্বোধন কৰে মাজুলী জিলা মহিলা সমিতিৰ উপদেষ্টা তথা মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা আৰতি বৰাই। সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে তত্বগধুৰ ভাষণ প্ৰদান কৰে সংগীত নাটক অকাডেমী বঁটা প্ৰাপক কৰুণা বৰাই। সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মাজুলী বিধানসভা সমষ্টিৰ বিধায়ক ভুবন গামে নাৰীৰ মহানতা, মমতা আৰু প্ৰেৰণাৰ কথা উল্লেখ কৰি এক সুন্দৰ ভাষণ প্ৰদান কৰে। উক্ত, মুকলি সভাত মাজুলী জিলা মহিলা সমিতিৰ পঞ্চদশ ত্ৰি বাৰ্ষিক অধিৱেশনৰ স্মৃতিগ্ৰন্থ, বৰ্ণালী বৰা ভূঞা সম্পাদিত "অঙ্গনা" উন্মোচন কৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিত শইকীয়াই। সভাত বিশিষ্ট অতিথি হিচাপে মাজুলী জিলা পৰিষদৰ সভানেত্ৰী নৱনীতা দাস, মাজুলী জিলা ভাৰতীয় জনতা পাৰ্টিৰ সভাপতি দীপক গোস্বামী, অৱসৰপ্ৰাপ্ত অধ্যাপক পুতুল মহন্ত, মুহীন গায়ন, মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাপক সভানেত্ৰী মিনতি শইকীয়া, মাজুলী জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা, অৱসৰপ্ৰাপ্ত শিক্ষক হৰেন্দ্ৰ নাথ বৰুৱা, অৱসৰপ্ৰাপ্ত জিলা কৃষি বিষয়া অৰুণ কুমাৰ পাঠক, মাজুলী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা পবিত্ৰ গোস্বামী, অসম সেনাৰ আহ্বায়ক দীপক নেওগ, মাজুলী জিলা যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মুনীন্দ্ৰ ভূঞা, মাজুলী জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি আদিত্য দত্ত, মাজুলী জিলা অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সভাপতি বিকাশ দাস, কমলাবাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী ৰূপা বৰুৱা, জিলা পৰিষদৰ সদস্যা নীলিমা শৰ্মা, কমলাবাৰী গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যা পূৰ্ণ্য হাজৰিকা আদিয়ে অংশগ্ৰহণ কৰে। সভাত মাজুলী জিলা মহিলা সমিতিৰ ২৫ গৰাকী প্ৰতিষ্ঠাপকক ৰাজহুৱা ভাৱে সম্বৰ্ধনা জনোৱা হয়। উক্ত, সম্বৰ্ধনা অনুষ্ঠানত নামনি মাজুলী আঞ্চলিক মহিলা সমিতিৰ তৰফৰ পৰা ৰাষ্ট্ৰীয় গৱেষণা বঁটা লাভ কৰা, ড° বি আৰ আম্বেদকাৰ বিশ্ববিদ্যালয়ৰ অতিথি অধ্যাপিকা, নামনি মাজুলীৰ সুকণ্যা চুম্পী বৰা আৰু মাজুলী জিলা মহিলা সমিতিৰ সভানেত্ৰী, সম্পাদিকা, আদৰণী তোৰণ দাতা, ভোলাৰাম ভূঞাক সম্বৰ্ধনা জনোৱা হয়। উক্ত, সম্বৰ্ধনা অনুষ্ঠানৰ আঁত ধৰে জিলা সমিতিৰ সহকাৰী সম্পাদিকা ৰুবী সভাপণ্ডিত, নামনি মাজুলী আঞ্চলিক মহিলা সমিতিৰ সম্পাদিকা ৰিণ্টু মণি হাজৰিকা কলিতা আৰু জিলা সম্পাদিকা নিতুল হাজৰিকাই। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়াই নিতুল হাজৰিকাই।

বাহনা মহাবিদ্যালয়ত ১০ আৰু ১১ অক্টোবৰত হীৰক জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান

অসম বাৰ্তা, নিমাতীঘাট, ২৯ ছেপ্টেম্বৰ ঃ উত্তৰ-পূৱ যোৰহাটত ১৯৬৬ চনত প্ৰতিষ্ঠা হোৱা বাহনা মহাবিদ্যালয়ত ১০ আৰু ১১ অক্টোবৰত দুদিনীয়া কাৰ্যসূচীৰে হীৰক জয়ন্তী বৰ্ষৰ সামৰণি আনুষ্ঠান অনুষ্ঠিত হ'ব। কাৰ্য্যসূচী অনুসৰি ১০ অক্টোবৰৰ পুৱা ৮-৩০ বজাত হীৰক জয়ন্তীৰ জ্ঞান বন্তি প্ৰজ্বলন কৰিব পৰিচালনা সমিতিৰ সভাপতি ড° মুনিন্দ্ৰ কোঁৱৰে। ৮-৪০ বজাত পতকা উত্তোলন কৰিব হীৰক জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি অনন্ত কুমাৰ বৰুৱাই। পুৱা ৯-১০ বজাত স্মৃতি তৰ্পণ কৰিব বাহনা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষা শকুন্তলা দেৱীয়ে। পুৱা ৯-২০ বজাত বাহনা মহাবিদ্যালয়ৰ স্বপ্নদ্ৰষ্টা ত্ৰিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জনাব ক্ৰমে নীতি পাত্ৰ, নবীন গোহাঁই, দীপ্তি দত্ত গোস্বামী, ৰুনুমী নেওগ, মাণিক চন্দ্ৰ বৰা আৰু মিনাৰাম বৰাই। পুৱা ৯-৩৫ বজাত শ্বহীদ বেদীত বন্তি প্ৰজ্বলন কৰিব বাহনা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক দিবাকৰ শইকীয়াই। পুৱা ৯-৪৫ বজাত প্ৰতিষ্ঠাপক অধ্যক্ষ ৰাম কুমাৰ বৰুৱাৰ সমাধিত বন্তি প্ৰজ্বলন কৰিব বাহনা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা পূৰ্ণিমা দত্তই। পুৱা ৯-৫৫ বজাত প্ৰয়াত অধ্যক্ষ ৰাজেন্দ্ৰ নিথ দত্তৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব ক্ৰমে চন্দ্ৰ প্ৰসাদ বৰা আৰু অৰুণিমা বৰুৱাই। পুৱা ১০-১০ বজাত নৱনিৰ্মিত বিজ্ঞান ভৱনৰ দ্বিতীয় মহলাৰ দুৱাৰ মুকলি কৰিব টীয়ক সমষ্টিৰ বিধায়ক বিকাশ শইকীয়াই। পুৱা ১০-৩০ বজাত প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনীৰ অৰিহনাৰে নিৰ্মিত মহাবিদ্যালয়ৰ দ্বিতীয় প্ৰবেশদ্বাৰ মুকলি কৰিব বিশিষ্ট চিকিৎসক তথা প্ৰাক্তন ছাত্ৰ ডঃ প্ৰফুল্ল কুমাৰ নাথে। ১০-৪০ বজাত প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰিব কেন্দ্ৰীয় এৰী আৰু মুগা গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালক ড° কাৰ্তিক নেওগে। পুৱা ১১-০০ বজাৰ সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব যোৰহাট জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰাই। বিয়লী ৩-০০ বজাৰ পৰা অনুষ্ঠিতব্য অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন উদ্বোধন কৰিব মৰান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অনিল শইকীয়াই। ৫-১৫ বজাৰ পৰা অনুষ্ঠিতব্য গুৰু মহীয়ান বিনীত বৰা সোঁৱৰণী সাংস্কৃতিক সন্মিলন উদ্বোধন কৰিব মিনু বৰুৱাই। ১১ অক্টোবৰৰ পুৱা ৭-০০ বজাৰ চাইকেল শোভাযাত্ৰা উদ্বোধন কৰিব টীয়ক সমজিলা আয়ুক্ত মগেন নৰহে। স্মৃতিগ্ৰন্থ উন্মোচন কৰিব মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য প্ৰধ্যাপক ডম্বৰুধৰ নাথে। দিনৰ ১২-০০ বজাৰ পৰা অনুষ্ঠিতব্য মুকলি সভা উদ্বোধন কৰিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰধ্যাপক জিতেন হাজৰিকাই। জানিব পৰা মতে মুকলি সভাত মূখ্য অতিথি হিচাপে উপস্থিত থাকিব মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিশিষ্ট অতিথি কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, শিক্ষামন্ত্ৰী ডঃ ৰণোজ পেগু, যোৰহাট লোকসভা সমষ্টিৰ সংসদ গৌৰৱ গগৈ, সন্মানীয় অতিথি বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, বিধায়ক বিকাশ শইকীয়া আৰু জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰধ্যাপক জ্যোতিপ্ৰসাদ শইকীয়া উপস্থিত থাকিব। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব অসম উদ্যোগিক নিগমৰ অধ্যক্ষ তপন কুমাৰ গগৈ, শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰ, জিলা আয়ুক্ত জয় শিৱানী, উচ্চশিক্ষা অসমৰ সঞ্চালকপমি বৰুৱা, সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা বিয়লী ৫-০০ বজাত প্ৰয়াত অধ্যক্ষ ৰাজেন্দ্ৰ নাথ দত্ত সোঁৱৰণী সাংস্কৃতিক সন্মিলন উদ্বোধন কৰিব বিশিষ্ট আভিনেত্ৰী বৰষাৰাণী বিষয়াই। হীৰক জয়ন্তী উদযাপন সমতিৰ সমূহ বিষয়ববীয়াই দুয়োটা দিনৰ কাৰ্যসূচীত সকলোৰে উপস্থিতি কামনা কৰিছে।

২ কেজি গাঞ্জাসহ সৰবৰাহকাৰী আলী আটক, মটৰ চাইকেল জব্দ
বৰপেটাৰোডত আৰক্ষীৰ অভিযান

অসম বাৰ্তা, বৰপেটাৰোড, ২৯ ছেপ্টেম্বৰ ঃ নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে ৰাজ্যজুৰি চলি থকা অভিযানৰ মাজতে আজি বৰপেটাৰোড আৰক্ষীয়ে এক বৃহৎ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্যামল জ্যোতি শইকীয়াৰ নেতৃত্বত চলোৱা এক সফল অভিযানত ২ কিলোগ্ৰাম গাঞ্জাসহ তুছদ্দক হুছেইন ওৰফে আলী নামৰ এটা কুখ্যাত সৰবৰাহকাৰীক হাতে-লোটে আটক কৰা হয়। প্ৰাপ্ত তথ্য অনুসৰি, ধৃত তুছদ্দক হুছেইন ওৰফে আলীয়ে দীৰ্ঘদিন ধৰি বৰপেটাৰোড আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত অতি সংগোপনে অবৈধ গাঞ্জাৰ ৰমৰমীয়া বেহা চলাই অহাৰ অভিযোগ উত্থাপন হৈছিল। এই সন্দৰ্ভত আৰক্ষীয়ে পূৰ্বৰে পৰাই সূত্ৰযোগে খবৰ লাভ কৰিছিল যদিও সৰবৰাহকাৰীটোৱে আৰক্ষীৰ চকুত ধূলি দি নিজৰ অবৈধ কাৰ্যকলাপ চলাই গৈছিল। অৱশেষত আজি এক গোপন সূত্ৰৰ পম খেদি ভাৰপ্ৰাপ্ত বিষয়াগৰাকীৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটা দলে অভিযান চলাই সৰবৰাহকাৰী আলীক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ধৃত আলীৰ পৰা ২ কেজি গাঞ্জা জব্দ কৰাৰ লগতে অবৈধ সৰবৰাহৰ কামত ব্যৱহাৰ কৰা এখন মটৰচাইকেলো জব্দ কৰে। জানিব পৰা মতে, জব্দকৃত মটৰচাইকেলখনৰ পঞ্জীয়ন নম্বৰ হৈছে AS15R9388। বৰ্তমান আৰক্ষীয়ে ধৃত আলীক নিজৰ জিম্মাত লৈ মাৰাথন জেৰা অব্যাহত ৰাখিছে। এই জেৰাৰ অন্তত অঞ্চলটোত সক্ৰিয় হৈ থকা গাঞ্জা সৰবৰাহকাৰী চক্ৰটোৰ আন বহু কেইজন সদস্যৰ নাম পোহৰলৈ অহাৰ সম্ভাৱনা আছে। বৰপেটাৰোড আৰক্ষীৰ এই সফলতাক স্থানীয় ৰাইজে প্ৰশংসা কৰিছে।

চামগুৰিৰ সোণাৰীবালিত বিশাল নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা

চামগুৰি সমষ্টিত কংগ্ৰেছ দলৰ যেতিয়া বিধায়ক হ'ল তেতিয়াই চামগুৰি সমষ্টিৰ উন্নয়ন পিছুৱাই গ'ল

বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দেবাশীষ শৰ্মাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলালে মুখ্যমন্ত্ৰীয়ে



অসম বাৰ্তা, পুৰণিগুদাম, ২৯ ছেপ্টেম্বৰ ঃ চামগুৰি সমষ্টিত কংগ্ৰেছৰ বিধায়ক আছে কিন্তু চামগুৰি উন্নয়ন হৈছে নেকি? চামগুৰি সমষ্টিত কংগ্ৰেছ দলৰ যেতিয়া বিধায়ক হ'ল তেতিয়াই চামগুৰি সমষ্টিৰ উন্নয়ন পিছুৱাই গ'ল। এই মন্তব্য ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ দিন চমুচাপি অহাৰ লগে-লগে ৰজনৈতিক দল সমূহে নিজৰ-নিজৰ সাংগঠনিক দিশ সৱল কৰিবলৈ চেষ্টা অব্যাহত ৰখাৰ সময়তে আজি নগাঁও লোকসভা সমষ্টিৰ অধীনৰ চামগুৰি সমষ্টিৰ সোণাৰীবালিৰ খেলপথাৰত এখন বিশাল নিৰ্বাচনী জনসভাত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰি ভাষণ প্ৰসংগত কয় যে, চামগুৰি সমষ্টিত যেতিয়া কংগ্ৰেছ দলৰ বিধায়ক হ'ল তেতিয়াৰ পৰাই কোনো কাম কৰিব পৰা নাই। এইবাৰ দেবাশীষ শৰ্মাক ভোট দিলে চামগুৰি উন্নয়ন হ'ব মহিলাসকলে আৰু অৰুণোদয় পাব কিন্তু ৰকিবুলক ভোট দিলে এটা ডাঙৰ ৰসগোল্লা পাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰি কয় যে, চামগুৰি উন্নয়ন কৰিব লাগিলে এইবাৰ মামাৰ প্ৰাৰ্থীক বিপুল ভোট দিলে মহিলাসকলে অৰুণোদয় পাব আৰু ১০ হাজাৰো পাব, ২৫ হাজাৰ টকাও পাব মহিলা সকলে। কংগ্ৰেছৰ দিনত অৰুণোদয় পাইছিল নেকি? ১০ হাজাৰ ২৫ হাজাৰ টকা পাইছিল নেকি? কংগ্ৰেছে ১০০ টকাত দালি, চেনি দিছিল নেকি কংগ্ৰেছে দুইলাখ চাকৰি দিব পাৰিছিল নেকি? প্ৰধানমন্ত্ৰী আবাস যোজনা ঘৰ পাইছিল নেকি? চামগুৰি সমষ্টিৰ পথ সমূহ উন্নয়ন হ'বলৈ হ'লে মামাৰ প্ৰাৰ্থীগৰাকীক জয়যুক্ত কৰাব লাগিব। ৰকিবুল হুছেইনক বা তাঞ্জিল হুছেইনক ভোট দিলে কি পাব। বকাসুৰৰ দৰে খায় ৰকিবুল হুছেইনে। পুৱা ৭ বজাতেই পোলাও খাই ৰকিবুল হুছেইনে। ১০ বজাতো ৰকিবুল হুছেইনক পোলাও লাগে বুলি কটাক্ষ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, আপোনালোকে আমাৰ তথা বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দেবাশীষ শৰ্মাক এইবাৰ বিপুল ভোটত জয়যুক্ত কৰালে মই অহা ১০ অক্টোবৰ তাৰিখে পুনৰ চামগুৰিলৈ আহিম বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উপস্থিত ৰাইজৰ আগত প্ৰতিশ্ৰুতি দিয়ে। উক্ত বিশাল নিৰ্বাচনী সভাখনত কেবিনেট মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থাকি আগন্তুক নগাঁও লোকসভা উপ-নিৰ্বাচনত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দেবাশীষ শৰ্মাক বিপুল ভোটত জয়যুক্ত কৰাবলৈ ৰাইজক আহ্বান জনায়। উক্ত সভাত নগাঁও লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দেবাশীষ শৰ্মাই ভাষণ প্ৰসংগত কয় যে, মই সদায় ৰাইজৰ মাজত থাকি ভাল পাওঁ। সদায় ৰাইজৰ হকে কাম কৰি আহিছো গতিকে এইবাৰ আপোনালোকে পুনৰ মোক ৰাইজৰ হকে কাম কৰিবলৈ সুবিধা দিব বুলি মন্তব্য কৰে। উক্ত নিৰ্বাচনী বিশালসভা খনত বিজেপিৰ ৰাজ্যিক সভাপতি তথা সাংসদ দিলীপ শইকীয়া, কেবিনেট মন্ত্ৰী পীযূষ হাজৰিকা, বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, নিউ গুৱাহাটী সমষ্টিৰ বিধায়ক দীপ্লুৰঞ্জন শৰ্মা, দীপক দাস, বিজেপিৰ ৰাজ্যিক উপ-সভাপতি তথা প্ৰাক্তন বিধায়ক অমিয় কুমাৰ ভূঞা, অভিজিত নাথ, অগপৰ নগাঁও জিলাৰ সাধাৰণ সম্পাদক যতীন নাথকে ধৰি অগপ আৰু বিজেপিৰ বিভিন্ন সাংগঠনিক স্তৰৰ বিষয়ববীয়া আৰু কৰ্মকৰ্তাসকল উপস্থিত থাকে।

মঙলদৈত সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভা

অসম বাৰ্তা, মঙলদৈ, ২৯ ছেপ্টেম্বৰ ঃ মঙলদৈ জিলা কৰ্মচাৰী পৰিষদৰ আতিথ্যত দেওবাৰে মঙলদৈৰ সনাতন ধৰ্মসভা সভাকক্ষত সদৌ অসম কৰ্মচাৰী পৰিষদৰ অন্তিমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে ৰাজ্যৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ কেবিনেট মন্ত্ৰী নীলিমা দেৱীয়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা উপস্থিত হোৱা বিষয়ববীয়া, কাৰ্যনিৰ্বাহক সদস্যসকলক উষ্ম আদৰণি জনাই দেশ তথা ৰাজ্যৰ উন্নয়নত কৰ্মচাৰী সমাজৰ সেৱাৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি বক্তব্য আগবঢ়ায়। মঙলদৈ জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ৰাজেন্দ্ৰ নাথ হাজৰিকাই আদৰণী ভাষণেৰে আৰম্ভ কৰা তথা সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি দ্বীপেন শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত ৰাজ্য চৰকাৰে গঠন কৰা পে' কমিছন, মুখ্যমন্ত্ৰী আৰোগ্য যোজনা, এম এ চি পি এছ, বিশেষ নিযুক্তি প্ৰক্ৰিয়াৰ জৰিয়তে নিযুক্তি প্ৰাপ্ত এছ আৰ ডি শিক্ষকৰ চাকৰিৰ দা দৰমহা লাভ কৰাত উদ্ভৱ হোৱা জটিলতা, এন পি এছ কৰ্মচাৰীৰ অৱসৰকালীন আচনি, কৰ্মচাৰীৰ বাবে সেৱা বিধি কাৰ্যকৰীকৰণ নিশ্চিত কৰা, প্ৰতিগৰাকী কৰ্মচাৰীৰ চাকৰি জীৱন কালত অন্তত তিনিটা পদোন্নতিৰ ব্যৱস্থা কৰা, ন্যায়ালয়ৰ মজিয়াত চলি থকা কেইবাটাও গোচৰ সম্পৰ্কে বিশদ আলোচনা কৰা হয়। তদুপৰি কৰ্মচাৰী সমাজৰ বাৰ্তালোচনী কৰ্মযুগ সম্পৰ্কেও আলোচনাত ঠাই পায়। কাৰ্যনিৰ্বাহক সভাখনত কহুল আমিন, উৎপল চক্ৰবৰ্তী, ত্ৰিদিব হাজৰিকা, গুণাৰাম গগৈ, পৰেশ চন্দ্ৰদাস, কুমুদ কটকী, দেৱীকা দেৱী, লিপিকা বৰুৱা, আৰতি দাস, মনোজ লহকৰ, দেৱজ্যোতি চক্ৰৱৰ্তী আদিয়ে কৰ্মচাৰী পৰিষদৰ সাধাৰণ সম্পাদক পংকজ বৰ্মনে পাঠ কৰা সম্পাদকীয় প্ৰতিবেদনত কিছুমান বিষয় সংযোজনৰ পৰামৰ্শ আগবঢ়ায়। তদুপৰি আভ্যন্তৰীণ হিচাপ পৰীক্ষকদ্বয় নৱজ্যোতি পাটোৱাৰী আৰু মুকুল চন্দ্ৰ গোস্বামীয়ে বিত্তীয় হিচাপ দাখিল কৰে, য'ত পৰিষদৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ তালিকাও প্ৰকাশ পায়। উল্লেখযোগ্য যে কৰ্মচাৰী পৰিষদৰ আজি অনুষ্ঠিত হোৱা কাৰ্যনিৰ্বাহক সভাখনেই আছিল অন্তিমখন কাৰ্যনিৰ্বাহক সভা। অহা ১০, ১১ আৰু ১২ অক্টোবৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে নলবাৰী নাট্য মন্দিৰত অনুষ্ঠিত হ'ব সদৌ অসম কৰ্মচাৰী পৰিষদৰ দ্বি-বাৰ্ষিক অধিৱেশন। নলবাৰী অধিৱেশনতে বৰ্তমানৰ কমিটীৰ কাৰ্যকালৰ অন্ত পৰিব আৰু নতুনকৈ কেন্দ্ৰীয় কমিটী গঠন কৰা হ'ব।

NAME CORRECTION

My actual and correct name is LATIFA KHATUN which has been recorded in my relevant all documents including Aadhar Card, vide No. 3291 3229 1117, PAN Card vide no GIZPK7213L but my Name has erroneously been recorded M/S LATIFA BEGUM in my bank passbook of Assam Gramin Vikash Bank having A/C no. 7150010001147 of Lakhiganj Branch as M/S LATIFA BEGUM instead of correct name LATIFA KHATUN. That, both M/S LATIFA BEGUM and LATIFA KHATUN signifies the same and one identical person. i.e. myself.

Sd/-
LATIFA KHATUN
C/O: Panoodin Sekh
Village: Udmari pt 3
PO: Lakhiganj, Pin: 783345
SD: Bilasipara
Dist: Dhubri, Assam.

AB-182/2026

NAME CORRECTION

I, Mahammad Nuruddin Ali, S/O: Late Mahammad Mamtaz Ali, Vill: Mulang Bangali Gaon, P.O.: Ledo, P.S.: Margherita, Dist.: Tinsukia, Assam, declare before Notary Margherita that in Jamabandi (Vide Application No. RTPS/ROR/2025/4338312, Dated: 16/12/2025), my name is wrongly recorded as Mahammad Abdul Nur instead of Mahammad Nuruddin Ali. Both Mahammad Abdul Nur and Mahammad Nuruddin Ali are the same and one person, i.e., myself.

AB-181/2026

মাকুম কেন্দ্ৰীয় কৰম সন্মিলনৰ ৰূপালী জয়ন্তীৰ "বালি উঠোৱা" কাৰ্যসূচী

অসম বাৰ্তা, মাকুম, ২৯ ছেপ্টেম্বৰ ঃ অহা ২, ৩ আৰু ৪ অক্টোবৰত স্বৰ্গীয় অৰূপ আৰন্ধৰা সমন্বয় ক্ষেত্ৰ, মাকুমৰ ৰজনীকান্ত বৰদলৈ খেলপথাৰৰ প্ৰাংগণত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া মাকুম কেন্দ্ৰীয় কৰম সন্মিলনৰ ৰূপালী জয়ন্তী কৰম উৎসৱৰ "বালি উঠোৱা' কাৰ্যসূচী আজি পুৱা পৰম্পৰাগত ৰীতি-নীতিৰে সম্পন্ন হয়। মাকুম সমষ্টিৰ বিধায়ক তথা উদযাপন সমিতিৰ সভাপতি সঞ্জয় কিষাণৰ উপস্থিতিত টিংৰাই নদীৰ পাৰত কৰমতীসকলে পৰম্পৰাগত সাজ-পোছাক পৰিধান কৰি ধৰ্মীয় ৰীতি-নীতিৰে নদীৰ পৰা পবিত্ৰ বালি সংগ্ৰহ কৰে। এই পবিত্ৰ বালিৰেই 'জাৱা' ৰোপণ কৰি কৰম উৎসৱৰ মূল পৰ্ব আৰম্ভ কৰা হ'ব। কাৰ্যসূচীত বিধায়ক সঞ্জয় কিষাণৰ উপৰি উদযাপন সমিতিৰ বিষয়ববীয়া, অঞ্চলটোৰ জ্যেষ্ঠ ব্যক্তি, যুৱক-যুৱতীসকলৰ লগতে বহু কৰমপ্ৰেমী লোক উপস্থিত থাকে। উল্লেখযোগ্য যে এইবাৰ মাকুম কেন্দ্ৰীয় কৰম সন্মিলনে ২৫টা বৰ্ষত ভৰি দিয়াত ৰূপালী জয়ন্তী হিচাপে বিশেষ বৰ্ণাঢ্য কাৰ্যসূচীৰে কৰম উৎসৱ আয়োজন কৰা হৈছে। অহা ২, ৩ আৰু ৪ অক্টোবৰত তিনিদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া ৰূপালী জয়ন্তী অনুষ্ঠানৰ ২ অক্টোবৰৰ পুৱা ৫ বজাত মাৰাথন দৌৰেৰে শুভাৰম্ভ কৰা হ'ব। ইয়াৰ পাছতে পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বৃক্ষৰোপণকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইয়াৰ উপৰি ঝুমুৰ, দলীয় ঝুমইৰ নৃত্য, দমকইজ, কাঠি নৃত্য, উৰিয়া নৃত্যকে ধৰি চাহ জনগোষ্ঠীৰ বিভিন্ন পৰম্পৰাগত গীত, নৃত্য আৰু লোক-সংস্কৃতিক সামৰি বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। চাহ জনগোষ্ঠীৰ চহকী লোক-সংস্কৃতি সংৰক্ষণৰ লগতে নৱপ্ৰজন্মৰ মাজত এই সংস্কৃতিক অধিক বিকশিত কৰাৰ লক্ষ্যৰে প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হ'ব। ৰূপালী জয়ন্তীৰ সাংস্কৃতিক সন্ধিয়াত জনপ্ৰিয় শিল্পী অৰ্জুন লাকড়াই সংগীতানুষ্ঠান পৰিৱেশন কৰিব। ইফালে, উদ্‌যাপন সমিতিৰ সভাপতি তথা বিধায়ক সঞ্জয় কিষাণে সংবাদ মাধ্যমৰ জৰিয়তে জাতি-ধৰ্ম নিৰ্বিশেষে সকলো সংস্কৃতিপ্ৰেমী ৰাইজ, অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠন তথা সকলো শ্ৰেণীৰ ৰাইজক ৰূপালী জয়ন্তী কৰম উৎসৱত সহযোগিতা আগবঢ়োৱাৰ লগতে উপস্থিত থাকি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰিবলৈ আহ্বান জনাইছে।

ফুলিবৰ আদৰ্শ বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ আয়োজন

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৯ ছেপ্টেম্বৰ ঃ গোলাঘাটৰ পুলিবৰ আদৰ্শ বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিদ্যালয়খনৰ গৌৰোজ্জ্বল মহাৰজত জয়ন্তী উদ্‌যাপন সন্দৰ্ভত এখনি ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায়। সভাৰ সৰ্বসন্মত সিদ্ধান্ত মৰ্মে ১০, ১১ আৰু ১২ ডিচেম্বৰ, বৃহস্পতি, শুক্ৰবাৰ আৰু শনিবাৰ ২০২৬ তাৰিখে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পুলিবৰ আদৰ্শ বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী উদ্‌যাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰাজকুমাৰ বেদান্ত বিকাশ গোহাঁইক সভাপতি, সঞ্জীৱ গোঁহাইক কাৰ্যকৰী সভাপতি, উৎপল বৰুৱা (ভাৰপ্ৰাপ্ত অধ্যক্ষ)ক মুখ্য সম্পাদক, পাপু কোঁৱৰ, দীপক গগৈক যুটীয়া সম্পাদক আৰু দীপাংকৰ হাজৰিকাক (শিক্ষক) কোষাধ্যক্ষ হিচাপে লৈ এখনি উদ্‌যাপন সমিতি গঠন কৰা হয়। মহাৰজত জয়ন্তীৰ লগত সংগতি ৰাখি এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে। ইচ্ছুক লেখক, লেখিকাই নিজৰ লিখনিসমূহ pavhsschool1951@gmail.com এইইমেইলত প্ৰেৰণ কৰিব পাৰিব।

"আধ্যাত্মিকতাৰ গুঞ্জন" শীৰ্ষক দীপিকা ডেকা পাটোৱাৰীৰ গ্ৰন্থ উন্মোচন

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২৯ ছেপ্টেম্বৰ ঃ দেওবাৰে গুৱাহাটী প্ৰেছ ক্লাবত অৱসৰ প্ৰাপ্ত শিক্ষয়িত্ৰী দীপিকা ডেকা পাটোৱাৰী দ্বাৰা ৰচিত "আধ্যাত্মিকতাৰ গুঞ্জন" শীৰ্ষক গ্ৰন্থ উন্মোচন কৰা হয়। শিৱ সাধক পৰশুৰাম কাকতিয়ে লেখিকাৰ প্ৰয়াত স্বামী লেখক জ্যোতিষ পাটোৱাৰী ছবিত পুষ্পাঞ্জলি প্ৰদান আৰু বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা অনুষ্ঠানটিত লেখিকাৰ নাতিনী কস্তুৰী পাটোৱাৰীয়ে আৰম্ভণিতে গুৰু বন্দনা আৰু জ্যোতিষ বন্দনা কৰে। বিশিষ্ট সাহিত্যিক বিপুল কুমাৰ শৰ্মাই সভাপতিত্ব কৰা অনুষ্ঠানটিত গ্ৰন্থখনি উন্মোচন কৰে বিশিষ্ট সাহিত্যিক মুকুট শৰ্মাই। মুখ্য অতিথি হিচাপে কৃতি শিক্ষক তথা বৰপেটা জিলাৰ জ্ঞান-বিজ্ঞান সমিতিৰ সচিব তিলক কুমাৰ শৰ্মা আৰু বিশিষ্ট অতিথি হিচাপে ওদালগুৰি জিলাৰ কৃতি শিক্ষক নৰহৰি পাঠক উপস্থিত থাকি বক্তব্য আগবঢ়ায়। গ্ৰন্থখনৰ সন্দৰ্ভত লেখিকাই মন্তব্য কৰি কয়, - "আধ্যাত্মিকতা কোনো ধৰ্ম নহয়। ই মানুহক উচ্চৰ পৰা উচ্চতম শাৰীলৈ উন্নিত কৰে। গ্ৰন্থখনৰ উদ্দেশ্য হ'ল সুকৰ্ম সম্পাদন কৰি নিজকে উন্নতিৰ উচ্চ শিখৰলৈ লৈ যোৱা।" গ্ৰন্থখনৰ আগকথা লিখোঁতা শিৱ সাধক পৰশুৰাম কাকতিয়ে লেখিকা দীপিকা ডেকা পাটোৱাৰীৰ গ্ৰন্থ খনৰ আঁত ধৰি ৰচনা কৰা শুভেচ্ছা মূলক "আধ্যাত্মিকতাৰ গুঞ্জন" শীৰ্ষক কবিতাটো পাঠ কৰে বিশিষ্ট সংগঠক লেখিকা ঊষামণি শইকীয়াই। উল্লেখ্য যে উক্ত গ্ৰন্থ উন্মোচনী অনুষ্ঠানত প্ৰাঞ্জল পাটোৱাৰী, পাৰিজাত সন্দিকৈ, কৃষ্ণা নয়না পাটোৱাৰী, প্লাবিতা পাটোৱাৰী, সীমান্ত প্ৰসাদ বৰুৱা, প্ৰণিতা শইকীয়া ইত্যাদিকে ধৰি লেখিকাৰ পৰিয়াল আৰু শুভাকাংক্ষী ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

ডিব্ৰুগড়ৰ কানৈ বাণিজ্য মহাবিদ্যালয়ত পৰ্যটন ব্যৱস্থাপনা বিষয়ক অনলাইন দক্ষতা বিকাশ পাঠ্যক্ৰমৰ বিষয়ত বক্তৃতা

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৯ ছেপ্টেম্বৰ ঃ ডিব্ৰুগড়ৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান কানৈ বাণিজ্য মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী সকলৰ দক্ষতা বিকাশ আৰু কৰ্মমুখী শিক্ষাৰ প্ৰসাৰৰ উদ্দেশ্যে মহাবিদ্যালয়ৰ দক্ষতা বিকাশ কোষৰ উদ্যোগত "বাণিজ্য শাখাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে পৰ্যটন ব্যৱস্থাপনা বিষয়ক অনলাইন দক্ষতা বিকাশমূলক পাঠ্যক্ৰমত কেনেদৰে নামভৰ্তি কৰিব" -শীৰ্ষক এক বিশেষ বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ দক্ষতা বিকাশ কোষৰ ন'ডেল বিষয়া ড° অজিত গোস্বামীয়ে আঁতধৰা অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে মহাবিদ্যালয়ৰ হিচাপ বিদ্যা বিভাগৰ সহকাৰী অধ্যাপক ড° জেকব কোঁৱৰ। অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেব গগৈয়েও উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ আৰম্ভণিতে অধ্যক্ষ ড° জয়দেব গগৈয়ে মহাবিদ্যালয়ৰ দক্ষতা বিকাশ কোষৰ উদ্দেশ্য, ভূমিকা আৰু বিভিন্ন কাৰ্যসূচীৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। তেওঁ বৰ্তমানৰ প্ৰতিযোগিতামূলক পৰিৱেশত কেৱল পাঠ্যক্ৰমভিত্তিক জ্ঞানেই যথেষ্ট নহয় বুলি উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলে নিজৰ বিষয়ভিত্তিক জ্ঞানৰ লগতে বিভিন্ন ব্যৱহাৰিক আৰু পেছাদাৰী দক্ষতা আহৰণ কৰাটো অত্যন্ত প্ৰয়োজনীয় বুলি মত প্ৰকাশ কৰে। বিশেষকৈ অনলাইন মাধ্যমেৰে উপলব্ধ বিভিন্ন দক্ষতা বিকাশমূলক পাঠ্যক্ৰমে ছাত্ৰ-ছাত্ৰীসকলক নিজৰ জ্ঞান আৰু যোগ্যতা বৃদ্ধি কৰাৰ লগতে ভৱিষ্যৎ কৰ্মজীৱনৰ বাবে অধিক প্ৰস্তুত হোৱাত সহায় কৰিব বুলি তেওঁ উল্লেখ কৰে। ইয়াৰ পিছতে অনুষ্ঠানৰ সমল ব্যক্তি ড° জেকব কোঁৱৰে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন অনলাইন দক্ষতা বিকাশমূলক পাঠ্যক্ৰমৰ বিষয়ে বিস্তৃতভাৱে অৱগত কৰে। তেওঁ বিশেষকৈ পৰ্যটন ব্যৱস্থাপনা বিষয়ৰ অনলাইন পাঠ্যক্ৰমসমূহৰ গুৰুত্ব, সম্ভাৱনা আৰু বাণিজ্য শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ইয়াৰ প্ৰাসংগিকতাৰ বিষয়ে আলোচনা কৰে। পৰ্যটন উদ্যোগৰ দ্ৰুত বিকাশৰ পৰিপ্ৰেক্ষিতত এই খণ্ডত প্ৰয়োজনীয় জ্ঞান আৰু দক্ষতা আহৰণ কৰিলে ছাত্ৰ-ছাত্ৰী সকলৰ বাবে ভৱিষ্যতে বিভিন্ন কৰ্মসংস্থাপন আৰু আত্মনিয়োগৰ সুযোগ সৃষ্টি হ'ব পাৰে বুলি তেওঁ উল্লেখ কৰে। সমল ব্যক্তিগৰাকীয়ে বিভিন্ন অনলাইন পাঠ্যক্ৰমত নামভৰ্তি কৰাৰ ক্ষেত্ৰত অনুসৰণ কৰিবলগীয়া বিভিন্ন পদক্ষেপ ক্ৰমাগতভাৱে আৰু ব্যৱহাৰিকভাৱে ছাত্ৰ-ছাত্ৰী সকলক বুজাই দিয়ে। অনলাইন পাঠ্যক্ৰম বিচৰা, নিজৰ পছন্দৰ পাঠ্যক্ৰম নিৰ্বাচন কৰা, নামভৰ্তিৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা আৰু পাঠ্যক্ৰমত নিয়মীয়াকৈ অংশগ্ৰহণ কৰাৰ পদ্ধতিৰ বিষয়ে তেওঁ বিশদ ব্যাখ্যা আগবঢ়ায়। লগতে 'স্কিলহাব'ত প্ৰৱেশ কৰি বিভিন্ন দক্ষতা বিকাশমূলক পাঠ্যক্ৰম কেনেদৰে সম্পন্ন কৰিব পাৰি, সেই বিষয়েও তেওঁ ছাত্ৰ-ছাত্ৰী সকলক প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰে। অনুষ্ঠানত উপস্থিত ছাত্ৰ-ছাত্ৰীসকলে অনলাইন পাঠ্যক্ৰমত নামভৰ্তি আৰু পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ প্ৰক্ৰিয়াৰ বিষয়ে বিভিন্ন প্ৰশ্ন উত্থাপন কৰে আৰু সমল ব্যক্তিগৰাকীয়ে সেইসমূহৰ বিষয়ে সহজ আৰু বোধগম্যভাৱে ব্যাখ্যা আগবঢ়ায়। ফলত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ নিয়মীয়া পাঠ্যক্ৰমৰ সমান্তৰাল ভাৱে অনলাইন দক্ষতা বিকাশমূলক পাঠ্যক্ৰম গ্ৰহণ কৰি নিজৰ জ্ঞান আৰু যোগ্যতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত এক স্পষ্ট ধাৰণা লাভ কৰে। মূলতঃ মহাবিদ্যালয়ৰ প্ৰথম আৰু তৃতীয় ষাণ্মাসিকৰ বাণিজ্য শাখাৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে আয়োজিত এই কাৰ্যসূচীৰ জৰিয়তে তেওঁলোকক বৰ্তমান সময়ৰ চাহিদাৰ সৈতে সংগতি ৰাখি নতুন নতুন দক্ষতা আহৰণৰ প্ৰতি উৎসাহিত কৰা হয়। বাণিজ্য শিক্ষাৰ সৈতে পৰ্যটন ব্যৱস্থাপনা, ডিজিটেল শিক্ষা আৰু দক্ষতা বিকাশৰ দৰে সমসাময়িক বিষয়সমূহৰ সংযোগ স্থাপনৰ ক্ষেত্ৰতো এই কাৰ্যসূচীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অনুষ্ঠানৰ সামৰণিত অধ্যক্ষ ড° জয়দেব গগৈয়ে দক্ষতা বিকাশ কোষৰ এই পদক্ষেপৰ শলাগ লয়। ছাত্ৰ-ছাত্ৰীসকলৰ সামগ্ৰিক বিকাশ, দক্ষতা বৃদ্ধি আৰু ভৱিষ্যৎ কৰ্মজীৱনৰ বাবে তেওঁলোকক অধিক প্ৰস্তুত কৰি তোলাৰ উদ্দেশ্যে মহাবিদ্যালয়খনত আগন্তুক দিনত অধিক নতুন আৰু সময়োপযোগী কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি তেওঁ সদৰি কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দক্ষতা বিকাশ, অনলাইন শিক্ষাৰ প্ৰসাৰ আৰু কৰ্মমুখী শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধিৰ ক্ষেত্ৰত এই অনুষ্ঠানটোৱে এক ইতিবাচক পদক্ষেপ হিচাপে বিশেষ তাৎপৰ্য বহন কৰে।

ছয়গাঁৱত হিট এণ্ড ৰানৰ ঘটনা-অকালতে শেষ হৈ গ'ল এটা সম্ভাৱনা

শোকাৱহ দুৰ্ঘটনাত প্ৰাণ গ'ল মেধাৱী ছাত্ৰ বিমান বিকাশ কেশৱৰ

অসম বাৰ্তা, ছয়গাঁও, ২৯ ছেপ্টেম্বৰ ঃ দক্ষিণ কামৰূপৰ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত ছয়গাঁৱত পুনৰ সংঘটিত হৈছে শোকাৱহ দুৰ্ঘটনা। পলাশবাৰী সমষ্টিৰ ছয়গাঁৱৰ নিৰ্মিয়মান ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত দেওবাৰে নিশা পুনৰ সংঘটিত হয় এক ভয়ংকৰ দুৰ্ঘটনা। ছয়গাঁও ঢেকেনাবড়ী নিবাসী খাদী বোৰ্ডৰ অৱসৰপ্ৰাপ্ত বিষয়া গোপাল চন্দ্ৰ দাস আৰু নিলিমা দাসৰ একমাত্ৰ পুত্ৰ বিমান বিকাশ কেশৱে ঘৰৰ চালক এজনক ছয়গাঁৱলৈ AS-25, V-1805 নম্বৰৰ স্কুটি এখনেৰে থবলৈ গৈছিল। মানুহজনক নমাই থৈ ছাত্ৰজনে ছয়গাঁৱৰ এটা পেট্ৰোল পাম্পত তেল ভৰাই নিজ গতি পথেৰে ঘৰলৈ উভতি আহি আছিল। সেই সময়তে বিপৰীত দিশৰ পৰা বকো অভিমুখে তীব্ৰ বেগেৰে আহি থকা বাহন এখনে ছয়গাঁও চিনেমা হলৰ সন্মুখত মেধাৱী ছাত্ৰ বিমান বিকাশ কেশৱক মহতীয়াই নিয়ে। পিছে দুৰ্ভাগ্যজনক কথা এই যে দুৰ্ঘটনা সংঘটিত কৰা গাড়ীখনে ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ছয়গাঁৱৰ এই হিট এণ্ড ৰানৰ ঘটনাত অকালতে শেষ হৈ গ'ল এটা সম্ভাৱনা। ঘটনাৰ খবৰ পোৱাৰ কিছু সময় পিছতে ছয়গাঁও আৰক্ষী ঘটনাস্থলীত উপস্থিত হয়। ছয়গাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ ছাত্ৰজনক নিয়াৰ পিছত চিকিৎসকে আনুষ্ঠানিক ভাৱে ছাত্ৰজনক মৃত বুলি ঘোষণা কৰাৰ পিছত ছয়গাঁও আৰক্ষীয়ে থানাৰ শৱগৃহত নিশাটো ৰাখি পুৱা মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। অতি ভদ্ৰ, শান্ত, নম্ৰ, মেধাৱী ছাত্ৰজনৰ এই খবৰ পোৱা মাত্ৰকে অগণন গুণমুগ্ধই ভিৰ কৰে তেওঁৰ বাসগৃহত। এই ঘটনাই সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পেলাইছে। অৱশ্যে এই বাতৰি লিখা সময়লৈকে আৰক্ষীয়ে দুৰ্ঘটনা সংঘটিত কৰা গাড়ীখন ধৰিবলৈ সক্ষম হোৱা নাই।

মৰিগাঁও শিক্ষক সমাজৰ প্ৰশংসনীয় পদক্ষেপ

শিৱসাগৰত মিছন জ্ঞান-বন্যাৰ শুভাৰম্ভণি



অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২৯ ছেপ্টেম্বৰ ঃ বানে বিধ্বস্ত কৰা শিৱসাগৰ জিলাৰ শিক্ষাৰ্থী সকলৰ শৈক্ষিক ঘাটি পূৰণ কৰি আগুৱাই নিবলৈ মৰিগাঁও জিলা অধিবিদ্যা পৰিষদৰ উদ্যোগত তথা শিৱসাগৰ জিলা অধিবিদ্যা পৰিষদৰ সহযোগত মিছন জ্ঞান-বন্যা শীৰ্ষক এক শৈক্ষিক কাৰ্য্যক্ৰমৰ ছাব্বিশ চেপ্তেম্বৰত শিৱসাগৰ জিলাৰ ভাধৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত শুভাৰম্ভণি কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° অপূৰ্ব ঠাকুৰীয়াই কয় যে জিলাখনৰ সদ্য বানত অতি বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱা ভাধৰা আৰু নিমাইজান গাঁৱৰ নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলক সামৰি প্ৰয়োজনীয় শৈক্ষিক সমৰ্থন আগবঢ়াবলৈ মিছন জ্ঞান-বন্যা কাৰ্যসূচী লোৱা হৈছে আৰু এই কাৰ্যসূচীৰ অধীনত গাঁও দুখনক মৰিগাঁও জিলা অধিবিদ্যাৰ জৰিয়তে তুলি ল'বলৈ (Adopt) সিদ্ধান্ত লোৱা হৈছে। ভাষণ প্ৰসংগত ড° ঠাকুৰীয়াই মিছন জ্ঞান-বন্যাৰ আগন্তুক কাৰ্যসূচী সমূহ বৰ্ণনা কৰাৰ লগতে সেই সমূহৰ সফল ৰূপায়ণৰ বাবে প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়াবলৈ শিৱসাগৰ জিলাৰ শিক্ষা বিভাগৰ লগতে অধিবিদ্যা পৰিষদ, স্থানীয় ৰাইজ, অভিভাৱক তথা শৈক্ষিক সংস্থা সমূহ আগবাঢ়ি অহা বাবে সংশ্লিষ্ট সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি শিৱসাগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° সমীৰণ বৰাই মৰিগাঁও জিলাৰ অধিবিদ্যা পৰিষদে এনে সময়োপযোগী আৰু ব্যতিক্ৰমী শৈক্ষিক কাৰ্যসূচী শিৱসাগৰ জিলাৰ বানাক্ৰান্ত শিক্ষাৰ্থীৰ বাবে লোৱা বাবে কৃতজ্ঞতা জনোৱাৰ উপৰিও এনে কাৰ্যসূচীয়ে বানৰ বাবে ছাত্ৰ-ছাত্ৰী সকলৰ হোৱা শৈক্ষিক ঘাটি পূৰণত যথেষ্ট সহায়ক হ'ব বুলি কয়। তেওঁ মিছন জ্ঞান-বন্যা দুখন জিলাৰ শৈক্ষিক যুগলবন্দীৰে লোৱা এক অনন্য কাৰ্যসূচী বুলি উল্লেখ কৰি কয় যে এনে পদক্ষেপে যৌথভাৱে সমস্যা সমাধানৰ ক্ষেত্ৰত অইনৰ বাবেও বাটকটীয়াৰ ভূমিকা ল'ব। সভাত শিৱসাগৰ জিলাৰ অধিবিদ্যা পৰিষদৰ সম্পাদক উদয় দত্ত আৰু পিমশ্ৰী থানুৰাম গগৈ মেমোৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক তথা সদৌ অসম মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ সম্পাদক ব্ৰজেন চেতিয়াই নিজ নিজ ভাষণত মৰিগাঁও জিলা অধিবিদ্যা পৰিষদে লোৱা এনে আশাশুধীয়া প্ৰচেষ্টাৰ শলাগ লয়। মৰিগাঁও জিলা অধিবিদ্যা পৰিষদৰ কাৰ্যকৰী সভাপতি পৰেশ চন্দ্ৰ নাথে আঁত ধৰা অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰধান শিক্ষককে প্ৰমুখ্য কৰি জিলাখনৰ ভালেসংখ্যক শিক্ষক-কৰ্মচাৰী, অভিভাৱক, দুই শতাধিক ছাত্ৰ-ছাত্ৰী আৰু মৰিগাঁও জিলাৰ পোন্ধৰ জনীয়া শিক্ষক-কৰ্মচাৰীৰ দল এটি উপস্থিত থাকে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী সকলক প্ৰয়োজনীয় কিছু শৈক্ষিক সামগ্ৰী আৰু অভ্যসন কাৰ্যসূচী যোগে মৰিগাঁও জিলাই নৱম-দশম শ্ৰেণীৰ বাবে প্ৰস্তুত কৰা কাৰ্যপত্ৰ প্ৰদান কৰা হয়। উল্লেখ্য যে মিছন জ্ঞান-বন্যাৰ যোগেদি ভাধৰা আৰু নিমাইজান ৰাজহ গাঁৱৰ ১৪৪ নৱম-দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক মৰিগাঁও জিলাৰ অভিজ্ঞ শিক্ষকৰ জৰিয়তে মেণ্ট'ৰিঙৰ ব্যৱস্থা কৰা হ'ব।

সন্মিলনৰ ৬৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু সৌমাৰপীঠ মণ্ডলৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

অসম নাট্য সন্মিলনৰ ৬৫ সংখ্যক কেন্দ্ৰীয় মধ্যকালীন মাইথং অধিৱেশনৰ অভ্যৰ্থনা সমিতি গঠন



অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৯ ছেপ্টেম্বৰ ঃ সৈনিক শিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ নেতৃত্বত জন্মলাভ কৰা অসম একাংক নাট্য সন্মিলন সময়ৰ সোঁতত ৰূপান্তৰিত হৈ অসমৰ অন্যতম জাতীয় সংগঠনৰূপে পৰিচিত হৈ পৰা 'অসম নাট্য সন্মিলন'ৰ ৬৫ সংখ্যক কেন্দ্ৰীয় মধ্যকালীন অধিৱেশন আৰু একাংক নাট সমাৰোহখনি এইবাৰ আগন্তুক জানুৱাৰী মাহত অসম নাট্য সন্মিলন, সৌমাৰপীঠ মণ্ডলৰ অন্তৰ্গত তিনিচুকীয়া জিলাৰ মাইথং সূত্ৰধাৰ শাখা, ৰূপাই চাইডিং শাখা আৰু ডুমডুমা শাখাৰ যৌথ আতিথ্যত কাকপথাৰ ন-মাইথং গাঁৱত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সেই অনুসৰি উক্ত অধিৱেশনখনি সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ যোৱা ২৭ ছেপ্টেম্বৰত অনুষ্ঠিত এক ৰাজহুৱা সভাত এখন অভ্যৰ্থনা সমিতি গঠন কৰা হয়। কাকপথাৰৰ সমীপৰ ন-মাইথং গাঁওস্থিত সূত্ৰধাৰ নাট্য মঞ্চত অসম নাট্য সন্মিলনৰ সৌমাৰপীঠ মণ্ডলৰ সম্পাদক বিপুল ফুকনে আঁত ধৰা ৰাজহুৱা সভাখনত কাকপথাৰৰ নিবাসী বিশিষ্ট চিকিৎসক ডাঃ অজিত কুমাৰ বৰুৱাই সভাপতিত্ব কৰাৰ লগতে উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় অসম নাট্য সন্মিলনৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি জয়সূৰ্য বৰাই। ইয়াৰ পাছতে এই অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলাৰ ক্ষেত্ৰত কিদৰে পদক্ষেপ গ্ৰহণ কৰিব লাগিব সেই বিষয়ে উপস্থিত বহুকেইজন বিশিষ্ট ব্যক্তিয়ে পৰামৰ্শমূলক বক্তব্য আগবঢ়ায়। অসম নাট্য সন্মিলন, কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক ডায়মণ্ড পাটোৱাৰী কেন্দ্ৰীয় পৰ্য্যবেক্ষক হিচাপে উপস্থিত থকাৰ লগতে অসম নাট্য সন্মিলন, সৌমাৰপীঠ মণ্ডলৰ সভাপতি ৰমেন শৰ্মা, কাৰ্যকৰী সভাপতি সঞ্জীৱ বৰা, উপ-সভাপতি বীৰেন গগৈকে প্ৰমুখ্য কৰি বিষয়ববীয়াসকল, মণ্ডলৰ অন্তৰ্গত যোৰহাট, শিৱসাগৰ, চৰাইদেউ, ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ সভাপতি আৰু সম্পাদকসকল, সভাৰ আহ্বায়ক মাইথং সূত্ৰধাৰ শাখা, ৰূপাই চাইডিং শাখা আৰু ডুমডুমা শাখাৰ সভাপতি-সম্পাদক, বিষয়ববীয়াকে ধৰি স্থানীয় বিভিন্ন দল-সংগঠনৰ নেতৃত্ব আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। এই ৰাজহুৱা সভাই সৰ্ব্বসন্মতিক্ৰমে ৰাজীৱ লোচন বৰাক সভাপতি, মানৱ সোণোৱালক কাৰ্যকৰী সভাপতি আৰু বিপুল ফুকনক মুখ্য সম্পাদক হিচাপে লৈ এখন ৩৩ জনীয়া শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰি দিয়ে। নৱগঠিত অভ্যৰ্থনা সমিতিখনে আগন্তুক অসম নাট্য সন্মিলনৰ ৬৫ সংখ্যক কেন্দ্ৰীয় মধ্যকালীন অধিৱেশন আৰু একাংক নাট সমাৰোহখনি সাফল্যমণ্ডিত কৰি তোলাত সকলোৰে পূৰ্ণ সহযোগিতা কামনা কৰে। আনহাতে সৈনিক শিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ নেতৃত্বত ১৯৫৯ চনৰ ২৭ ছেপ্টেম্বৰত ডিব্ৰুগড় চহৰত জন্মলাভ কৰা অসম নাট্য সন্মিলনৰ ৬৭ সংখ্যক প্ৰতিষ্ঠা দিৱসটি তিনিচুকীয়া জিলাৰ অন্তৰ্গত মাইঠং সূত্ৰধাৰ শাখাৰ আতিথ্যত সূত্ৰধাৰ নাট্যমঞ্চৰ প্ৰাঙ্গণত অনুষ্টুপীয়াকৈ উদ্‌যাপন কৰে। সেই অনুসৰি পুৱা নাট্য সন্মিলনৰ পতাকা উত্তোলন কৰে সৌমাৰপীঠ মণ্ডলৰ সভাপতি ৰমেন শৰ্মাই। ইয়াৰ পাছতে অসম নাট্য সন্মিলনৰ দুই প্ৰতিষ্ঠাপক ক্ৰমে হাচান শ্বৰীফ আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিছবিৰ সম্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে ক্ৰমে সৌমাৰপীঠ মণ্ডলৰ কাৰ্যকৰী সভাপতি সঞ্জীৱ বৰা আৰু মাইথং সূত্ৰধাৰ শাখাৰ সভাপতি মানৱ সোণোৱালে। সৌমাৰপীঠ মণ্ডলৰ সম্পাদক বিপুল ফুকনে আঁত ধৰা এই অনুষ্ঠানত অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক ডায়মণ্ড পাটোৱাৰী, সাংগঠনিক সম্পাদক সাৰংগ নাথৰ লগতে সৌমাৰপীঠ মণ্ডলৰ অন্তৰ্গত তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাৰ বিষয়ববীয়া আৰু শাখাসমূহৰ প্ৰতিনিধি উপস্থিত থাকে। এই কাৰ্যসূচী অন্ত পৰাৰ পাছতেই সৌমাৰপীঠ মণ্ডলৰ সভাপতি ৰমেন শৰ্মাৰ পৌৰোহিত্যত সৌমাৰপীঠ মণ্ডলৰ বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভাখনি অনুষ্ঠিত হয়। সভাত সাংগঠনিক দিশসমূহৰ ওপৰত আলোচনা কৰাৰ লগতে সৌমাৰপীঠ মণ্ডলৰ মধ্যকালীন অধিৱেশনখনি এইবাৰ ডিব্ৰুগড় জিলাৰ ৰাজগড়ত অনুষ্ঠিত কৰাৰ লগতে অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় মধ্যকালীন অধিৱেশনখনি ডুমডুমা শাখা, ৰূপাই চাইডিং শাখা আৰু মাইথং সূত্ৰধাৰ শাখাৰ আতিথ্যত অনুষ্ঠিত কৰাৰ বিষয়ে আলোচনা কৰা হয়।

পানীতোলাত তিনিচুকীয়া জিলা সাহিত্য সভাৰ জিলা ভিত্তিক 'আকাশ' অনুষ্ঠান সম্পন্ন

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৯ ছেপ্টেম্বৰ ঃ তিনিচুকীয়া জিলা সাহিত্য সভাৰ উদ্যোগত, পানীতোলা স্বৰ্ণ শাখা সাহিত্য সভাৰ সহযোগত আৰু পানীতোলা নাৰী জাগৰণ মঞ্চৰ আতিথ্যত আজি পানীতোলা হিন্দী ইংলিছ হাইস্কুল প্ৰাঙ্গনত জিলাভিত্তিক 'আকাশ' অনুষ্ঠান অনুষ্ঠিত হয়। পুৱা পতাকা উত্তোলন কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়াই, স্মৃতি তৰ্পণ কৰে পানীতোলা স্বৰ্ণ শাখাৰ সভাপতি প্ৰবীণ দাসে। আনহাতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে নাৰী জাগৰণ মঞ্চৰ সভানেত্ৰী ৰিনিকি বৰুৱাই আৰু সংগীত সুধাকৰ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি বিজয়া বৰুৱাই। ইয়াৰ পিছতে 'আকাশ' অনুষ্ঠানটি আৰম্ভ হয়। অনুষ্ঠানৰ আৰম্ভণিতে পানীতোলা স্বৰ্ণ শাখাৰ শিল্পীসকলে 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতটি পৰিৱেশন কৰে। তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়াৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা কৰে জিলা সম্পাদক অৰূপ কুমাৰ চাংমাইয়ে। সভাত বন্তি প্ৰজ্বলন কৰে জিলা সাহিত্য সভাৰ উপ-সভাপতি চন্দ্ৰ কুমাৰ বৰুৱাই। অনুষ্ঠানটিৰ উদ্বোধন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক ড০ ঋস্বিতা শৰ্মাই। নিৰ্দিষ্ট বক্তা হিচাবে উপস্থিত থাকি বক্তৃতা প্ৰদান কৰে কবি-সাহিত্যিক তথা চিকিৎসক ডাঃ নিলাক্ষী চলিহা গগৈয়ে। সভাত সন্মানীয় অতিথি হিচাবে উপস্থিত থাকে অসম সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ সাংগঠনিক সম্পাদক সুনীল কুমাৰ গুৰুং, অসম সাহিত্য সভাৰ প্ৰচাৰ উপ-সমিতিৰ উপ-সভাপতি পুলক কুমাৰ গগৈ আৰু তিনিচুকীয়া জিলা সাহিত্য সভাৰ জিলা প্ৰতিনিধি মোহন মৰাণ। বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে মাকুম বিধানসভা সমষ্টি বিধায়ক সঞ্জয় কিষান। অনুষ্ঠানটি সঞ্চালনা কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ আকাশ উপ-সমিতিৰ কাৰ্যকৰী সভাপতি বিমলা বৰুৱাই। অনুষ্ঠানটি আঁত ধৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ জিলাভিত্তিক অনুষ্ঠান 'আকাশ'ৰ আহ্বায়িকা বৰ্ণালী ফুকন আৰু বুলবুলি বুঢ়াগোহাঁইয়ে। অনুষ্ঠানত তিনিচুকীয়া জিলা সাহিত্য সভাৰ অন্তৰ্গত প্ৰায়বোৰ শাখাৰ শিল্পীসকলে নৃত্য, গীত, কবিতা, গল্পৰে সজাই তোলে। শলাগৰ শৰাই আগবঢ়াই আদৰণি সমিতিৰ সম্পাদক জাহ্নৱী ফুকনে। অসম সংগীতেৰে অনুষ্ঠানৰ সামৰণি পৰে।

দিবৈ এফ চিক হৰুৱাই পৰৱৰ্তী ৰাউণ্ডলৈ সোণাৰী এফ.চি.

আমগুৰিৰ বৰবামত প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ শুভাৰম্ভ

অসম বাৰ্তা, চেলেংহাট, ২৯ ছেপ্টেম্বৰ ঃ আমগুৰিৰ বৰবাম চাহ বাগিচা মজদুৰ সাংঘ আৰু ক্ৰীড়া সন্থাৰ যৌথ উদ্যোগত বৰবাম বাগিচা খেল পথাৰত আজিৰেপৰা আৰম্ভ হৈছে প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা। প্ৰতিযোগিতাৰ উদ্বোধনী খেলত সোণাৰী ফুটবল ক্লাবে দিবৈ ফুটবল ক্লাবক ২-০ গোলত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ উন্নীত হৈছে। খেলৰ প্ৰথমাৰ্দ্ধত এটা গোলত অগ্ৰগতি লৈ দ্বিতীয়াৰ্দ্ধত দ্বিতীয়টি গ'লেৰে ব্যৱধান বৃদ্ধি কৰি সোণাৰী এফ চি দলে জয় নিশ্চিত কৰে। খেলৰ প্ৰাক মুহূৰ্তত বৰবাম চাহ বাগিচাৰ প্ৰবন্ধক অমৰ দীপ বৰাই আনুষ্ঠানিক ভাৱে প্ৰতিযোগিতাখনৰ শুভ উদ্বোধন কৰে। অনুষ্ঠানত সাংবাদিক হেমন্ত কুমাৰ বৰা, আমগুৰি থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল হাজৰিকা আৰু পোহৰৰ সভাপতি পল্লৱ জ্যোতি গগৈ উপস্থিত থাকে। খেলখনত ৰেফাৰীৰ দায়িত্ব পালন কৰে অখিল আহোম, নিৰ্মল নন্দী, ৰাজীৱ গগৈ আৰু ক্ৰান্তি খদালে।

কলগাছিয়াত ড্ৰাগছ সৰবৰাহকাৰীক আটক আৰক্ষীৰ

অসম বাৰ্তা, কুমুল্লী পাৰা, ২৯ ছেপ্টেম্বৰ ঃ ড্ৰাগছৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি কলগাছিয়া আৰক্ষীয়ে এগৰাকী সন্দেহযুক্ত ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হৈছে। আৰক্ষীৰ গোপন তথ্যৰ ভিত্তিত চলোৱা অভিযানত লোকজনক আটক কৰা হয় বুলি জানিব পৰা গৈছে। আৰক্ষীৰ সূত্ৰ অনুসৰি, আটকাধীন লোকজন দীৰ্ঘদিন ধৰি নিষিদ্ধ ড্ৰাগছৰ সৰবৰাহৰ সৈতে জড়িত থকাৰ সন্দেহ কৰা হৈছে। অভিযানকালত আৰক্ষীয়ে ড্ৰাগছৰ সৈতে জড়িত কিছু সামগ্ৰীও জব্দ কৰা বুলি জানিব পৰা গৈছে। আটকাধীন ব্যক্তিজনক সোধা-পোছা অব্যাহত ৰখাৰ লগতে সমগ্ৰ ঘটনাৰ সৈতে জড়িত আন ব্যক্তিসকলৰ সন্ধানতো আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। অঞ্চলটোত ড্ৰাগছৰ অবৈধ সৰবৰাহ আৰু ব্যৱহাৰৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান অধিক কঠোৰ কৰাৰ ইংগিত দিছে। আৰক্ষীৰ তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত ঘটনাটোৰ সৈতে জড়িত অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

অসম সাহিত্য সভাৰ আজীৱন সভ্য, প্ৰাক্তন ছাত্ৰ কৰ্মী, প্ৰাক্তন খেলুৱৈ, প্ৰয়াত ৰিণ্টুমনি দত্তৰ আদ্যশ্ৰাদ্ধত 'স্মৃতি পল্লৱ' উন্মোচন

অসম বাৰ্তা, নুমলীগড়, ২৯ ছেপ্টেম্বৰ ঃ প্ৰয়াত ৰিণ্টুমনি দত্তৰ আজি অনুষ্ঠিত আদ্যশ্ৰাদ্ধ উপলক্ষে নুমলীগড় ভাস্বতী শাখা সাহিত্য সভাৰ উদ্যোগত তেওঁৰ পৱিত্ৰ স্মৃতিত প্ৰকাশ কৰা এখন স্মৰণিকা 'স্মৃতি পল্লৱ' উন্মোচন কৰা হয়। নুমলীগড়ৰ এগৰাকী সৰবৰহী তথা সমাজ-সাহিত্য-সংস্কৃতিৰ সৈতে নিবিড়ভাৱে জড়িত ব্যক্তি হিচাপে পৰিচিত প্ৰয়াত ৰিণ্টুমনি দত্তৰ স্মৃতিক চিৰস্মৰণীয় কৰি ৰখাৰ উদ্দেশ্যে প্ৰকাশ কৰা এই স্মৰণিকাখন উন্মোচন কৰে নুমলীগড় শোধনাগাৰ লিমিটেডৰ জ্যেষ্ঠ মুখ্য মহাপ্ৰবন্ধক (মানৱ সম্পদ আৰু আইন) ড° কাজল শইকীয়া আৰু অৱসৰ প্ৰাপ্ত শিক্ষক বিশিষ্ট সাহিত্যিক সুৰেণ গগৈয়ে। উন্মোচনি অনুষ্ঠানত বৃহত্তৰ নুমলীগড় সংবাদ মঞ্চ, কমাৰগাঁও প্ৰেচক্লাব, নুমলীকুৰৰী আঞ্চলিক মইনা পাৰিজাত, শাশ্বতী লেখিকা সমাৰোহ সমিতিৰ বিষয়ববীয়া প্ৰমুখ্যে, বিশিষ্ট অতিথি আৰু ভকত বৈষ্ণৱ সমাজ উপস্থিত থাকে। উল্লেখযোগ্য যে, প্ৰয়াত ৰিণ্টুমনি দত্তৰ আকস্মিক বিয়োগে নুমলীগড় তথা কামাৰগাঁও অঞ্চলৰ সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনত গভীৰ শোকৰ ছাঁ পেলাইছিল। তেওঁ নুমলীগড় চাহ বাগিচাৰ কৰ্মচাৰী হিচাপে কৰ্মজীৱন অতিবাহিত কৰাৰ লগতে এগৰাকী প্ৰাক্তন খেলুৱৈ, সমাজকৰ্মী, সাহিত্য-সংস্কৃতি অনুৰাগী আৰু অসম সাহিত্য সভাৰ আজীৱন সভ্য হিচাপেও বিভিন্ন সামাজিক-সাংস্কৃতিক কাম-কাজৰ সৈতে জড়িত আছিল। প্ৰয়াত দত্তৰ সৈতে জড়িত লোকসকলৰ মতে, তেওঁৰ সৰলতা, সামাজিক দায়বদ্ধতা আৰু বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে তেওঁ নুমলীগড়-কামাৰগাঁও অঞ্চলৰ বহুজনৰ মাজত বিশেষভাৱে পৰিচিত আৰু প্ৰিয় আছিল। তেওঁৰ অকাল বিয়োগে পৰিয়ালৰ লগতে বন্ধু-বান্ধৱ, শুভাকাংক্ষী আৰু বৃহত্তৰ সমাজখনকো গভীৰভাৱে মৰ্মাহত কৰিছিল। এই পৰিপ্ৰেক্ষিতত নুমলীগড় ভাস্বতী শাখা সাহিত্য সভাই প্ৰকাশ কৰা 'স্মৃতি পল্লৱ' স্মৰণিকাখনে প্ৰয়াত ৰিণ্টু দত্তৰ জীৱন, ব্যক্তিত্ব, সামাজিক-সাংস্কৃতিক সম্পৰ্ক আৰু তেওঁৰ সৈতে জড়িত স্মৃতিসমূহ সংৰক্ষণৰ এক প্ৰয়াস হিচাপে তাৎপৰ্য বহন কৰিছে। আপোনাৰ প্ৰদান কৰা তথ্য অনুসৰি, স্মৰণিকাখনত তেওঁৰ পৱিত্ৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হৈছে। আদ্যশ্ৰাদ্ধৰ এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ড° কাজল শইকীয়া আৰু সাহিত্যিক সুৰেণ গগৈৰ দ্বাৰা 'স্মৃতি পল্লৱ' উন্মোচন কৰাটো প্ৰয়াত ৰিণ্টু দত্তৰ প্ৰতি সাহিত্য-সংস্কৃতি মহলৰ এক আন্তৰিক শ্ৰদ্ধাঞ্জলি হিচাপে বিবেচিত হৈছে। প্ৰয়াত ৰিণ্টুমনি দত্তৰ স্মৃতিৰ সৈতে জড়িত এই স্মৰণিকাখনে তেওঁৰ জীৱন আৰু কৰ্মৰাজি পৰৱৰ্তী প্ৰজন্মৰ বাবে সংৰক্ষণ কৰাৰ লগতে নুমলীগড়ৰ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনতো এক স্মৰণীয় সংযোজন হিচাপে পৰিগণিত বুলি আশা প্ৰকাশ কৰা হৈছে।

সম্পাদকীয়

ইতিহাস পাঠৰ নতুন দিগন্ত

অতীতৰ ঐতিহাসিক ঘটনাসমূহ কেৱল ঘটনাৱলীৰ তালিকা নহয়, ই হ'ল এটা জাতি বা সভ্যতাৰ স্বাভিমান, চেতনা আৰু অস্তিত্বৰ সংগ্ৰামৰ প্ৰতিফলন। শেহতীয়াকৈ ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে (NCERT) নৱম শ্ৰেণীৰ সমাজ বিজ্ঞানৰ দ্বিতীয় খণ্ডৰ পাঠ্যপুথি 'অণ্ডাৰষ্টেণ্ডিং ছ'চাইটি: ইণ্ডিয়া এণ্ড বিয়ণ্ড' মুকলি কৰিছে। এই নতুন পাঠ্যপুথিত সপ্তম শতিকাৰ পৰাই ভাৰতত হোৱা ভূখণ্ড সম্প্ৰসাৰণ আৰু ধৰ্মীয় উদ্দেশ্যৰ নিৰন্তৰ আক্ৰমণৰ ইতিহাস, আৰু তাৰ বিপৰীতে ভাৰতীয় শাসক তথা সম্প্ৰদায়সমূহৰ অবিৰত প্ৰতিৰোধক বিস্তৃতভাৱে উপস্থাপন কৰা হৈছে। এই পদক্ষেপে দেশৰ শিক্ষা ব্যৱস্থাত এক বস্তুনিষ্ঠ আৰু ভাৰতীয় দৃষ্টিভংগীৰ ইতিহাস চৰ্চাৰ নতুন বাৰ্তা কঢ়িয়াই আনিছে।

পাঠ্যপুথিখনৰ 'প্ৰতিৰোধ আৰু স্থিতিস্থাপকতা' (Resistance and Resilience) শীৰ্ষক অধ্যায়টো বিশেষভাৱে মন কৰিবলগীয়া। ইয়াত আৰব, তুৰ্কী, মোগল আৰু ইউৰোপীয় শক্তিৰ বিৰুদ্ধে ভাৰতৰ বিভিন্ন প্ৰান্তত গঢ়ি উঠা ঐতিহাসিক প্ৰতিৰোধৰ সংগ্ৰামক প্ৰাপ্য মৰ্যাদা দিয়া হৈছে। সপ্তম শতিকাত আৰব বাহিনীৰ প্ৰাৰম্ভিক আক্ৰমণক মালৱা, ৰাজস্থান, ডেকান আৰু কাশ্মীৰৰ শাসকসকলে কেনেদৰে প্ৰতিহত কৰিছিল, তাৰ পৰা আৰম্ভ কৰি গজনীৰ মাহমুদৰ আক্ৰমণ, জাঁটসকলৰ অৰ্থনৈতিক শোষণ বিৰোধী ঐতিহাসিক বিদ্ৰোহ, শিখ গুৰুসকলৰ অসামান্য ত্যাগ আৰু শ্বহীদত্বৰ কাহিনী ইয়াত প্ৰাধান্য পাইছে। অসমৰ ইতিহাসৰ গৌৰৱোজ্জ্বল অধ্যায় ১৬৭১ চনৰ শৰাইঘাটৰ যুদ্ধ আৰু আহোমৰ অজেয় প্ৰতিৰোধৰ লগতে ১৫৮২ চনৰ দেৱাইৰৰ যুদ্ধৰ উল্লেখ অন্তৰ্ভুক্ত কৰাটো সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এক অত্যন্ত ইতিবাচক পদক্ষেপ। ইয়াৰ দ্বাৰা ৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতীয় ইতিহাসৰ আঞ্চলিক সমতা সুনিশ্চিত কৰাৰ এটা আন্তৰিক প্ৰয়াস প্ৰত্যক্ষ হৈছে।

যিকোনো শৈক্ষিক সালসলনিয়েই সমাজত বিভিন্ন প্ৰশ্ন আৰু চৰ্চাৰ জন্ম দিয়ে। এই ক্ষেত্ৰতো সাধাৰণ ৰাইজ আৰু বুদ্ধিজীৱী মহলৰ মনত কেইবাটাও প্ৰশ্নৰ উত্থাপন হৈছে। প্ৰথমতে, শিক্ষা বৰ্ষ আৰম্ভ হোৱাৰ ছমাহৰ পিছতহে এই দ্বিতীয় খণ্ডৰ পুথিখন ছাত্ৰ-ছাত্ৰীৰ হাতত পৰাত পাঠ্যক্ৰম সম্পূৰ্ণ কৰাক লৈ শিক্ষক আৰু শিক্ষাৰ্থীসকল উদ্বিগ্ন হৈ পৰিছে। সময়মতে পাঠ্যপুথি যোগান নধৰাটোৱে শৈক্ষিক নিয়মানুৱৰ্তিতাত ব্যাঘাত জন্মাইছে নেকি, সেই প্ৰশ্ন উত্থাপন হৈছে।

দ্বিতীয়তে, সঘনাই পাঠ্যপুথিৰ ইতিহাস সলনি কৰাক লৈ সমাজৰ এটা অংশত চিন্তাৰ খোৰাক যোগাইছে। বহুতৰে মনত প্ৰশ্ন উঠিছে- ই ইতিহাসৰ সত্য আৰু বস্তুনিষ্ঠ পুনৰীক্ষণ নে ৰাজনৈতিক দৃষ্টিভংগীৰ প্ৰভাৱিত কৰা সালসলনি? অৱশ্যে পাঠ্যপুথিখনত স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে এই সমগ্ৰ সময়ছোৱা কেৱল সংঘাত আৰু আক্ৰমণৰে কাহিনী নহয়, ই সংঘাত আৰু সামাজিক-সাংস্কৃতিক সহযোগিতা- দুয়োৰে এক জটিল সমীকৰণ। প্ৰতিৰোধ আৰু স্থিতিস্থাপকতাই কেনেকৈ ভাৰতীয় সমাজক নিৰন্তৰ বচাই ৰাখিলে, সেই ধাৰণা ছাত্ৰ-ছাত্ৰীক বুজোৱাটোৱে ইতিহাসৰ এক ভাৰসাম্যপূৰ্ণ ধাৰণা গঢ়াত সহায় কৰিব।

ইতিহাস অধ্যয়নৰ উদ্দেশ্য কাৰোবাৰ প্ৰতি বিদ্বেষ ভাব ওপজাই তোলা নহয়, বৰঞ্চ অতীতৰ ভুল-শুদ্ধৰ পৰা শিক্ষাগ্ৰহণ কৰি বৰ্তমান আৰু ভৱিষ্যতক সবল কৰাহে। জাতীয় নায়কসকলৰ প্ৰতিৰোধ আৰু ত্যাগৰ গাথা ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ মূলসুঁতিত স্থান পোৱাটো নিঃসন্দেহে আদৰণীয়। কিন্তু একে সময়তে মনত ৰখা উচিত যে পাঠ্যপুথিত নতুন তথ্য সংযোজন কৰোঁতে যেন ঐতিহাসিক সত্য আৰু গঠনমূলক মূল্যবোধ অক্ষুণ্ণ থাকে। ছাত্ৰ-ছাত্ৰীক কেৱল সংঘাতৰ দৃষ্টিকোণেৰে নাচাই, আমাৰ সমৃদ্ধ অতীজৰ আত্মবিশ্বাস আৰু স্থিতিস্থাপকতাৰ শিক্ষাৰে সজাগ নাগৰিক কৰি গঢ়ি তোলাটোহে নতুন পাঠ্যপুথিখনৰ প্ৰকৃত সফলতা হ'ব।

আন্তঃৰাষ্ট্ৰীয় বাণিজ্য আৰু অসম

থলুৱা উদ্যোগৰ পৰা বিশ্বৰ বজাৰলৈ



চন্দন কুমাৰ নাথ

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ দুৱাৰদলি হিচাপে পৰিচিত অসম, ভৌগোলিক আৰু অৰ্থনৈতিক দুয়ো দিশৰ পৰাই এক গুৰুত্বপূৰ্ণ অৱস্থানত অৱস্থিত। ঐতিহাসিকভাৱে অসম এখন চহকী আৰু স্বাৱলম্বী ৰাজ্য আছিল, য'ত ব্ৰহ্মপুত্ৰ নদীক কেন্দ্ৰ কৰি এক শক্তিশালী নদীকেন্দ্ৰিক অৰ্থনীতি গঢ় লৈ উঠিছিল। ব্ৰিটিছ শাসনকালত অসমৰ চাহ, তেল আৰু কয়লা বিশ্বৰ বিভিন্ন প্ৰান্তলৈ ৰপ্তানি হৈছিল যদিও পৰৱৰ্তী সময়ত দেশ বিভাজনৰ ফলত অসমৰ পৰিবহণ আৰু যোগাযোগ ব্যৱস্থাত এক বৃহৎ আঘাত পৰে, যাৰ ফলত ৰাজ্যখনৰ ৰপ্তানি অৰ্থনীতি বহুলাংশে স্থবিৰ হৈ পৰে। অৱশ্যে, সাম্প্ৰতিক সময়ত পৰিস্থিতিৰ দ্ৰুত পৰিৱৰ্তন ঘটিছে। ৰাজ্যখনে কেৱল ভাৰতৰ ভিতৰতে নহয়, বৰঞ্চ সমগ্ৰ দক্ষিণ-পূব এছিয়াৰ এক প্ৰধান বাণিজ্যিক আৰু ৰপ্তানি কেন্দ্ৰলৈ ৰূপান্তৰিত হোৱাৰ দিশত দৃঢ়তাৰে অগ্ৰসৰ হৈছে। বিশেষকৈ ভাৰত চৰকাৰৰ 'এক্ট ইষ্ট' নীতিৰ সফল ৰূপায়ণৰ ফলশ্ৰুতিত অসম এতিয়া আৰু এক আৱদ্ধ ভূ-খণ্ড হৈ থকা নাই, বৰঞ্চ ই আছিয়ান (ASEAN) আৰু বিমষ্টেক (BIMSTEC) দেশসমূহলৈ যোৱাৰ এক সুগম আৰু কৌশলগত পথ হিচাপে পৰিগণিত হৈছে। শেহতীয়াকৈ গুৱাহাটীত অনুষ্ঠিত হোৱা 'এডভাণ্টেজ আছাম ২.০' সন্মিলনত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ. জয়শংকৰে স্পষ্টভাৱে উল্লেখ কৰিছে যে অসমে 'এক্টইষ্ট' নীতিৰ এক শক্তিশালী কেন্দ্ৰবিন্দু হিচাপে কাম কৰিব পাৰে। এই সম্ভাৱনা কেৱল ৰাজনৈতিক ঘোষণাতে আৱদ্ধ হৈ থকা নাই, ইয়াৰ আঁৰত আছে ৰাজ্যখনৰ প্ৰচুৰ প্ৰাকৃতিক সম্পদ, কৃষিভিত্তিক সামগ্ৰীৰ বৈচিত্ৰ্য আৰু শেহতীয়াকৈ আৰম্ভ হোৱা বৃহৎ ঔদ্যোগিক আন্তঃগাঁথনিৰ বিকাশ। এই সকলোবোৰ কাৰক একত্ৰিত কৰি অসমে কেনেদৰে নিজকে এক শক্তিশালী ৰপ্তানি কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰিব পাৰে, সেয়া বৰ্তমান সময়ৰ এক গুৰুত্বপূৰ্ণ আলোচ্য বিষয়।

অসমৰ অৰ্থনীতিৰ মূল মেৰুদণ্ড হৈছে কৃষি আৰু চাহ উদ্যোগ। পৰিসংখ্যা অনুসৰি বৰ্তমানো অসমৰ সামগ্ৰিক ৰপ্তানিৰ প্ৰায় ৫০ শতাংশই আহে কেৱল চাহ উদ্যোগৰ পৰা। অসমৰ চাহে নিজৰ সুকীয়া সোৱাদ আৰু গুণাগুণৰ বাবে আন্তঃৰাষ্ট্ৰীয় বজাৰত এক সুকীয়া স্থান দখল কৰি আহিছে। শেহতীয়াকৈ অসম চৰকাৰে চাহৰ ৰপ্তানি আৰু অধিক বৃদ্ধি কৰাৰ উদ্দেশ্যে 'অসম চাহ উদ্যোগ বিশেষ উদগনিমূলক আঁচনি' (ATISIS)ৰ এক গুৰুত্বপূৰ্ণ সংশোধন ঘটাইছে। এই সংশোধিত আঁচনিৰ অধীনত গুৱাহাটী চাহ নিলাম কেন্দ্ৰৰ জৰিয়তে ৰপ্তানি হোৱা উন্নত মানৰ চিটিচি (CTC) চাহৰ বাবে প্ৰতি কিলোগ্ৰামত ৩ টকাকৈ ৰাজসাহায্য প্ৰদানৰ কথা ঘোষণা কৰা হৈছে। এই পদক্ষেপে বিশেষকৈ লজিষ্টিক আৰু পৰিবহণৰ বৰ্ধিত ব্যয় হ্ৰাস কৰি অসমৰ চাহক বিশ্বৰ বজাৰত অধিক প্ৰতিযোগিতামূলক কৰি তুলিব বুলি আশা কৰা হৈছে। তদুপৰি, আন্তঃৰাষ্ট্ৰীয় বজাৰত ব্যাপক চাহিদা থকা অৰ্থড' আৰু স্পেচিয়েলিটী চাহৰ উৎপাদন ৰাজসাহায্যও প্ৰতি কিলোগ্ৰামত ১০ টকাৰ পৰা ১৫ টকালৈ বৃদ্ধি কৰা হৈছে, যিয়ে চাহ খেতিয়কসকলক উচ্চমানৰ চাহ উৎপাদনত বিশেষভাৱে উৎসাহিত কৰিব। আনকি মাচা (Matcha) চাহকো এই আঁচনিৰ অন্তৰ্ভুক্ত কৰি ৰপ্তানিৰ পৰিসৰ বৃদ্ধিৰ প্ৰয়াস কৰা হৈছে। কিন্তু অৰ্থনৈতিক বিশ্লেষকসকলৰ মতে, কেৱল চাহৰ ওপৰতে নিৰ্ভৰশীল হৈ থাকিলে ৰাজ্যখনৰ ৰপ্তানি খণ্ডৰ সামগ্ৰিক আৰু সুৰক্ষিত বিকাশ সম্ভৱ নহয়। নীতি আয়োগৰ ২০২৪ বৰ্ষৰ 'ৰপ্তানি প্ৰস্তুতি সূচকাংক' প্ৰতিবেদনত স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে অসমে নিজৰ ৰপ্তানি সামগ্ৰীৰ বৈচিত্ৰ্য্য বৃদ্ধি কৰাৰ অত্যন্ত প্ৰয়োজন আছে, কিয়নো কেৱল চাহৰ ওপৰত অতিমাত্ৰা নিৰ্ভৰশীলতাই গোলকীয় বজাৰৰ মূল্যৰ উঠা-নমা আৰু জলবায়ু পৰিৱৰ্তনৰ সময়ত ৰাজ্যখনৰ অৰ্থনীতিক বিপদাপন্ন কৰি তুলিব পাৰে।

> *পৰম্পৰাগত ৰপ্তানি সামগ্ৰী যেনে চাহ, মৰাপাট আৰু কয়লাৰ সমান্তৰালভাৱে অসমে এতিয়া আধুনিক আৰু উচ্চ প্ৰযুক্তিবিদ্যাৰ উদ্যোগৰ দিশতো এক দৃঢ় খোজ পেলাইছে, যিটো ৰাজ্যখনৰ ৰপ্তানি অৰ্থনীতিৰ বাবে সঁচাকৈয়ে এক নতুন যুগৰ সূচনা বুলি ক'ব পাৰি। শেহতীয়াকৈ জাগীৰোডত টাটা গ্ৰুপৰ উদ্যোগত প্ৰায় ২৭, ০০০ কোটি টকাৰ বিশাল ব্যয় সাপেক্ষে স্থাপন হ'বলগীয়া ছেমিকণ্ডাক্টৰ এচেম্বলী আৰু টেষ্টিং প্ৰকল্পই সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ঔদ্যোগিক আৰু বিনিয়োগৰ মানচিত্ৰ সম্পূৰ্ণৰূপে সলনি কৰি পেলাব। এই মেগা প্ৰকল্পৰ জৰিয়তে উৎপাদিত ছেমিকণ্ডাক্টৰ সামগ্ৰীসমূহ ভৱিষ্যতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ ৰপ্তানি হোৱাৰ প্ৰচুৰ সম্ভাৱনা আছে। ইয়াৰ ফলত ৰাজ্যখনত প্ৰায় ২৭,০০০ তকৈও অধিক প্ৰত্যক্ষ আৰু পৰোক্ষ সংস্থাপনৰ সৃষ্টি হোৱাৰ লগতে অসম এক পৰম্পৰাগত কৃষিভিত্তিক ৰাজ্যৰ পৰা উত্তৰণ ঘটি এক উচ্চ প্ৰযুক্তিৰ গোলকীয় ৰপ্তানি কেন্দ্ৰলৈ ৰূপান্তৰিত হ'ব। একেদৰে নুমলীগড়ত শেহতীয়াকৈ স্থাপন কৰা ভাৰতৰ প্ৰথমটো বাঁহ ভিত্তিক জৈৱ-শোধনাগাৰে নৱীকৰণযোগ্য শক্তি, জৈৱ-ইথানল আৰু পৰিৱেশ অনুকূল সামগ্ৰীৰ ৰপ্তানিত এক নতুন আৰু বহনক্ষম দিগন্তৰ সূচনা কৰিব।*


কৃষি খণ্ডত অসমৰ সম্ভাৱনা সঁচাই অসীম। অসমৰ মাটিৰ উৰ্বৰতা আৰু অনুকূল জলবায়ুৰ বাবে ইয়াত উৎপাদিত বিভিন্ন কৃষিজাত সামগ্ৰীয়ে বিশ্বজুৰি সমাদৰ লাভ কৰিব পাৰে। কাজি নেমু, জহা চাউল, তেজপুৰৰ লিচু, আৰু বাও ধানৰ দৰে ভৌগোলিক সূচক (GI) প্ৰাপ্ত সামগ্ৰীসমূহৰ আন্তঃৰাষ্ট্ৰীয় বজাৰত যথেষ্ট চাহিদা আছে। শেহতীয়াকৈ ছিংগাপুৰলৈ তেজপুৰৰ লিচুৰ আৰু মধ্যপ্ৰাচ্যলৈ অন্যান্য কৃষিজাত সামগ্ৰীৰ সফল বাণিজ্যিক ৰপ্তানিয়ে প্ৰমাণ কৰিছে যে উপযুক্ত বজাৰ সংযোগ আৰু বিজ্ঞানসন্মত পেকেজিঙৰ সুবিধা লাভ কৰিলে অসমৰ কৃষি সামগ্ৰীয়ে বিশ্বৰ যিকোনো প্ৰান্তৰ গ্ৰাহকক আকৰ্ষণ কৰিব পাৰে। কিন্তু এই বিপুল সম্ভাৱনাক বাস্তৱত ৰূপ দিবলৈ হ'লে আন্তঃগাঁথনিগত কিছুমান মৌলিক আৰু জৰুৰী পৰিৱৰ্তনৰ প্ৰয়োজন। নীতি আয়োগৰ শেহতীয়া প্ৰতিবেদন অনুসৰি অসমত বৰ্তমানো পৰ্যাপ্ত পৰিমাণৰ শীত-তাপ নিয়ন্ত্ৰিত ভঁৰাল, অত্যাধুনিক গুদাম আৰু মূল্য সংযোজিত লজিষ্টিক আন্তঃগাঁথনিৰ বৃহৎ অভাৱ দেখা গৈছে। আটাইতকৈ চিন্তনীয় বিষয়টো হ'ল অসমত কৃষি সামগ্ৰী আৰু চাহৰ আন্তঃৰাষ্ট্ৰীয় মানদণ্ড আৰু গুণাগুণ পৰীক্ষা কৰিবলৈ পৰ্যাপ্ত NABL (National Accreditation Board for Testing and Calibration Laboratories) স্বীকৃতিপ্ৰাপ্ত আৰু ৰপ্তানি পৰিদৰ্শন পৰিষদৰ দ্বাৰা অনুমোদিত পৰীক্ষাগাৰৰ অভাৱ। ইয়াৰ ফলত ৰাজ্যখনৰ কৃষক আৰু ৰপ্তানিকাৰীসকলে কলকাতা বা হায়দৰাবাদৰ দৰে বহিঃৰাজ্যৰ পৰীক্ষাগাৰৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়, যিয়ে কেৱল সময়ৰ অপচয় কৰাই নহয়, বৰঞ্চ পৰিবহণ আৰু প্ৰমাণপত্ৰ লাভৰ ব্যয়ো বহুগুণে বৃদ্ধি কৰে। ৰাজ্য চৰকাৰে এই দিশত জৰুৰীভাৱে গুৰুত্ব প্ৰদান কৰি অসমৰ ভিন্ন প্ৰান্তত বিশ্বমানৰ পৰীক্ষাগাৰ স্থাপন কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। লজিষ্টিক আৰু পৰিবহণ ব্যৱস্থা হৈছে যিকোনো সফল ৰপ্তানি কেন্দ্ৰৰ বাবে জীৱনৰেখা স্বৰূপ। অসমৰ মাজেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ (ৰাষ্ট্ৰীয় জলপথ-২) আৰু বৰাক (ৰাষ্ট্ৰীয় জলপথ-১৬) নদীয়ে ৰাজ্যখনক চুবুৰীয়া দেশ বাংলাদেশৰ মাজেৰে বংগোপসাগৰৰ সৈতে সংযোগ কৰাৰ এক প্ৰাকৃতিক আৰু ব্যয়সাশ্ৰয়ী জলপথ প্ৰদান কৰিছে। বৰ্তমান ভাৰত আৰু বাংলাদেশৰ মাজত স্বাক্ষৰিত হোৱা আভ্যন্তৰীণ জল পৰিবহণ আৰু বাণিজ্য প্ৰট'কলৰ অধীনত বাংলাদেশৰ চট্টগ্ৰাম আৰু মংলা বন্দৰলৈ অসমৰ পৰা সামগ্ৰী প্ৰেৰণৰ সুবিধা মুকলি হোৱাৰ লগে লগে সামগ্ৰী ৰপ্তানিৰ ব্যয় বহু পৰিমাণে হ্ৰাস পাইছে আৰু সময়ৰো ৰাহি হৈছে। ইয়াৰ উপৰিও ভাৰত-ম্যানমাৰ-থাইলেণ্ড ত্ৰিপাক্ষিক ঘাইপথৰ দৰে উচ্চাকাংক্ষী আন্তঃৰাষ্ট্ৰীয় পথ প্ৰকল্পই অসমক স্থলপথেৰে দক্ষিণ-পূব এছিয়াৰ বজাৰৰ সৈতে পোনপটীয়াকৈ সংযোগ কৰিব, যিয়ে পথ পৰিবহণৰ জৰিয়তে ৰপ্তানিৰ এক নতুন দিগন্ত মুকলি কৰিব। তদুপৰি ৰাজ্যৰ যোগীঘোপা আৰু অন্যান্য স্থানত নিৰ্মীয়মাণ মাল্টি-মডেল লজিষ্টিক পাৰ্কসমূহৰ জৰিয়তে পথ, ৰেল আৰু জলপথৰ এক সুসমন্বিত ব্যৱস্থা গঢ়ি তোলাৰ প্ৰয়াস চলিছে, যিয়ে কৃষিজাত আৰু ঔদ্যোগিক সামগ্ৰীৰ দ্ৰুত আৰু নিৰাপদ পৰিবহণ নিশ্চিত কৰিব। আনহাতে, ব্ৰিটিছৰ দিনতে নিৰ্মিত ঐতিহাসিক ষ্টিলৱেল পথৰ দৰে পথসমূহৰ ভৱিষ্যতে পুনৰুজ্জীৱন ঘটাব পাৰিলে অসম আৰু চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ মাজত অভূতপূৰ্ব বাণিজ্যিক যোগাযোগ স্থাপন হোৱাৰ থল আছে। তথাপিও, নীতি আয়োগে আঙুলিয়াই দিছে যে যান-জঁট, লজিষ্টিক খণ্ডৰ সীমাবদ্ধতা, আৰু উদ্যোগসমূহৰ বাবে প্ৰয়োজনীয় নিৰৱচ্ছিন্ন শক্তি যোগানৰ অভাৱে আজিও ৰাজ্যখনৰ ঔদ্যোগিক আৰু ৰপ্তানি বিকাশত বাধাৰ সৃষ্টি কৰিছে। এই গুৰুতৰ বাধাসমূহ অতিক্ৰম কৰিবলৈ চৰকাৰে কেৱল আন্তঃগাঁথনি নিৰ্মাণৰ সমান্তৰালভাৱে নহয়, বৰঞ্চ ডিজিটেল প্ৰযুক্তিৰ ব্যৱহাৰ বৃদ্ধি আৰু ৰপ্তানি সম্পৰ্কীয় নথিপত্ৰ প্ৰস্তুতকৰণ প্ৰক্ৰিয়াৰ দ্ৰুত সৰলীকৰণতো গুৰুত্ব দিব লাগিব।

পৰম্পৰাগত ৰপ্তানি সামগ্ৰী যেনে চাহ, মৰাপাট আৰু কয়লাৰ সমান্তৰালভাৱে অসমে এতিয়া আধুনিক আৰু উচ্চ প্ৰযুক্তিবিদ্যাৰ উদ্যোগৰ দিশতো এক দৃঢ় খোজ পেলাইছে, যিটো ৰাজ্যখনৰ ৰপ্তানি অৰ্থনীতিৰ বাবে সঁচাকৈয়ে এক নতুন যুগৰ সূচনা বুলি ক'ব পাৰি। শেহতীয়াকৈ জাগীৰোডত টাটা গ্ৰুপৰ উদ্যোগত প্ৰায় ২৭, ০০০ কোটি টকাৰ বিশাল ব্যয় সাপেক্ষে স্থাপন হ'বলগীয়া ছেমিকণ্ডাক্টৰ এচেম্বলী আৰু টেষ্টিং প্ৰকল্পই সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ঔদ্যোগিক আৰু বিনিয়োগৰ মানচিত্ৰ সম্পূৰ্ণৰূপে সলনি কৰি পেলাব। এই মেগা প্ৰকল্পৰ জৰিয়তে উৎপাদিত ছেমিকণ্ডাক্টৰ সামগ্ৰীসমূহ ভৱিষ্যতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ ৰপ্তানি হোৱাৰ প্ৰচুৰ সম্ভাৱনা আছে। ইয়াৰ ফলত ৰাজ্যখনত প্ৰায় ২৭,০০০ তকৈও অধিক প্ৰত্যক্ষ আৰু পৰোক্ষ সংস্থাপনৰ সৃষ্টি হোৱাৰ লগতে অসম এক পৰম্পৰাগত কৃষিভিত্তিক ৰাজ্যৰ পৰা উত্তৰণ ঘটি এক উচ্চ প্ৰযুক্তিৰ গোলকীয় ৰপ্তানি কেন্দ্ৰলৈ ৰূপান্তৰিত হ'ব। একেদৰে নুমলীগড়ত শেহতীয়াকৈ স্থাপন কৰা ভাৰতৰ প্ৰথমটো বাঁহ ভিত্তিক জৈৱ-শোধনাগাৰে নৱীকৰণযোগ্য শক্তি, জৈৱ-ইথানল আৰু পৰিৱেশ অনুকূল সামগ্ৰীৰ ৰপ্তানিত এক নতুন আৰু বহনক্ষম দিগন্তৰ সূচনা কৰিব। তদুপৰি, অসমৰ স্বকীয় পৰিচয় বহন কৰা মুগা আৰু এৰী সূতাৰ দৰে হস্তভঁাত আৰু হস্তশিল্প সামগ্ৰীৰ বিশ্বজোৰা বজাৰত এক বিশেষ আৰু বিলাসী সামগ্ৰী হিচাপে ব্যাপক চাহিদা আছে। এই বস্ত্ৰ উদ্যোগটোৱে উপযুক্ত ব্ৰেণ্ডিং, প্ৰামাণীকৰণ আৰু আধুনিক ফেশ্বন আৰ্হিৰ সংমিশ্ৰণ লাভ কৰিলে অসমৰ ৰপ্তানি খণ্ডলৈ এক অভূতপূৰ্ব আৰু বহুমূলীয়া অৱদান আগবঢ়াব পাৰে। অসমক এক প্ৰকৃত আৰু সৰ্বাংগীণ ৰপ্তানি কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ হ'লে কেৱল বৃহৎ পুঁজিপতি আৰু বৃহৎ উদ্যোগৰ ওপৰত নিৰ্ভৰ কৰিলেই কেতিয়াও নহ'ব, বৰঞ্চ ৰাজ্যখনৰ চুকে-কোণে সিঁচৰতি হৈ থকা সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহকো সমানে আৰু সক্ৰিয়ভাৱে উৎসাহিত কৰিব লাগিব। ৰাজ্যখনৰ প্ৰায়বোৰ কৃষিজাত, খাদ্য সংসাধন আৰু হস্তশিল্প সামগ্ৰী প্ৰধানকৈ এই ক্ষুদ্ৰ উদ্যোগসমূহৰ দ্বাৰাই উৎপাদিত হয়। কিন্তু বৰ্তমান সময়তো বেংকৰ পৰা সহজ চৰ্তত ঋণ পোৱাত থকা আমোলাতান্ত্ৰিক জটিলতা আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ প্ৰযুক্তিগত জ্ঞানৰ অভাৱে এই থলুৱা উদ্যোগসমূহৰ আশানুৰূপ বিকাশত বৃহৎ হেঙাৰৰ সৃষ্টি কৰিছে। সেয়েহে ৰাজ্য চৰকাৰে বিভিন্ন কেন্দ্ৰীয় বিত্তীয় প্ৰতিষ্ঠানসমূহৰ সৈতে সুচিন্তিত আলোচনা কৰি MSME খণ্ডৰ বাবে সহজ, বাধামুক্ত আৰু দ্ৰুত ঋণ প্ৰদানৰ এক ফলপ্ৰসূ ব্যৱস্থা কৰিব লাগিব। ইয়াৰ উপৰিও আন্তঃৰাষ্ট্ৰীয় বজাৰৰ কঠোৰ নীতি-নিয়ম, স্বাস্থ্যসন্মত পেকেজিং মানদণ্ড আৰু বৰ্তমানৰ প্ৰতিযোগিতামূলক ডিজিটেল বিপণনৰ বিষয়ে স্থানীয় উদ্যোগীসকলক প্ৰশিক্ষণ প্ৰদানৰ বাবে জিলা পৰ্যায়ত বিশেষ দক্ষতা বিকাশ আৰু ইনকিউবেশ্যন কেন্দ্ৰ স্থাপন কৰাটো অতি প্ৰয়োজনীয়। আনহাতে, প্ৰতি বছৰে হোৱা ভয়ংকৰ বানপানী আৰু গৰাখহনীয়াৰ ফলত ৰাজ্যখনৰ কৃষি আৰু ঔদ্যোগিক আন্তঃগাঁথনিৰ যি বৃহৎ ক্ষতিসাধন হয়, সেয়া ৰপ্তানি বাণিজ্যৰ বাবে এক অন্যতম প্ৰধান প্ৰত্যাহ্বান হিচাপে থিয় দিছে। বান নিয়ন্ত্ৰণৰ বাবে বিজ্ঞানসন্মত আৰু স্থায়ী সমাধান সূত্ৰ উলিওৱাটো ৰপ্তানি কেন্দ্ৰ গঢ়ি তোলাৰ প্ৰাথমিক চৰ্তসমূহৰ ভিতৰত অন্যতম। শেহতীয়াকৈ ছিংগাপুৰৰ দৰে উন্নত ৰাষ্ট্ৰৰ সৈতে নাৰ্ছিং দক্ষতা বিকাশ আৰু নগৰ পৰিকল্পনাৰ ক্ষেত্ৰত স্বাক্ষৰিত হোৱা বুজাবুজিৰ চুক্তিসমূহে এই দিশত এক যোগাত্মক আৰু আশাৰ বতৰা কঢ়িয়াই আনিছে। মানৱ সম্পদৰ এনে সঠিক আৰু সময়োপযোগী বিকাশে ভৱিষ্যতে কেৱল সামগ্ৰীয়েই নহয়, সেৱা খণ্ডৰ ৰপ্তানিতো অসমক ভাৰতৰ ভিতৰতে এক আগশাৰীৰ ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰিব পাৰে।

সাম্প্ৰতিক বিশ্বায়নৰ যুগত অসমৰ এক শক্তিশালী ৰপ্তানি কেন্দ্ৰ হোৱাৰ সপোন কেৱল এক ৰাজনৈতিক শ্লোগান বা কল্পনা নহয়, বৰঞ্চ ই এক সঠিক পৰিকল্পনাৰে বাস্তৱায়িত কৰিব পৰা অৰ্থনৈতিক ভৱিষ্যত। প্ৰয়োজনীয় প্ৰায় সকলো প্ৰাকৃতিক আৰু কৌশলগত সমল— যেনে বিস্তীৰ্ণ সাৰুৱা ভূমি, প্ৰচুৰ প্ৰাকৃতিক আৰু খনিজ সম্পদ, ব্যৱহাৰোপযোগী জীৱন্ত জলপথ আৰু কেন্দ্ৰীয় চৰকাৰৰ 'এক্টইষ্ট' নীতিৰ দৰে শক্তিশালী নীতিগত সমৰ্থন বৰ্তমান ৰাজ্যখনৰ হাতত মজুত আছে। এতিয়া কেৱল প্ৰয়োজন হৈছে চৰকাৰী বিভাগসমূহৰ মাজত এক সুপৰিকল্পিত, দুৰ্নীতিমুক্ত আৰু সমন্বিত প্ৰয়াসৰ। নীতিনিৰ্ধাৰক, ঔদ্যোগিক খণ্ডৰ প্ৰতিনিধি, বেংকিং খণ্ড আৰু ৰাজ্যখনৰ পৰিশ্ৰমী কৃষক সমাজৰ এক সন্মিলিত প্ৰচেষ্টাত আন্তঃগাঁথনিৰ সাম্প্ৰতিক দুৰ্বলতাসমূহ দূৰ কৰি এক বিনিয়োগ-অনুকূল আৰু নিৰাপদ ব্যৱসায়িক পৰিৱেশ গঢ়ি তুলিব পাৰিলে অসমে নিশ্চিতভাৱে সমগ্ৰ ভাৰতবৰ্ষৰ অৰ্থনীতিত এক নতুন 'বিকাশৰ ইঞ্জিন' হিচাপে আত্মপ্ৰকাশ কৰিব আৰু বিশাল দক্ষিণ-পূব এছিয়াৰ বজাৰত এক অপ্ৰতিদ্বন্দ্বী আৰু শক্তিশালী প্ৰতিযোগী হিচাপে নিজৰ গৌৰৱোজ্জ্বল স্থান চিৰদিনৰ বাবে সুৰক্ষিত কৰিব পাৰিব।

পুৰণি কাকত সংগ্ৰহ ঃ এক ব্যতিক্ৰমী চখ

বহু তথ্য সম্বলিত বাতৰি কাকতখনে ভিন্ন ৰুচিৰ পাঠকৰ মনৰ তৃষ্ণা দূৰ কৰিব পাৰে। বহু জনৰ বাবে অৱসৰ সময়ৰ সংগী এই কাকতখন। ব্যস্ততাৰ বাবে খৰচি মাৰি পঢ়িবলৈ সময়-সুবিধা নোপোৱা বহুতে আকৌ সপ্তাহটোৰ অন্তত সকলোখিনি পঢ়িবলৈ বুলি উলিয়াই লয়। পুৱাৰ চাহ কাপত চুমুক দি কাকতখনত মূৰ গুজি আগবেলাটো পাৰ কৰা বহুলোক আমাৰ মাজত আছে। বহুতৰে ঘৰত এই দৃশ্যটো সুলভ বুলি ক'ব পাৰি। ব্যস্ততাৰ মাজতো কাকতৰ মুখ্য বাতৰি কেইটাত চকু ফুৰাই থোৱা লোক যিদৰে আছে, ঠিক সেইদৰে বাতৰি কাকতখনৰ এটা শব্দও বাদ নপৰা, আনকি প্ৰচাৰিত বিজ্ঞাপন কেইটাতো চকু ফুৰোৱা মানুহ আছে। এই সকল



লোকৰ বাবে বাতৰি কাকতখন পৰম বান্ধৱ সম। পুৱাতে কাকতখন মেলি লোৱা লোক যি দৰে আছে, পুৰণি কাকত সমূহ সংগ্ৰহ বা গোটাই থকা ব্যক্তিও আমাৰ মাজত আছে। পুৰণি কাকতৰ মোহ বা পুৰণি বাতৰি কাকত সংগ্ৰহ কৰাৰ অভ্যাস এক অনন্য আৰু অসাধাৰণ মানসিক খোৰাক বুলি ক'ব পাৰি। বহু লোকৰ বাবে ই কেৱল কাগজৰ টুকুৰা নহয়.বৰঞ্চ অতীতৰ একো-একোটা জীৱন্ত দলিল। ডাকটিকট বা মুদ্ৰা সংগ্ৰহ কৰাৰ দৰেই পুৰণি কাকত সংগ্ৰহ কৰাটোও এক বিৰল আৰু ব্যতিক্ৰমী চখ। সংগ্ৰাহক সকলে ইয়াক অতি যত্নৰে সংৰক্ষণ কৰে। পুৰণি কাকত সংগ্ৰহ কেৱল এক চখ নহয়, ই হ'ল সময়ৰ বুকুত আৱদ্ধ হৈ থকা একো-একোটা ইতিহাস। ডিজিটেল যুগত আজি সকলো বস্তু ম'বাইলৰ পৰ্দাত উপলব্ধ হ'লেও হালধীয়া পৰি যোৱা পুৰণি কাকত এখন হাতত লৈ পোৱা গোন্ধ আৰু ইয়াৰ স্পৰ্শৰ যি মোহ, তাক কোনো স্ক্ৰীণে কেতিয়াও সলনি কৰিব নোৱাৰে। বহু সমল যুক্ত বাতৰি কাকতখনৰ পৰা ভিন্নজন ভিন্ন ধৰণে উপকৃত হ'ব পাৰে, লাভান্বিত হ'ব পাৰে। খবৰ বা সংবাদ কেতিয়াও পুৰণি নহয়। পুৰণি কাকত এখনে পাঠকক মুহূৰ্ততে কেইবা দশক বা এশ বছৰ পাছলৈ লৈ যাব পাৰে। নিজৰ জন্মদিনটোৰ বা জীৱনৰ কোনো বিশেষ ঘটনা ঘটা দিনটোৰ বাতৰি কাকতখন সংগ্ৰহ কৰি ৰখাটো বহুতৰে বাবে এক আবেগিক অনুভূতি। কেতিয়াবা চকুত নপৰা সৰু বাতৰি এটাও সময়ত ডাঙৰ তথ্যৰ বাবে সহায়ক হ'ব পাৰে। পুৰণি কাকত সংগ্ৰহ বৰ্তমান সময়ত কেৱল ই এক চখ হৈ থকা নাই, ই বহুলোকৰ বাবে এক গভীৰ আবেগ আৰু নিচাত পৰিণত হৈছে। বহুলোকে পুৰণি মুদ্ৰা বা ডাক টিকটৰ দৰেই পুৰণি কাকতো অতি সযত্নে সংগ্ৰহ কৰি ৰাখে। ই তেওঁলোকৰ বাবে এক অমূল্য সম্পদ। বহু কিতাপ আৰু কাকত প্ৰেমীৰ বাবে পুৰণি কাকত বা কাগজৰ সুকীয়া মিঠা গোন্ধটো খুবেই প্ৰিয়।

বহুতৰ মনত আকৌ আজি পুৱাৰ বাতৰি কাকতখনো পুৰণি যেন। আগদিনাৰ কাকত মানেই যেন মূল্যহীন, পুৰণি কাকত। সেয়ে পৰি ৰয় কোঠাৰ এচুকত আৰু ঠাই বন্দী কৰি ৰখা বুলি ভাবি বিক্ৰী কৰি দিয়ে। পুৰণি কাকত সমূহ জমা কৰি ৰখাতকৈ কম মূল্যতে হ'লেও কেজি হিচাপত ফেৰীৱালাক বিক্ৰী কৰি ঘৰখন চাফা কৰি ৰাখিবলৈ বেছি ভাল পায়। কিন্তু সেই থুপাই থোৱা বাতৰি সমূহো যে এটা-এটা তথ্যৰ ভঁৰাল সম সেই কথা ভাবি নাচায়। পুৰণি বাতৰি-কাকত আদিক আৱৰ্জনা, পেলনীয়া, কামত নহা বস্তু বুলি ভবা সকলে হয়তো এই কথা কল্পনাই কৰিব নোৱাৰে যে প্ৰকাশিত বাতৰিসমূহ আজিৰ তাৰিখত বিশেষ তাৎপৰ্যপূৰ্ণ নহ'লেও সময়ত এই সমূহৰ আত ধৰিয়ে বহুজনে বহু বিষয়ৰ জ্ঞান লাভৰ সমল লাভ কৰিবৰ পূৰ্ণ সম্ভাৱনীয়তা থাকে। ইতিহাসবিদ, সাহিত্যিক আৰু গৱেষক সকলৰ বাবে পুৰণি কাকত সমূহ এক অপৰিহাৰ্য সম্পদ। তেওঁলোকে পুৰণি কাকতৰ বিশেষ বিশেষ সংখ্যা বা গুৰুত্বপূৰ্ণ বাতৰি সমূহ সংগ্ৰহ কৰি ৰাখে, যিয়ে তেওঁলোকক অধিক তথ্যৰ সন্ধান দিয়ে।

পুৰণি কাকতৰ মোহ বহুতৰে থকাৰ দৰে অৰ্ধেক সংখ্যকৰে নাই বুলিব পাৰি। কথাষাৰ বৰ্তমানৰ ডিজিটেল যুগৰ এক চৰম সত্য বুলি ক'লেও অত্যুক্তি কৰা নহয়। বহুতৰ বাবে এইবোৰ অদৰকাৰী চখ। এসময়ত যিখন বাতৰি কাকত পুৱাৰ চাহ কাপৰ সৈতে অপৰিহাৰ্য আছিল, আজিৰ প্ৰজন্মৰ বাবে সি কেৱল এটা পুৰণি কাগজৰ টোপোলা মাত্ৰ। প্ৰকৃততে পুৰণি কাকত, পুৰণি পুথি, কাকত-আলোচনী আদি সংগ্ৰহ কৰাটো আমাৰ অদৰকাৰী চখ বা অৰ্থহীন কাম নহয়, ই এক মহৎ কাৰ্য। কিয়নো, এনে কাৰ্যৰ জৰিয়তে আমাৰ অতীত সংস্কৃতি আৰু ইতিহাসৰাজিৰ বিষয়ে জানিবলৈ সুবিধা পাওঁ। বহু তথ্য সম্বলিত পুৰণি কাকত-আলোচনী সমূহ সংৰক্ষণ কৰি ৰখাৰ চখ বা প্ৰয়াস প্ৰকৃততে এক মহৎ অনুকৰণীয় আৰু আদৰণীয় পদক্ষেপ।

নিবেদিতা হাজৰিকা
লখিমপুৰ

অন্ধবিশ্বাস আৰু কুসংস্কাৰ

কে এ মান্নান

মানৱ সভ্যতাৰ ইতিহাস মূলতঃ অন্ধকাৰৰ পৰা পোহৰলৈ, অজ্ঞানতাৰ পৰা জ্ঞানলৈ আৰু ভয়ৰ পৰা যুক্তি-বিবেচনালৈ আগবঢ়াৰ ইতিহাস। বিজ্ঞান আৰু প্ৰযুক্তিয়ে মানুহক অভূতপূৰ্ব উচ্চতালৈ লৈ গৈছে যদিও সমাজৰ বহু স্তৰত আজিও অন্ধবিশ্বাস আৰু কুসংস্কাৰে মানুহৰ চিন্তা আৰু আচৰণক প্ৰভাৱিত কৰি আছে। সেয়ে বিজ্ঞানৰ অগ্ৰগতি আৰু বিজ্ঞানমনস্কতাৰ বিকাশ একে কথা নহয়।

অন্ধবিশ্বাস হৈছে প্ৰমাণ আৰু যুক্তিৰ পৰিৱৰ্তে ভয়, গুজৱ, অজ্ঞতা বা অযৌক্তিক ধাৰণাৰ ওপৰত নিৰ্ভৰ কৰা বিশ্বাস। কুসংস্কাৰে এনে বিশ্বাসক সামাজিক আচাৰ-ব্যৱহাৰৰ অংশ কৰি তোলে। অৱশ্যে প্ৰতিটো পৰম্পৰা বা ধৰ্মীয় বিশ্বাসক কুসংস্কাৰ বুলি কোৱা উচিত নহয়। কোনো বিশ্বাসে যেতিয়া যুক্তিবোধক স্তব্ধ কৰে, প্ৰমাণক অস্বীকাৰ কৰে, চিকিৎসাৰ পৰা আঁতৰাই নিয়ে অথবা মানুহক শোষণ কৰে, তেতিয়াই ই সমাজৰ বাবে বিপজ্জনক হৈ উঠে। অসমৰ গ্ৰাম্য সমাজতো ইয়াৰ বিভিন্ন ৰূপ দেখা যায়। জ্বৰ, মৃগী বা মানসিক অসুস্থতাক কেতিয়াবা "কু-নজৰ", অশুভ শক্তি বা ভূত-প্ৰেতৰ প্ৰভাৱ বুলি ধৰি চিকিৎসাৰ সলনি ঝাৰ-ফুঁক বা তাবিজ-কবচৰ আশ্ৰয় লোৱা হয়। ফলত ৰোগৰ সঠিক চিকিৎসা পলম হ'ব পাৰে। "ডাইনী" সন্দেহৰ দৰে কুসংস্কাৰে আকৌ নিৰীহ মানুহৰ সন্মান, নিৰাপত্তা আনকি জীৱন পৰ্যন্ত বিপন্ন কৰিব পাৰে। বহু ক্ষেত্ৰত ইয়াৰ আঁৰত ব্যক্তিগত শত্ৰুতা বা সম্পত্তিৰ স্বাৰ্থও লুকাই থাকিব পাৰে।

অন্ধবিশ্বাসৰ আন এক ভয়ংকৰ দিশ হৈছে অৰ্থনৈতিক শোষণ। মানুহৰ ভয় আৰু অসহায়তাক মূলধন কৰি একাংশ ভণ্ড তান্ত্ৰিক বা তথাকথিত চিকিৎসকে সহজ-সৰল লোকক প্ৰতাৰণা কৰে। সামাজিক মাধ্যমেও গুজৱ আৰু অযৌক্তিক বিশ্বাস দ্ৰুতগতিত বিয়পাইছে। "বহুতে শ্বেয়াৰ কৰিছে" বা "ভিডিঅ'ত দেখা গৈছে"— এইবোৰ কোনো তথ্য সত্য হোৱাৰ প্ৰমাণ নহয়। তথ্যৰ উৎস আৰু বৈজ্ঞানিক ভিত্তি পৰীক্ষা কৰাৰ অভ্যাস গঢ়ি তোলাটো সেয়ে অতি জৰুৰী।

অন্ধবিশ্বাস দূৰ কৰাৰ মূল অস্ত্ৰ হৈছে যুক্তিনিষ্ঠ শিক্ষা। প্ৰকৃত শিক্ষাই কেৱল তথ্য মুখস্থ কৰোৱা নহয়; ই মানুহক প্ৰশ্ন কৰিবলৈ, প্ৰমাণ বিচাৰিবলৈ আৰু ভুল ধাৰণা সংশোধন কৰিবলৈ শিকায়। বিদ্যালয়-মহাবিদ্যালয়, সামাজিক সংগঠন আৰু গণমাধ্যমে বিজ্ঞানমনস্কতা আৰু সমালোচনামূলক চিন্তাৰ পৰিৱেশ সৃষ্টি কৰিব লাগিব। লগতে গ্ৰাম্য অঞ্চলত সহজলভ্য স্বাস্থ্যসেৱা আৰু অন্ধবিশ্বাসৰ নামত সংঘটিত হিংসা বা প্ৰতাৰণাৰ বিৰুদ্ধে আইন কঠোৰভাৱে প্ৰয়োগ কৰাটোও প্ৰয়োজন।

অৱশ্যে অন্ধবিশ্বাসৰ বিৰুদ্ধে যুঁজ মানে ধৰ্ম বা সংস্কৃতিক উপহাস কৰা নহয়। মানুহৰ বিশ্বাসক সন্মান কৰিয়েই যুক্তি, নৈতিকতা আৰু মানৱতাৰ মূল্যবোধ শক্তিশালী কৰিব লাগিব। ভয়, শোষণ, হিংসা বা অমানৱীয় আচৰণক ধৰ্মৰ নামত বৈধতা দিয়াৰ কোনো স্থান থাকিব নোৱাৰে। প্ৰকৃত আধুনিকতা কেৱল প্ৰযুক্তিৰ ব্যৱহাৰত নহয়; ই মানুহৰ চিন্তাৰ মাজত প্ৰকাশ পায়। সেয়ে অন্ধবিশ্বাসৰ বিৰুদ্ধে আমাৰ আটাইতকৈ শক্তিশালী অস্ত্ৰ হৈছে প্ৰশ্ন কৰাৰ সাহস— "ইয়াৰ প্ৰমাণ কি?'' এই প্ৰশ্নটো যিমান বেছি মানুহৰ চিন্তাৰ অংশ হ'ব, সমাজ সিমানেই ভয় আৰু অজ্ঞতাৰ পৰা মুক্ত হৈ জ্ঞান, যুক্তি আৰু মানৱতাৰ পোহৰৰ দিশে আগবাঢ়িব।

অন্ধবিশ্বাসে মানুহৰ চকু বন্ধ কৰে; যুক্তিবোধে সেই চকু মেলি সত্যক চাবলৈ আৰু অন্যায়ৰ বিৰুদ্ধে থিয় দিবলৈ শিকায়।

■ বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে মুখ্যমন্ত্ৰী আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকলৈয়ো স্মাৰক পত্ৰৰ প্ৰতিলিপি প্ৰেৰণ ■

হোমষ্টে'ৰ আঁৰত মুকলি যৌনতাৰ বিৰুদ্ধে কঠোৰ হওক ডিব্ৰুগড় জিলা প্ৰশাসন; সৰ্ৰ আকছু-আছা

অসম বাৰ্তা, দুলীয়াজান, ২৮ ছেপ্টেম্বৰ ঃ ডিব্ৰুগড় চহৰ, দুলীয়াজান লগতে ইয়াৰ উপকণ্ঠ অঞ্চলসমূহত পৰ্যটনৰ নামত কাঠফুলাৰ দৰে গঢ়ি উঠা একাংশ হোমষ্টে'ত চলি থকা মুকলি যৌনতা, অনৈতিক কাৰ্যকলাপ আৰু ব্যভিচাৰী চক্ৰ উৎখাত কৰাৰ দাবীত আজি জিলা প্ৰশাসনৰ দ্বাৰস্থ হয় ডিব্ৰুগড় জিলা চুতীয়া ছাত্ৰ সন্থা (আকছু) আৰু ডিব্ৰুগড় জিলা আদিবাসী ছাত্ৰ সন্থা (আছা)। সংগঠন দুটাৰ তৰফৰ পৰা ডিব্ৰুগড় জিলা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি জিতু শইকীয়া আৰু ডিব্ৰুগড় জিলা আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি মনোজ ওৰাঙে আজি ডিব্ৰুগড় জিলা আয়ুক্তক এখন যৌথ স্মাৰক পত্ৰ প্ৰদান কৰি এই অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে শীঘ্ৰে কঠোৰ পদক্ষেপ গ্ৰহণৰ দাবী জনায়। স্মাৰক পত্ৰখনত সংগঠন দুটাই উল্লেখ কৰে যে উচ্চ শিক্ষা, সংস্কৃতি আৰু ঐতিহ্যৰ অন্যতম কেন্দ্ৰস্থল ডিব্ৰুগড় জিলাক আজি একাংশ মুনাফালোভী আৰু অসাধু ব্যৱসায়ীয়ে অনৈতিকতা আৰু অপসংস্কৃতিৰ ঘাটিলৈ পৰিণত কৰাৰ গভীৰ ষড়যন্ত্ৰত লিপ্ত হৈছে। প্ৰশাসনৰ চকুৰ সন্মুখতে এই অসাধু চক্ৰটোৱে সামাজিক মাধ্যমত মুকলিকৈ আপত্তিজনক বিজ্ঞাপন প্ৰচাৰ কৰি উঠি অহা যুৱপ্ৰজন্মক ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। বিশেষকৈ পৰ্যটকক আতিথ্য দিয়াৰ সলনি একাংশ হোমষ্টে'ত ঘণ্টা হিচাপত কোঠা ভাড়ালৈ দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু সামাজিক মাধ্যমত ঘণ্টাত মাত্ৰ ২০০ টকা, ৩০০ টকা আদিত কোঠা উপলব্ধ বুলি সস্তীয়া প্ৰচাৰ চলাই যুৱক-যুৱতীক এনে অনৈতিক কাৰ্যলৈ মুকলিকৈ আমন্ত্ৰণ জনোৱা হৈছে। আনহাতে, গোপনীয়তা ৰক্ষাৰ প্ৰলোভন দি 'কাপল ফ্ৰেণ্ডলি' (Couple Friendly) নামৰ মাৰাত্মক ফান্দ পাতি কিছুমান স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতীক বিপথগামী কৰা হৈছে, যাৰ সুযোগ লৈ বহু স্থানত অনৈতিক কাণ্ড সংঘটিত হোৱাৰ গভীৰ আশংকা সৃষ্টি হৈছে। ইয়াৰ উপৰি পাৰ্টি আয়োজনৰ উপযুক্ত স্থান বুলি মুকলি বিজ্ঞাপন দি আৱাসিক অঞ্চলৰ মাজত উচ্ছৃংখল পৰিৱেশ সৃষ্টি কৰি সমগ্ৰ ডিব্ৰুগড়ৰ সামাজিক আৰু পাৰিবাৰিক বাতাৱৰণ কলুষিত কৰা হৈছে। সহজ ধন ঘটাৰ লোভ দেখুৱাই এচাম অসাধু চক্ৰই অসমীয়া যুৱক-যুৱতীক এই অবাধ যৌনতা আৰু অসামাজিক জালখনত জড়িত কৰাই এক ভয়াৱহ সামাজিক ব্যাধিৰ সৃষ্টি কৰিছে বুলি ছাত্ৰ সংগঠন দুটাই ক্ষোভ প্ৰকাশ কৰিছে। এই ক্ষেত্ৰত ডিব্ৰুগড় জিলাৰ অন্তৰ্গত সকলো হোমষ্টে', লজ আৰু গেষ্ট হাউচত আৰক্ষী আৰু দণ্ডাধীশৰ যৌথ নেতৃত্বত তাৎক্ষণিকভাৱে অতৰ্কিতে অভিযান চলোৱাৰ বাবে সংগঠন দুটাই জিলা আয়ুক্তক দাবী জনাইছে। লগতে ঘণ্টা হিচাপত কোঠা ভাড়ালৈ দিয়া আৰু অনৈতিক দেহব্যৱসায় চলাই থকা প্ৰতিটো হোমষ্টে'ৰ অনুজ্ঞাপত্ৰ বাতিল কৰি সেইসমূহ চৰকাৰীভাৱে ছীল কৰা আৰু স্বত্বাধিকাৰীসকলক গ্ৰেপ্তাৰ কৰি কঠোৰতম দৃষ্টান্তমূলক শাস্তি বিহাৰ দাবী উত্থাপন কৰা হৈছে। একেদৰে যিসকল ব্যক্তি, মধ্যভোগী নাইবা সামাজিক মাধ্যমৰ প্ৰচাৰকে ঘণ্টাত ২০০ টকা, ৩০০ টকাত কোঠা অথবা 'কাপল ফ্ৰেণ্ডলি' বুলি এনে হোমষ্টে'সমূহৰ মুকলি বিজ্ঞাপন চলাই সমাজখন কলুষিত কৰিছে, তেওঁলোকক তাৎক্ষণিকভাৱে চিনাক্ত কৰি চাইবাৰ আইনকে ধৰি প্ৰচলিত কঠোৰ আইনৰ অধীনত গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰ কৰিবলৈ স্মাৰক পত্ৰখনত দাবী জনোৱা হৈছে। আনহাতে আৱাসিক এলেকাত স্থানীয় ৰাইজৰ অজ্ঞাতে চলি থকা অকৰ্তৃত্বশীল হোমষ্টে'সমূহ তৎকালীনভাৱে বন্ধ কৰাৰ লগতে বৈধ হোমষ্টে'সমূহৰ বাবে কটকটীয়া নিৰীক্ষণ ব্যৱস্থা বাধ্যতামূলক কৰিবলৈও সংগঠন দুটাই আহ্বান জনাইছে। জিলা প্ৰশাসনে এই সংবেদনশীল বিষয়টোত তাৎক্ষণিকভাৱে কঠোৰ পদক্ষেপ গ্ৰহণ নকৰিলে ডিব্ৰুগড় জিলাৰ সুস্থ সামাজিক পৰিৱেশ ৰক্ষাৰ স্বাৰ্থত ডিব্ৰুগড় জিলা চুতীয়া ছাত্ৰ সন্থা আৰু ডিব্ৰুগড় জিলা আদিবাসী ছাত্ৰ সন্থাই সচেতন ৰাইজৰ সহযোগত তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ'ব বুলি স্পষ্টভাৱে সকীয়াই দিছে। সংগঠন দুটাই উক্ত স্মাৰক পত্ৰখনৰ প্ৰতিলিপি বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে অসমৰ মুখ্যমন্ত্ৰী আৰু তাৎক্ষণিক অভিযান তথা আইনী ব্যৱস্থা গ্ৰহণৰ বাবে ডিব্ৰুগড় জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকলৈয়ো প্ৰেৰণ কৰিছে।

গেলেকী আৰক্ষীৰ জালত দুটাকৈ গৰু চোৰ; ডিব্ৰুগড়ৰ পৰা আটক অভিযুক্ত

অসম বাৰ্তা, গেলেকী, ২৮ ছেপ্টেম্বৰ ঃ গেলেকী আৰক্ষীয়ে এক সফল অভিযান চলাই গৰু চুৰি কাণ্ডৰ সৈতে জড়িত দুজন কুখ্যাত অভিযুক্তক ডিব্ৰুগড়ৰ পৰা গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। এই ঘটনাই অঞ্চলজুৰি ব্যাপক চৰ্চা লাভ কৰিছে। আৰক্ষীসূত্ৰে প্ৰকাশ পোৱা মতে, গেলেকীৰ বগিচাপৰি নিবাসী বাবুল উৰাং নামৰ লোকজনৰ ঘৰৰ পৰা যোৱা ১৭ ছেপ্টেম্বৰৰ নিশা দুটাকৈ পশুধন চুৰি কৰি নিয়াৰ মূল অভিযোগ আছিল এই দুজনৰ বিৰুদ্ধে। দীৰ্ঘদিন ধৰি পলাতক হৈ থকা অভিযুক্ত দুজন ক্ৰমে পৰশমণি বৰঠাকুৰ (৩০) আৰু ৰমজান আলী (৩১) বুলি চিনাক্ত কৰা হৈছে। উল্লেখ্য যে, উক্ত ১৭ ছেপ্টেম্বৰৰ নিশাতেই গৰু চুৰিত ব্যৱহৃত AS-04-BC-8499 নম্বৰৰ এখন ব'লেৰ' বাহনসহ মানসজ্যোতি গগৈ নামৰ আন এজন যুৱককো গেলেকী আৰক্ষীয়ে আটক কৰিছিল। তাৰ পিছৰে পৰা পলাতক হৈ থকা মূল অভিযুক্ত দুজনক ধৰিবলৈ আৰক্ষীয়ে তীব্ৰ অভিযান অব্যাহত ৰাখিছিল। অৱশেষত, গেলেকী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া (OC) প্ৰদীপ শইকীয়াৰ নেতৃত্বত যোৱা এটা আৰক্ষী দলে গোপন সূত্ৰৰ পম খেদি ডিব্ৰুগড় জিলাত অভিযান চলাই দুয়োজনকে আটক কৰিবলৈ সক্ষম হয়। এই সন্দৰ্ভত গেলেকী আৰক্ষী থানাত ৩৯/২৬ নম্বৰত এটা গোচৰ ৰুজু কৰা হৈছে। আজি আৰক্ষীয়ে ধৃত অভিযুক্ত দুয়োকে আদালতলৈ প্ৰেৰণ কৰাৰ লগতে ঘটনাৰ অধিক তদন্ত অব্যাহত ৰাখিছে।



মাকুম বাৰেকুৰিত পথ নিৰ্মাণৰ দাবীত ৰাইজৰ অইল অৱৰোধ কাৰ্যসূচী

অসম বাৰ্তা, মাকুম, ২৮ ছেপ্টেম্বৰ ঃ মাকুম সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ বাৰেকুৰি অঞ্চলৰ ২১খন গাঁও সংযোগী মুখ্য পথটোৰ দুৰৱস্থাক লৈ ক্ষোভিত হৈ পৰিছে স্থানীয় ৰাইজ। মাকুম-ধেলাখাট সংযোগী পথটো বিগত সাত মাহ ধৰি অৰ্ধনিৰ্মিত অৱস্থাত পৰি থকাত দীৰ্ঘদিন ধৰি যাতায়াতৰ ক্ষেত্ৰত চৰম দুৰ্ভোগ ভুগি থকা বাৰেকুৰি অঞ্চলৰ ৰাইজে আজি অৱশেষত ৰাজপথলৈ ওলাই আহি প্ৰতিবাদ সাব্যস্ত কৰি পথটো শীঘ্ৰে নিৰ্মাণৰ দাবী তোলে। প্ৰতিবাদী কাৰ্যসূচীত বাৰেকুৰি জাতীয় বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলেও অংশগ্ৰহণ কৰে। উল্লেখ্য যে, দীৰ্ঘদিন ধৰি পথটোত শিল পেলাই থোৱাৰ পাছতো নিৰ্মাণৰ কাম সম্পূৰ্ণ নোহোৱাত যাতায়াত ব্যৱস্থা একপ্ৰকাৰ বিপৰ্যস্ত হৈ পৰিছে। অঞ্চলটোৰ অন্যতম ব্যস্ত এই পথটোৰে দৈনিক বিদ্যালয়লৈ অহা-যোৱা কৰে বহু ছাত্ৰ-ছাত্ৰীয়ে। ইয়াৰ লগতে ৰোগী, পথচাৰী আৰু স্থানীয় ৰাইজেও নিতৌ সন্মুখীন হৈছে যাতায়াতৰ জটিল সমস্যাৰ। শিল-বালিৰে ভৰা পথটোত যান-বাহন চলাচলৰ সময়ত সৃষ্টি হোৱা ধূলিয়ে পৰিৱেশ ধূলিময় কৰি তোলাৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু পথচাৰীসকলৰো দুৰ্ভোগ বৃদ্ধি কৰিছে। পথটোৰ দুৰৱস্থাৰ বিৰুদ্ধে ইয়াৰ পূৰ্বেও বিভিন্ন দল-সংগঠনে মেৰামতি আৰু নিৰ্মাণৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰিছিল যদিও আজিলৈকে পথটোৰ কাম সম্পূৰ্ণ নোহোৱাত ক্ষোভিত হৈ পৰিছে স্থানীয় ৰাইজ। প্ৰতিবাদস্থলীৰ পৰাই সংশ্লিষ্ট কৰ্তৃপক্ষক পথটো অতি শীঘ্ৰে নিৰ্মাণ কৰি যাতায়াতৰ সমস্যা সমাধানৰ দাবী জনায় প্ৰতিবাদকাৰীসকলে। অন্যথা অনাগত দিনত প্ৰতিবাদী কাৰ্যসূচী অধিক তীব্ৰতৰ কৰাৰ হুংকাৰ দিয়ে প্ৰতিবাদকাৰীসকলে। ইফালে, প্ৰতিবাদস্থলীত অইলৰ ইণ্ডিয়া লিমিটেডৰ বিষয়ববীয়া সকল উপস্থিত হোৱাৰ পাছত প্ৰতিবাদকাৰীৰ নেতৃত্বই অইল কৰ্তৃপক্ষৰ হাতত এখন স্মাৰক-পত্ৰ প্ৰদান কৰি পথটোৰ নিৰ্মাণকাৰ্য শীঘ্ৰে সম্পূৰ্ণ কৰাৰ দাবী জনায়।

নলবাৰীত জিলা কংগ্ৰেছৰ তীব্ৰ প্ৰতিবাদ; মুখ্য নিৰ্বাচনী আয়ুক্তৰ অপসাৰণ দাবীত পুত্তলিকা দাহ

অসম বাৰ্তা, নলবাৰী, ২৮ ছেপ্টেম্বৰ ঃ সোমবাৰে নলবাৰী জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত মুখ্য নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰক তাৎক্ষণিকভাৱে পদৰ পৰা অপসাৰণ কৰা আৰু তেওঁৰ বিৰুদ্ধে ন্যায়িক তদন্তৰ দাবীত এক বিশাল প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাজীৱ ভৱনৰ পৰা আৰম্ভ প্ৰতিবাদী সমদল পুৱা প্ৰায় ১১ বজাত নলবাৰী ৰাজীৱ ভৱনৰ সন্মুখৰ পৰা জিলা কংগ্ৰেছ সমিতিয়ে এই প্ৰতিবাদী সমদল উলিয়ায়। শতাধিক কংগ্ৰেছ কৰ্মী-সমৰ্থকে হাতে-হাতে প্লে'কাৰ্ড, দলীয় পতাকা লৈ মুখ্য নিৰ্বাচনী আয়ুক্তৰ বিৰুদ্ধে শ্লোগান দি নলবাৰী চহৰৰ মাজেৰে আগবাঢ়ে। উক্ত প্ৰতিবাদী কাৰ্যসূচীত নলবাৰী জিলা কংগ্ৰেছৰ সভাপতি ৰাতুল পাটোৱাৰী, অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰদ্যুত ভূঞা, প্ৰাক্তন বিধায়ক দিগন্ত বৰ্মন কে ধৰি জিলা পৰ্যায়ৰ বহুকেইজন জ্যেষ্ঠ নেতা আৰু শ শ দলীয় কৰ্মী উপস্থিত থাকে। সমদলটোৱে নলবাৰী চহৰৰ মূল পথেৰে আগবাঢ়ি যোৱাৰ সময়তে নলবাৰী আৰক্ষীয়ে বেৰিকেড স্থাপন কৰি প্ৰতিবাদকাৰীসকলক আগবাঢ়িবলৈ বাধা প্ৰদান কৰে। ইয়াকে লৈ কিছু সময়ৰ বাবে আৰক্ষী আৰু প্ৰতিবাদকাৰীৰ মাজত তৰ্ক-বিতৰ্কৰ সৃষ্টি হয় আৰু পৰিস্থিতি কিছু সময়ৰ বাবে উত্তপ্ত হৈ পৰে। আৰক্ষীৰ বাধাৰ পিছতো প্ৰতিবাদকাৰীসকলে ঘটনাস্থলীতেই মুখ্য নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰৰ পুত্তলিকা দাহ কৰে। ইয়াৰ লগে লগে "বিজেপি হায় হায়", "জ্ঞানেশ কুমাৰক অপসাৰণ কৰক", "নিৰ্বাচন আয়োগ নিৰপেক্ষ কৰক", "গণতন্ত্ৰ বচাওক" আদি শ্লোগানেৰে সমগ্ৰ অঞ্চল উত্তাল কৰি তোলে। জিলা সভাপতি ৰাতুল পাটোৱাৰীয়ে সংবাদ মাধ্যমৰ আগত কয় যে, "মুখ্য নিৰ্বাচনী আয়ুক্তগৰাকীয়ে নিৰপেক্ষভাৱে কাম কৰা নাই। শাসকীয় দলৰ হৈ কাম কৰি গণতন্ত্ৰক ভেঙুচালি কৰিছে। সেয়েহে তেওঁক তৎকাল অপসাৰণ কৰি উচ্চ ন্যায়ালয়ৰ তত্বাৱধানত ন্যায়িক তদন্ত কৰিব লাগে।" শেহতীয়াকৈ অনুষ্ঠিত হোৱা কেইবাটাও নিৰ্বাচনত নিৰ্বাচন আয়োগে পক্ষপাতমূলক ভূমিকা গ্ৰহণ কৰিছে, যাৰ বাবে জনসাধাৰণৰ আয়োগৰ ওপৰত থকা আস্থা হ্ৰাস পাইছে। প্ৰতিবাদৰ অন্তত জিলা উপায়ুক্তৰ জৰিয়তে ৰাষ্ট্ৰপতিলৈ এখন স্মাৰকপত্ৰও প্ৰেৰণ কৰা হয় বুলি দলীয় সূত্ৰই জানিবলৈ দিয়ে।

মিছাত চলন্ত ফুটবল কাপ প্ৰতিযোগিতাত- বৰচুঙ একাদশ চেম্পিয়ন



অসম বাৰ্তা, কলিয়াবৰ, ২৮ ছেপ্টেম্বৰ ঃ মিছা আঞ্চলিক মিলন সঙ্ঘৰ সৌজন্যত অনুষ্ঠিত একাদশ বাৰ্ষিক গজেন্দ্ৰ নাথ বৰুৱা আৰু পুলিনা বৰুৱা সোঁৱৰণী চলন্ত কাপ ফুটবল প্ৰতিযোগিতাৰ কালি সফল সামৰণি পৰে। মিছা হাইস্কুল খেলপথাৰত অনুষ্ঠিত চূড়ান্ত খেলখনত বৰচুঙ ফুটবল একাদশে তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত ৰামৰাইপট্টী ফুটবল একাদশক ট্ৰাইবেকাৰত ৫-৪ গ'লৰ ব্যৱধানত পৰাস্ত কৰি চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। নিৰ্ধাৰিত সময়ত খেলখন অমীমাংসিত হৈ আছিল। খেলৰ প্ৰাকমুহূৰ্তত প্ৰয়াত গজেন্দ্ৰ নাথ বৰুৱা, পুলিনা বৰুৱা আৰু শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰা হয়। ইয়াৰ পিছত সঙ্ঘৰ কাৰ্যকৰী সভাপতি মৃণাল কুমাৰ হাজৰিকাৰ সভাপতিত্বত বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। দাতা ডাঃ প্ৰাণজিৎপ্ৰাণ বৰুৱাৰ পৰিয়াল আৰু অতিথি বৃন্দই বিজয়ী তথা বিজিত দলক চলন্ত বঁটা আৰু নগদ ধন প্ৰদান কৰে। সভাত কলিয়াবৰ জিলা ক্ৰীড়া সন্থাৰ ৰবিন ভূঞা, অচ্যুত শইকীয়া, অসম ফুটবল সন্থাৰ কুসুম ডেকা, গাণণিক বিষয়া ধনঞ্জয় তালুকদাৰৰ লগতে কেইবাগৰাকীও স্থানীয় পঞ্চায়ত প্ৰতিনিধি আৰু আৰক্ষী বিষয়া উপস্থিত থাকে। সামৰণিত কলিয়াবৰৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী কেশৱ মহন্তই উপস্থিত হৈ খেলুৱৈসকলক অভিনন্দন জনায়। অনুষ্ঠানটি সঙ্ঘৰ সম্পাদক জগত মেধি আৰু প্ৰশান্ত বসুমতাৰীয়ে পৰিচালনা কৰে।

মৰিগাঁৱত বিশ্ব জলাতংক দিৱস উপলক্ষে সজাগতা কাৰ্যসূচী

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৮ ছেপ্টেম্বৰ ঃ মৰিগাঁও জিলাৰ ভূৰবন্ধা মডেল হাস্পতালত আজি বিশ্ব জলাতংক দিৱস উপলক্ষে এক সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। উক্ত কাৰ্যসূচীত চিকিৎসালয়ৰ উপ-অধীক্ষক চন্দ্ৰসিং দেওৰী, SDM&HO মণিকা বৰা, GNMs, ANMs, প্ৰশিক্ষণৰত ANM ছাত্ৰ-ছাত্ৰীৰ লগতে চিকিৎসালয়লৈ অহা ৰোগী আৰু অভিভাৱকসকলে অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ জৰিয়তে জলাতংকত মৃত্যু আৰু ইয়াৰ ভয়াবহতা সম্পৰ্কে উপস্থিত লোকসকলক সজাগ কৰা হয়। লগতে জলাতংক প্ৰতিৰোধৰ ক্ষেত্ৰত কুকুৰৰ টিকাকৰণ (ARV), মানুহৰ ক্ষেত্ৰত সময়মতে Anti-Rabies Vaccine (ARV) গ্ৰহণ, কুকুৰে কামোৰিলে ক্ষতস্থান তৎক্ষণাৎ সাবোন আৰু প্ৰচুৰ পানীৰে ধোৱা, আৰু নিৰ্ধাৰিত চিকিৎসা প্ৰটোকল অনুসৰি চিকিৎসা গ্ৰহণ কৰাৰ গুৰুত্বৰ বিষয়ে বিস্তৃতভাৱে বুজাই দিয়া হয়। জলাতংক প্ৰতিৰোধৰ বাবে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি, সময়মতে টিকাকৰণ আৰু উপযুক্ত চিকিৎসা নিশ্চিত কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। "Rabies Deaths Elimination by 2030" লক্ষ্যত উপনীত হোৱাৰ বাবে সকলোৱে সক্ৰিয় অংশগ্ৰহণ আৰু সমন্বিত প্ৰচেষ্টাৰ প্ৰয়োজনীয়তা উল্লেখ কৰা হয়।

প্ৰতিষ্ঠাপক ৰোযেশ্বৰ হাজৰিকাৰ স্মৃতিত মাজুলী মহাবিদ্যালয়লৈ জী-জোঁৱাই চিত্ৰলেখা বৰুৱা আৰু হেৰম্ব প্ৰসাদ বৰুৱাৰ দান

অসম বাৰ্তা, মাজুলী, ২৮ ছেপ্টেম্বৰ ঃ গ্ৰন্থ সংগ্ৰহ আৰু অধ্যয়নৰ অভ্যাস সৃষ্টিৰ উদ্দেশ্যে মাজুলী মহাবিদ্যালয়ে ২০১৬ চনৰ ৮ অক্টোবৰৰ পৰা ৰূপায়ণ কৰি অহা 'গ্ৰন্থদান মহান দান' নামৰ ব্যতিক্ৰমী কাৰ্যসূচীত স্বেচ্ছাই অংশ গ্ৰহণ কৰি শুভাকাংক্ষীসকলে আগবঢ়োৱা গ্ৰন্থৰ সংখ্যাই ইতিমধ্যে পঁইত্ৰিশ হাজাৰৰ সীমা অতিক্ৰম কৰিছে। এই সমাজহিতৈষী কাৰ্যসূচীত আন্তৰিকতাৰে ভাগ লৈ কালি গুৱাহাটীৰ কাহিলীপাৰা নিবাসী সমাজকৰ্মী, তথা মহাবিদ্যালয়খনৰ অন্যতম প্ৰতিষ্ঠাপক, মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজকৰ্মী ৰোযেশ্বৰ হাজৰিকাৰ জী-জোঁৱাই চিত্ৰলেখা বৰুৱা আৰু হেৰম্ব প্ৰসাদ বৰুৱাই পিতৃৰ স্মৃতিত তেওঁলোকৰ ব্যক্তিগত পুথিভঁৰালৰ সমূদায় গ্ৰন্থৰ উপৰিও সেই সমূহ সংৰক্ষণৰ বাবে আলমিৰা কিনিবলৈ ত্ৰিশ হাজাৰ টকা দান হিচাপে আগবঢ়ায়। বিগত সময়ছোৱাত মহাবিদ্যালয়খনিয়ে সম্পন্ন কৰি অহা গ্ৰন্থ দান কাৰ্যসূচীৰ বাৰ্তা পাই বৰুৱা-দম্পতীয়ে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ সৈতে যোগাযোগ কৰি মহাবিদ্যালয়-খনিলৈ গ্ৰন্থ আৰু আলমিৰা দান কৰাৰ ইচ্ছাৰ কথা ঘোষণা কৰিছিল। সেই অনুসৰিয়ে কালি মহাবিদ্যালয়ৰ বি. ভক. আই টি বিভাগৰ কৰ্মচাৰী ৰাজীৱ দত্তই গুৱাহাটীৰ কাহিলীপাৰাস্থিত চিত্ৰলেখা হাজৰিকা বৰুৱা আৰু হেড়ম্ব প্ৰসাদ বৰুৱাৰ বাসগৃহৰ পৰা মহাবিদ্যালয় পৰিয়ালৰ হৈ এই গ্ৰন্থ আৰু অনুদানৰ চেক গ্ৰহণ কৰে। আজি গ্ৰন্থসমূহ মহাবিদ্যালয় অনাৰ পাছতে বিশিষ্ট সমাজসেৱী লোক দুগৰাকীয়ে প্ৰদৰ্শন কৰা বদান্যতাৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰাৰ উদ্দেশ্যে দুপৰীয়া ১২ বজাৰ পৰা মহাবিদ্যালয়ৰ অধ্যক্ষৰ কক্ষত এখন বিশেষ সভাৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাসে আঁত ধৰা সভাত সভাপতিত্ব কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই চিত্ৰলেখা বৰুৱা আৰু হেৰম্ব প্ৰসাদ বৰুৱাই প্ৰদৰ্শন কৰা মহানুভৱতাৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে অনাগত সময়তো মহাবিদ্যালয়খনিলৈ তেওঁলোকে সৰ্বতোপ্ৰকাৰৰ সহযোগিতা আগ বঢ়াব বুলি আশা কৰে। লগতে বহুমূলীয়া গ্ৰন্থৰাজি উপহাৰৰ জৰিয়তে মাজুলীৰ দৰিদ্ৰ শিক্ষাৰ্থীসকলৰ উপকাৰ সাধনৰ বাবে চিত্ৰলেখা বৰুৱা আৰু হেৰম্ব প্ৰসাদ বৰুৱাই কৰা মহান প্ৰয়াসৰ শলাগ ল'বলৈ ভাষাৰ অভাৱ বুলি মন্তব্য কৰে। সভাত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড° অনুপ কুমাৰ দলে, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ মহাবিদ্যালয়ৰ নডেল বিষয়া দেৱজ্যোতি খাটনিয়াৰ, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক তুলসী ৰাজখোৱা, অধ্যাপক অপূৰ্বজ্যোতি হাজৰিকা, ড° দুলাল হাজৰিকা, মুখ্য সহায়ক উৎপল বৰুৱা, কৰ্মচাৰী গোটৰ সভাপতি দেৱজিৎ বৰুৱা, সম্পাদক সদানন্দ ৰেগন প্ৰমুখ্যে ব্যক্তিসকল উপস্থিত থাকি গ্ৰন্থদাতাৰ এনে মহান পদক্ষেপক বিশেষভাৱে প্ৰশংসা কৰে। চিত্ৰলেখা বৰুৱা আৰু হেড়ম্ব প্ৰসাদ বৰুৱাৰ এই বদান্যতাত মাজুলীবাসীৰ হৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা আউনীআটীয় সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী, গড়মূৰ সত্ৰাধিকাৰ পৰমানন্দদেৱ গোস্বামী, ভোগপুৰ সত্ৰৰ অধিকাৰ দত্তদেৱ গোস্বামী, নতুন কমলাবাৰী সত্ৰৰ অধিকাৰ সত্যজিৎ মহন্ত, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি সুৰেন্দ্ৰ নাথ মুদৈ, মহাবিদ্যালয় মহিলা কোষৰ সভানেত্ৰী ড° ৰূপজ্যোতি বৰা, নাৰী সৱলীকৰণ কোষৰ সভানেত্ৰী প্ৰণীতা ৰাজখোৱা, জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, ৰামধনু শতদল শাখাৰ সভাপতি ডিম্বেশ্বৰ দত্ত, জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱা, সম্পাদক সঞ্জীৱ বৰা, জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকা, জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা, জিলা নাট্য সন্মিলনৰ সভাপতি ৰঞ্জিত কুমাৰ ভূঞা, মাজুলী জিলা ভাওনা সন্মিলনৰ সভাপতি প্ৰভাত বৰা বুঢ়াভকত, ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰা, 'আপকু'ৰ ৰাজ্যিক উপ-সভাপতি জীৱন বৰুৱা, টুনীনদী সুৰক্ষা আৰু উন্নয়ন সমিতিৰ সভাপতি ডঃ ৰাজেন চন্দ্ৰ বৰা প্ৰমুখ্য বিশিষ্ট ব্যক্তিসকলে ধন্যবাদ জনাইছে।

সাংসদ বিজুলী কলিতা মেধিৰ অধ্যক্ষতাত কামৰূপ জিলা উন্নয়ন সমন্বয় আৰু নিৰীক্ষণ সমিতিৰ (DISHA) বৈঠক সম্পন্ন

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৮ ছেপ্টেম্বৰ ঃ গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধিৰ অধ্যক্ষতাত কামৰূপ জিলাৰ জিলা উন্নয়ন সমন্বয় আৰু নিৰীক্ষণ সমিতি (DISHA)ৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত কমলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, বকো-ছয়গাঁও বিধানসভা সমষ্টিৰ বিধায়ক ৰাজু মেছ, ছমৰীয়া বিধানসভা সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ আৰু পলাশবাৰী বিধানসভা সমষ্টিৰ বিধায়ক হিমাংশু শেখৰ বৈশ্যৰ লগতে কামৰূপৰ জিলা আয়ুক্ত দেৱকুমাৰ মিশ্ৰ উপস্থিত থাকে। বৈঠকত জিলাখনৰ বিভিন্ন স্থানত ৰূপায়ণ হৈ থকা গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি আৰু উন্নয়নমূলক প্ৰকল্পসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। বিশেষকৈ গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰ মূল পৰিকল্পনা আৰু শেহতীয়া অগ্ৰগতিৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। একেদৰে দ্বিতীয় শৰাইঘাট ৰে'ল-কাম-ৰোড দলংৰ অগ্ৰগতিৰ ও পৰ্যালোচনা কৰা হয় আৰু প্ৰকল্পটোৰ সময়মতে ৰূপায়ণত প্ৰভাৱ পেলোৱা প্ৰত্যাহ্বান আৰু বাধাসমূহৰ বিষয়ে আলোচনা কৰা হয়। বৈঠকত বিকশিত ভাৰত— ৰোজগাৰ আৰু জীৱিকা গেৰাণ্টী মিছন (গ্ৰামীণ) (VB-G RAM G) আৰু অন্যান্য বিভিন্ন উন্নয়নমূলক পদক্ষেপৰ ৰূপায়ণ আৰু অগ্ৰগতিৰ বিষয়েও আলোচনা কৰা হয়। ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেড, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকাৰণ, লোক নিৰ্মাণ (পথ আৰু গৃহ), কৃষি, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, সমাজ কল্যাণ, শিক্ষা, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ অধীনত চলি থকা আঁচনি আৰু প্ৰকল্পসমূহৰ বৰ্তমানৰ স্থিতি, অগ্ৰগতিৰ সন্দৰ্ভত সভাত অৱগত কৰাৰ উপৰিও আঁচনি আৰু প্ৰকল্পসমূহ ৰূপায়ণৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ উপৰিও অধিক গুৰুত্ব দিয়াৰ প্ৰয়োজন থকা ক্ষেত্ৰসমূহৰ বিষয়ে অৱগত কৰে। সাংসদ বিজুলী কলিতা মেধিয়ে সংশ্লিষ্ট সকলো বিষয়াক চলি থকা প্ৰকল্পসমূহ নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে নিৰ্দেশ দিয়ে। প্ৰকল্পসমূহ ৰূপায়ণৰ সময়ত যাতে সাধাৰণ ৰাইজে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নহয়, সেই বিষয়তো তেওঁ গুৰুত্ব আৰোপ কৰে। লগতে প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত দেখা দিয়া বাধাসমূহ দ্ৰুতভাৱে সমাধানৰ বাবে তৎপৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক আহ্বান জনায়। সাংসদগৰাকীয়ে লগতে সংশ্লিষ্ট বিধায়কসকলৰ সহযোগিতা আৰু সমন্বয়ৰ জৰিয়তে জনসাধাৰণৰ সৈতে



জড়িত সমস্যাসমূহ ফলপ্ৰসূভাৱে সমাধান কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উন্নয়নমূলক প্ৰকল্পসমূহ সফল আৰু সময়মতে সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত সকলো অংশীদাৰক প্ৰয়োজনীয় সহযোগিতা আগবঢ়াবলৈ সাংসদগৰাকীয়ে আহ্বান জনায়। জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই চলি থকা প্ৰকল্প আৰু আঁচনিসমূহ সুচাৰুৰূপে ৰূপায়ণৰ বাবে সংশ্লিষ্ট সকলো বিভাগ আৰু অংশীদাৰৰ মাজত ঘনিষ্ঠ সমন্বয় আৰু সহযোগিতাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বৈঠকত কামৰূপ জিলা পৰিষদৰ অধ্যক্ষ নিপন ভূঞা, কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, অতিৰিক্ত জিলা আয়ুক্তদ্বয় গীতাশ্ৰী লাচিত আৰু বিশ্বজিৎ শইকীয়া, ৰঙিয়াৰ সম-জিলা আয়ুক্ত নবজিৎ পাঠক, বকো-ছয়গাঁৱৰ সম-জিলা আয়ুক্ত প্ৰিয়ংশু ভৰদ্বাজ, পলাশবাৰীৰ সম-জিলা আয়ুক্ত ভাস্কৰ জ্যোতি কলিতাৰ লগতে বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া আৰু সংশ্লিষ্ট বিভাগসমূহৰ বিষয়াসকল উপস্থিত থাকে।

সেৱা সংকল্প অভিযানৰ অধীনত দৰঙত অনুষ্ঠিত 'অংগন মিলন সেৱা

অসম বাৰ্তা, দেওমৰনৈ, ২৮ ছেপ্টেম্বৰ ঃ বৰ্তমান দেশ তথা ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে দৰং জিলাতো অব্যাহত থকা চলি সেৱা সংকল্প অভিযানৰ অংশ হিচাপে ২৭ ছেপ্টেম্বৰত দৰং জিলাৰ ৪৫৬ নং দক্ষিণ পুনিয়া মডেল অংগনৱাড়ী কেন্দ্ৰত 'অংগন মিলন সেৱা' কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠিত হোৱা এই 'অংগন মিলন সেৱা' কাৰ্যসূচীত দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া আৰু দৰঙৰ জিলা আয়ুক্ত আয়ুষী জৈন উপস্থিত থাকে। কাৰ্যসূচীত অংগনৱাড়ী কৰ্মী আৰু সহায়িকাসকলক সম্বৰ্ধনা জনোৱাৰ লগতে শিশুসমূহৰ যত্ন, পুষ্টি আৰু বিকাশ তথা তৃণমূল পৰ্যায়ত মহিলা আৰু শিশুৰ কল্যাণৰ বাবে তেওঁলোকে আগবঢ়াই অহা নিষ্ঠাপূৰ্ণ সেৱাৰ শলাগ লোৱা হয়। তেওঁলোকৰ অৱদানৰ স্বীকৃতিস্বৰূপে অংগনৱাড়ী কৰ্মী আৰু সহায়িকাসকলক ১, ০০০ টকাৰ চেক আৰু সম্বৰ্ধনা পত্ৰ প্ৰদান কৰা হয়। মুঠ ১৬৪৪ অংগনবাড়ী কেন্দ্ৰৰ ১৭৫৪ অংগনবাড়ী কৰ্মীক সমৰ্ধনা জনোৱা হয়। মহিলা আৰু শিশু বিকাশ বিভাগৰ উদ্যোগত আয়োজিত 'অংগন মিলন সেৱা'ৰ জৰিয়তে তৃণমূল পৰ্যায়ৰ কৰ্মীসকলৰ অৱদানক স্বীকৃতি জনোৱাৰ লগতে পুষ্টি আৰু সামূহিক কল্যাণৰ ক্ষেত্ৰত তেওঁলোকে পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাক সমাজৰ আগত দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামদাস

দাস আৰু মুখ্য উপদেষ্টা পৱিত্ৰ হাজৰিকাৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলটোৱে কেন্দ্ৰীয় মন্ত্ৰীগৰাকী তথা কেন্দ্ৰীয় মন্ত্ৰালয়ৰ উচ্চপদস্থ বিষয়াসকলৰ উপস্থিতিত অসমৰ অনুসূচিত জাতিৰ লোকসকলে দীৰ্ঘদিন ধৰি সন্মুখীন হৈ অহা বিভিন্ন গুৰুতৰ সমস্যা আৰু বঞ্চনাক লৈ দীঘলীয়া আলোচনাত মিলিত হয়। আলোচনাত ৰাজ্যখনৰ অনুসূচিত জাতিৰ সাংবিধানিক সুৰক্ষা, ভুৱা জাতিগত প্ৰমাণপত্ৰৰ চাকৰি লোৱা, ভূমি আৰু নিয়োগৰ অধিকাৰক লৈ বিস্তৃত স্মাৰকপত্ৰ প্ৰদান কৰাৰ লগতে অনুসূচিত জাতিৰ সৰ্বাংগীণ বিকাশৰ অৰ্থে ৪০০ কোটি টকাৰ বিশেষ আৰ্থিক সাহায্য দাবী কৰি সুকীয়াকৈ আন এখন স্মাৰকপত্ৰও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অৰ্পণ কৰে সংগঠনটোৱে। স্মাৰকপত্ৰখনত ৰাজ্যত প্ৰৱৰ্তন কৰা 'মিছন ভূমিপুত্ৰ' ডিজিটেল ব্যৱস্থাৰ জৰিয়তে জাতিগত প্ৰমাণপত্ৰ প্ৰদানৰ ক্ষেত্ৰত দেখা দিয়া বিসংগতিৰ বিষয়ে বিস্তৃত তথ্য দাঙি ধৰা হয়। সংগঠনটোৰ সভাপতি সঞ্জীৱ দাসে অভিযোগ কৰে যে বৰ্তমানৰ প্ৰমাণপত্ৰ প্ৰদান প্ৰক্ৰিয়াত কঠোৰ নথি পৰীক্ষণ নোহোৱাকৈ কেৱল পিতৃৰ প্ৰমাণপত্ৰৰ ভিত্তিত প্ৰমাণপত্ৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে। যাৰ বাবে বহু অনা-অনুসূচিত জাতিৰ লোকে ভুৱা নথিপত্ৰৰে প্ৰকৃত অনুসূচিত জাতিৰ পৰা সংৰক্ষণৰ সুবিধা কাঢ়ি লৈছে। এই ব্যৱস্থা বন্ধ কৰিবলৈ কেৱল সাম্প্ৰতিক প্ৰমাণপত্ৰৰ ওপৰত নিৰ্ভৰ নকৰি পূৰ্বপুৰুষৰ পুৰণি ভূমি-নথি, বিদ্যালয়ৰ নথি, ভোটাৰ তালিকা, ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ তথ্য, ১৯৬১ আৰু ১৯৭১ চনৰ জাতিভিত্তিক লোকপিয়লৰ তথ্য তথা বংশবৃক্ষ পৰীক্ষা কৰাটো বাধ্যতামূলক কৰিবলৈ দাবী জনাই। লগতে ইতিমধ্যে জাৰি কৰা সন্দেহজনক জাতিগত প্ৰমাণপত্ৰসমূহ জিলা পৰ্যায়ত পুনৰীক্ষণ কৰা আৰু ৰাজ্যিক পৰ্যায়ৰ উচ্চস্তৰীয় পুনৰীক্ষণ সমিতিৰ দ্বাৰা সত্যতা নিৰূপণ কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক নিৰ্দেশ দিবলৈ দাবী জনায়। একেদৰে ভুৱা জাতিগত প্ৰমাণপত্ৰ ব্যৱহাৰ কৰি চৰকাৰী চাকৰি আৰু উচ্চশিক্ষাত নামভৰ্তিৰ সংৰক্ষিত সুবিধা গ্ৰহণ কৰা ব্যক্তিসকলক চিনাক্ত কৰিবলৈ বিশেষ অভিযান তথা ন্যায়িক আৰু কেন্দ্ৰীয় তদন্ত ঘোষণা কৰিবলৈও কয় সঞ্জীৱ দাসে। স্মাৰকপত্ৰখনত অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ অধীনস্থ অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ বিভিন্ন আঁচনি ৰূপায়ণত সংঘটিত হোৱা ব্যাপক বিত্তীয় কেলেংকাৰীৰ তথ্যও তথ্যসহকাৰে উত্থাপন কৰে দাসে। বিশেষকৈ ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষত অনুসূচিত জাতিৰ হিতাধিকাৰীৰ বাবে আৱণ্টিত পুঁজিৰে টিভি, পাকঘৰৰ সামগ্ৰী, গেছৰ চৌকা, প্ৰেচাৰ কুকাৰ আৰু প্লাষ্টিকৰ সামগ্ৰী বিতৰণৰ নামত বৃহৎ পৰিমাণৰ চৰকাৰী ধন লুণ্ঠন হোৱাৰ গুৰুতৰ অভিযোগৰ কথাও মন্ত্ৰীগৰাকীৰ সন্মুখত স্থাপন কৰে। সামগ্ৰীসমূহৰ নিকৃষ্ট মান, অস্বাভাৱিক ক্ৰয়মূল্য, নিবিদা প্ৰক্ৰিয়াৰ খেলিমেলি, ভুৱা হিতাধিকাৰী নিৰ্বাচন আৰু ভুৱা বিল-ভাউচাৰৰ জৰিয়তে একাংশ বিষয়া আৰু ঠিকাদাৰে কোটি কোটি টকা আত্মসাত কৰাৰ অভিযোগ তুলি সংগঠনটোৱে কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ অধীনত এক স্বতন্ত্ৰ তদন্ত দাবী কৰে। ইয়াৰ উপৰিও ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাগাণনিক (কেগ) দ্বাৰা এই আঁচনিসমূহৰ বিস্তৃত বিত্তীয় আৰু ক্ষেত্ৰভিত্তিক নিৰীক্ষণ সম্পন্ন কৰি নিবিদা, ক্ৰয়মূল্য আৰু প্ৰকৃত হিতাধিকাৰীৰ তালিকা ৰাজহুৱা কৰাৰ আহ্বান জনায়। সংবিধানৰ অনুচ্ছেদ ৩৪১ ৰ উলংঘন কৰি ৰাজনৈতিক মুনাফাৰ স্বাৰ্থত অসমৰ কেওঁট সম্প্ৰদায়ৰ দৰে নতুন জনগোষ্ঠীক অনুসূচিত জাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ যিকোনো প্ৰচেষ্টাক স্মাৰকপত্ৰৰ জৰিয়তে তীব্ৰ বিৰোধিতা কৰে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে। সংগঠনটোৱে স্পষ্ট কৰি দিছে যে অনুসূচিত জাতিৰ তালিকাত কোনো সম্প্ৰদায়ক অন্তৰ্ভুক্ত কৰাৰ ক্ষমতা ৰাজ্য চৰকাৰৰ আওতাভুক্ত নহয়। সেয়েহে কোনো সম্প্ৰদায়ক অন্তৰ্ভুক্ত কৰাৰ পূৰ্বে স্বাধীন আৰু বৈজ্ঞানিক নৃতাত্ত্বিক, সামাজিক আৰু ঐতিহাসিক অধ্যয়ন অবিহনে কোনো পদক্ষেপ নলবলৈ কেন্দ্ৰীয় চৰকাৰক সকীয়াই দিয়া হয়, যাতে ৰাজ্যৰ প্ৰকৃত অনুসূচিত জাতিৰ অধিকাৰ খৰ্ব নহয়। চৰকাৰী নিয়োগৰ ক্ষেত্ৰত অনুসূচিত জাতিৰ বাবে সংৰক্ষিত হৈ থকা হাজাৰ হাজাৰ খালী বেকলগ পদ চিনাক্ত কৰি বিশেষ নিযুক্তি অভিযানৰ জৰিয়তে তাৎক্ষণিকভাৱে পূৰণ কৰা আৰু সংবিধান প্ৰদত্ত নীতি অনুসৰি অনুসূচিত জাতিৰ বিষয়া-কৰ্মচাৰীসকলৰ পদোন্নতি সুনিশ্চিত কৰিবলৈ স্মাৰকপত্ৰ যোগে দাবী জনায় অনুসূচিত জাতিৰ সংগঠনটোৱে। তদুপৰি অনুসূচিত জাতিৰ সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক বিকাশৰ কেন্দ্ৰ হিচাপে অসমৰ প্ৰতিখন জিলাতে একোটাকৈ ড° বি আৰ আম্বেদকাৰ ভৱন নিৰ্মাণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা আৰ্থিক অনুদান আৰু নীতিগত নিৰ্দেশনা প্ৰদানৰ আহ্বান জনায়। ৰাজ্যখনৰ ভূমিহীন অনুসূচিত জাতিৰ পৰিয়ালসমূহৰ সুৰক্ষাৰ স্বাৰ্থত জিলাভিত্তিক জৰীপ চলাই উপযুক্ত চৰকাৰী ভূমি আৱণ্টন দি বিশেষ অভিযানৰ জৰিয়তে চৰকাৰী ম্যাদী পট্টা প্ৰদান কৰাৰ দাবীও স্মাৰকপত্ৰখনত গুৰুত্বসহকাৰে সন্নিবিষ্ট কৰে সংগঠনটোৱে। সমান্তৰালকৈ ঐতিহাসিকভাৱে অৱহেলিত চাফাই কৰ্মীসকলৰ চাকৰি নিয়মীয়াকৰণ, জীৱন আৰু স্বাস্থ্যবীমা, উন্নত বাসস্থান আৰু নিৰাপদ কৰ্মপৰিৱেশ নিশ্চিত কৰিবলৈ দাবী জনায়। বিশেষকৈ বিপজ্জনক টেংক আৰু নলা পৰিষ্কাৰ কৰাৰ ক্ষেত্ৰত হাতৰ পৰিৱৰ্তে ১০০ শতাংশ আধুনিক যান্ত্ৰিক ব্যৱস্থা বাধ্যতামূলক কৰা আৰু তেওঁলোকৰ সন্তানসকলৰ বাবে বিশেষ শিক্ষা আৰু দক্ষতা বিকাশৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। স্মাৰকপত্ৰখনত ছাত্ৰ-ছাত্ৰী আৰু যুৱ প্ৰজন্মৰ শৈক্ষিক আৰু অৰ্থনৈতিক বিকাশৰ বাবে প্ৰতিখন জিলাতে সুকীয়া অনুসূচিত জাতি ছাত্ৰাবাস নিৰ্মাণ, কাৰিকৰী শিক্ষা, কেন্দ্ৰীয় জলপানি আৰু প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে বিনামূলীয়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ দাবী জনায়। অনুসূচিত জাতিৰ নতুন উদ্যোগীসকলৰ বাবে সুকীয়া উদ্যোগ কোষ গঠন কৰি সহজ বেংক ঋণ আৰু বজাৰ সংযোগ সুনিশ্চিত কৰাৰ লগতে অনুসূচিত জাতিৰ বাবে পৃথক বাজেট, সামাজিক পৰীক্ষণ আৰু সমগ্ৰ ব্যৱস্থাৰ তদাৰক কৰিবলৈ কেন্দ্ৰীয় পৰ্যায়ত এক বিশেষ পৰ্যবেক্ষণ ব্যৱস্থা গঠনৰ আহ্বান জনায়। কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামদাস আঠৱালেয়ে স্মাৰকপত্ৰখনৰ প্ৰতিটো বিষয় গভীৰ মনোযোগেৰে গ্ৰহণ কৰে আৰু ভুৱা প্ৰমাণপত্ৰৰ প্ৰতিৰোধকে ধৰি উত্থাপিত দুৰ্নীতি আৰু সাংবিধানিক দাবীসমূহ কেন্দ্ৰীয় মন্ত্ৰালয় আৰু অসম চৰকাৰৰ সৈতে আলোচনা কৰি ফলপ্ৰসূ ব্যৱস্থা লোৱাৰ আশ্বাস প্ৰদান কৰে বুলি সঞ্জীৱ দাসে জানিবলৈ দিয়ে। ইপিনে, দ্বিতীয়খন স্মাৰকপত্ৰৰ জৰিয়তে অসমৰ অনুসূচিত জাতিৰ সৰ্বাংগীণ সামাজিক, শৈক্ষিক আৰু অৰ্থনৈতিক বিকাশৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা মুঠ ৪০০ কোটি টকাৰ এক বিশেষ অনুদানৰ দাবী উত্থাপন কৰা হয়। এই প্ৰস্তাৱিত পুঁজিৰ অধীনত অনুসূচিত জাতিৰ যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশ আৰু সংস্থাপন প্ৰকল্পৰ বাবে ৫০ কোটি টকা, ক্ষুদ্ৰ উদ্যোগ, পশুপালন, কৃষি আৰু বাণিজ্যৰ দ্বাৰা জীৱিকা সৃষ্টিৰ বাবে ১০০ কোটি টকা, মহিলা আত্মসহায়ক গোট আৰু স্বাৱলম্বনৰ বাবে ৫০ কোটি টকা, ছাত্ৰ-ছাত্ৰীৰ বাবে জিলাসমূহত সুকীয়া ছাত্ৰাবাস নিৰ্মাণ আৰু পুথিভঁৰালকে ধৰি শিক্ষামূলক আন্তঃগাঁথনি উন্নয়নৰ বাবে ১০০ কোটি টকা আৰু অনুসূচিত জাতি অধ্যুষিত অঞ্চলসমূহত বহুমুখী সম্প্ৰদায়িক কেন্দ্ৰ তথা আন্তঃগাঁথনি বিকাশৰ বাবে ১০০ কোটি টকা আৱণ্টন দিবলৈ অনুৰোধ জনায়।

'হিমন্ত-আজমল মামা-চাচা'

তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈৰ লগতে কংগ্ৰেছৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই অংশগ্ৰহণ কৰে। সন্ধিয়াৰ ভাগত অনুষ্ঠিত সভাখনত গৌৰৱ গগৈয়ে বিজেপিক তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে নিৰ্বাচন আহিলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংখ্যালঘু অধ্যুষিত অঞ্চলসমূহত নাচি-বাগি ভোট বিচাৰি ফুৰে; কিন্তু নিৰ্বাচন যোৱাৰ পিছত ধৰ্মীয় সংখ্যালঘু ভোটাৰৰ ওপৰত অত্যাচাৰ চলায় আৰু নিৰীহ মানুহৰ ঘৰ-দুৱাৰ অন্যায়ভাৱে ভাঙে। সংখ্যালঘুৰ দৰদী হ'ব খোজা হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনত জিকাৰ পিছতেই কয় যে আজান পীৰ কাল্পনিক চৰিত্ৰ আছিল আৰু মহিলাসকল সন্তান জন্ম দিয়া মেচিন। গতিকে ৰাইজে হিমন্তৰ কথাত ভোল নাযাব। ইফালে, উক্ত সভাত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে মুখ্যমন্ত্ৰীক তীব্ৰ সমালোচনা কৰি কয়, "হিমন্তৰ চলাহি কথাত আপোনালোকে নিজৰ বহুমূলীয়া ভোট নষ্ট নকৰিব। হিমন্ত বিশ্ব আৰু বদৰুদ্দিন আজমল হৈছে মামা-চাচা। নিৰ্বাচন আহিলে মামাই ভোট ভাঙিবলৈ চাচাক পথাৰত নমাই দিয়ে। এইবাৰ যদি ৰাইজে ভুল কৰে, তেন্তে অহা ১০০ বছৰ ভুগিব লাগিব আপোনালোকে।" তেওঁ লগতে কয় যে দিল্লী আৰু দিছপুৰত এতিয়া কঁপনি উঠিছে। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান ইতিমধ্যে পদত্যাগ কৰিছে আৰু চাই থাকক, চৰকাৰ হয়টো ২০২৯ নাপায় গৈ; ২০২৭ত শেষ হ'ব। অপেক্ষা কৰক। অসমতো হিমন্তৰ বেয়া দিন চলিছে। আকৌ এবাৰ মোডী চৰকাৰ বুলি গান গোৱা সীমান্ত শেখৰে আৰু নাগায়-আকৌ এবাৰ মোডী চৰকাৰ। গতিকে ৰাইজে ভয় নাখাব। সোমবাৰে এখন সভাত মুখ্যমন্ত্ৰীয়ে লাহৰীঘাটৰ বিধায়ক আচিফ নাজাৰ মহম্মদক পাগল বুলি কৈ অপমান কৰি সমগ্ৰ লাহৰীঘাটৰ ৰাইজক অপমান কৰিছে বুলি লুৰীণজ্যোতি গগৈয়ে উল্লেখ কৰে। এগৰাকী জনপ্ৰতিনিধিক কেনেদৰে ব্যৱহাৰ কৰিব লাগে, সেই সৌজন্যখিনিও হিমন্ত বিশ্ব শৰ্মাৰ নাই বুলি তেওঁ মন্তব্য কৰে। আজিৰ সভাত বিৰোধী দলপতি ৰাজেদ আলী চৌধুৰী, বিধায়ক ৰেকিবুদ্দিন আহমেদ, লাহৰীঘাটৰ বিধায়ক আচিফ নাজাৰ মহম্মদ আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থী শিৰামণি বৰা উপস্থিত থাকে।

শাসকীয় দলে একনায়কত্ববাদ চলাই

বুলি তেওঁ ক্ষোভ প্ৰকাশ কৰে। ইফালে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰকিবুল হুছেইনে পুৱাই 'বিৰিয়ানি' খায় বুলি কৰা মন্তব্যৰ তীব্ৰ প্ৰত্যুত্তৰ দিয়ে সাংসদগৰাকীয়ে। ৰকিবুল হুছেইনে কটাক্ষ কৰি কয়, বিৰিয়ানিটো পাহৰি 'পোলাও' বুলি ক'লে। তেওঁ লগতে কয় যে মুখ্যমন্ত্ৰীক যদি সৃষ্টিকৰ্তাই 'কাটা বিস্কুট' খুৱাই জন্ম দিছে, তাত ৰকিবুল হুছেইনক দোষ দি কোনো লাভ নাই। এইদৰে তীব্ৰ বাক্যবাণেৰে সাংসদ ৰকিবুল হুছেইনে মুখ্যমন্ত্ৰী আৰু বিজেপি দলক উভতি ধৰাত ৰাজ্যৰ ৰাজনৈতিক মহলত পুনৰ এক উত্তপ্ত পৰিৱেশৰ সৃষ্টি হৈছে।

মহিলাৰ ৪×৪০০ মিটাৰ ৰিলেত ভাৰতৰ

বেষ্ট সময়েৰে তৃতীয় স্থান দখল কৰে। ভাৰতৰ পূজা সিঙে মহিলাৰ হাই জাম্পত ১.৮৪ মিটাৰ উচ্চতালৈ জঁপিয়াই ব্ৰঞ্জৰ পদক লাভ কৰে। তেওঁৰ এই প্ৰদৰ্শন ব্যক্তিগত শ্ৰেষ্ঠ প্ৰদৰ্শনতকৈ যথেষ্ট কম আছিল যদিও এছিয়ান গেমছত পদক লাভ কৰিবলৈ সেয়া যথেষ্ট আছিল। আনহাতে, গুলভীৰ সিঙে পুৰুষৰ ৫০০০ মিটাৰ দৌৰত ১৩.৩২.৭৫ মিনিট সময়েৰে ব্ৰঞ্জৰ পদক লাভ কৰে। ইয়াৰ জৰিয়তে জাপানত চলি থকা এই এছিয়ান গেমছত গুলভীৰে একেৰাহে তৃতীয়টো পদক লাভ কৰি প'ডিয়াম ফিনিছৰ হেট্ৰিক সম্পূৰ্ণ কৰে। মঙলবাৰে ভাৰতে শুটিং আৰু এথলেটিকছত সোণৰ পদকসহ মুঠ ৮টা পদক লাভ কৰে। ইয়াৰ ফলত এছিয়ান গেমছত ভাৰতৰ মুঠ পদকৰ সংখ্যা ৫৩লৈ বৃদ্ধি পায়।

অৰুণাচলৰ ভাৰত-ম্যানমাৰ সীমান্তৰ

মতে, আজি পুৱা প্ৰায় ৬.৩০ বজাত নামপং চক্ৰৰ অন্তৰ্গত নামপং নাল্লাৰ সমীপত চৰ আছাম ৰাইফলছৰ জোৱানসকলে ভাৰত-ম্যানমাৰ সীমান্ত বেৰৰ কাম চলি থকা এলেকাত নিৰাপত্তাৰ দিশ পৰীক্ষা চলাই থকা সময়তে এই ভয়ংকৰ ঘটনাটো সংঘটিত হয়। সূত্ৰ অনুসৰি, ১৭২ নম্বৰ সীমান্তৰ স্তম্ভৰ ওচৰত অসম ৰাইফলছৰ এটা টহলদাৰী দলে এলেকাটো পৰিদৰ্শন কৰি আছিল। সেই সময়ত আনকি চলি থকা সীমান্ত বেৰ নিৰ্মাণৰ আশে-পাশে আছাম ৰাইফলছৰ জোৱানে নিৰাপত্তা প্ৰদান কৰি আছিল। টহলদাৰী দলটোৱে নিৰ্মাণ এলেকাটোৰ চাৰিওফালে নিয়মীয়াকৈ নিৰাপত্তা পৰীক্ষা কৰিবলৈ যাওঁতেই এই আক্ৰমণৰ বলি হয়। আহত চাৰিজন জোৱানক উন্নত চিকিৎসাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। আনহাতে এই ঘটনাৰ পিছতে নিৰাপত্তা বাহিনীয়ে অঞ্চলটোত উগ্ৰপন্থীক বিচাৰি অভিযান তীব্ৰতৰ কৰি তুলিছে। প্ৰাথমিক প্ৰতিবেদনত এন এছ চি এন (কে- ৱাই এ) ফৈদৰ অন্তৰ্গত কেডাৰসকলৰ দ্বাৰাই এই ঘটনা সংঘটিত হোৱা বুলি নিশ্চিত হৈছে। আক্ৰমণৰ পিছতে নিৰাপত্তা বাহিনীয়ে আশে-পাশে থকা অঞ্চলত উগ্ৰপন্থী সদস্যক বিচাৰি উলিয়াবলৈ আৰু সীমান্তৱৰ্তী অঞ্চলটো সুৰক্ষিত কৰিবলৈ ব্যাপক অভিযান চলায়। এই ঘটনাই ভাৰত-ম্যানমাৰ সীমান্তৰ চাংলাঙত নিৰাপত্তাজনিত প্ৰত্যাহ্বানৰ প্ৰতিও এক প্ৰশ্নৰ উদয় হৈছে। উক্ত অঞ্চলটোত ঐতিহাসিকভাৱে বিদ্ৰোহীৰ কাৰ্যকলাপ আৰু সীমা অতিক্ৰম কৰি চলাচল-নিৰাপত্তাৰ ক্ষেত্ৰত সদায় এক চিন্তাৰ বিষয় হৈ আহিছে। স্মৰ্তব্য যে, কটকটীয়া নিৰাপত্তাৰ মাজেৰে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ চাংলাং আৰু লংডিং জিলাত আৰম্ভ হৈছে ভাৰত-ম্যানমাৰ সীমান্তৰ ফেন্সিং বেৰ নিৰ্মাণৰ কাম। ২০২৪ চনত কেন্দ্ৰীয় গৃহ পৰিক্ৰমা মন্ত্ৰণালয়ে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায় ১, ৬৪৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ ভাৰত-ম্যানমাৰ সীমান্তত ফেন্সিং বেৰ দিয়াৰ এক অভিলাষী আঁচনি গ্ৰহণ কৰাত মণিপুৰ, নাগালেণ্ড, মিজোৰাম আদি ৰাজ্যৰ স্থানীয় জনগোষ্ঠীয়ে এই পদক্ষেপৰ তীব্ৰ বিৰোধিতা কৰিছিল যদিও যোৱা বছৰৰ পৰা অৰুণাচল প্ৰদেশৰ চাংলাং আৰু লংডিং জিলাত এই কাম আৰম্ভ হয়। সম্প্ৰতি উক্ত জিলা দুখনত ক্ৰমাগতভাৱে আগবাঢ়িছে এই কাম। সীমান্ত পথ সংগঠন, চমুকৈ বি আৰ অ'ই এই প্ৰকল্পটোৰ কাম সুকলমে আগবঢ়াই নিছে। চাংলাং জিলাত প্ৰথম পৰ্যায়ৰ প্ৰকল্পৰ অধীনত পৰিকল্পিত ৭.৩ কিলোমিটাৰ পথৰ ভিতৰত ইতিমধ্যে ৪.১৪ কিলোমিটাৰ বেৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। পাংছাউ পাছ এলেকাৰ চাৰিওফালে এই পাইলট প্ৰজেক্টটো সুচাৰুৰূপে আগবাঢ়িছে। উল্লেখ্য যে, এই চাংলাং জিলাখনে ম্যানমাৰৰ সৈতে আটাইতকৈ দীঘলীয়া আন্তঃৰাষ্ট্ৰীয় সীমা ভাগ-বতৰা কৰিছে। এই প্ৰকল্পটো ৰূপায়ণৰ ক্ষেত্ৰত সংস্থাটোৱে কিছু প্ৰত্যাহ্বানৰো সন্মুখীন হৈ আহিছে বিগত সময়ত। চলিত বৰ্ষৰ মাৰ্চ মাহত চাংলাং জিলাৰ ভাৰত-ম্যানমাৰ সীমান্তত ফেন্সিং বেৰৰ কামত নিয়োজিত এটা দলক সন্দেহযুক্ত উগ্ৰপন্থীয়ে গুলীচালনা কৰাৰ ফলত এজন আছাম ৰাইফলছৰ জোৱান আহত হৈছিল। এন এছ চি এন (কে-ৱা)ৰ সদস্যসকলে ফেঞ্চিং প্ৰকল্পত কাম কৰা দলটোক আক্ৰমণ কৰিছিল। উক্ত ঘটনাৰ পিছৰ পৰাই জিলাখনৰ ভাৰত-ম্যানমাৰ সীমান্তত পহৰা দিয়া আছাম ৰাইফলছে এই প্ৰকল্পৰ সৈতে জড়িত শ্ৰমিকসকলক নিৰাপত্তাৰ আৱৰণ প্ৰদান কৰি আছে। উল্লেখযোগ্য যে, ভাৰতে ম্যানমাৰৰ সৈতে প্ৰায় ১, ৬৪৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমান্ত ভাগ কৰে যিখিনি অৰুণাচল প্ৰদেশ (৫২০ কিলোমিটাৰ), নাগালেণ্ড (২১৫ কিলোমিটাৰ), মণিপুৰ (৩৯৮ কিলোমিটাৰ) আৰু মিজোৰাম (৫১০ কিলোমিটাৰ) ৰাজ্যৰ মাজেৰে পাৰ হৈ যায়। এই এলেকাত উগ্ৰপন্থীৰ কাৰ্যকলাপ যথেষ্ট পৰিমাণে বেছি। এই ১, ৬৪৩ কিলোমিটাৰ জোৰা এক সুদীৰ্ঘ ভাৰত-ম্যানমাৰ সীমান্ত পূৰ্বতে মুক্ত আন্দোলন শাসন অৰ্থাৎ এফ এম আৰ (Free Movement Rule)ৰ অধীনত পৰিচালিত হৈছিল। ২০১৮ চনত আৰম্ভ কৰা এই এফ এম আৰ নীতি ভাৰতৰ এক্ট ইষ্ট নীতিৰ এক উপাদান আছিল। ইয়াৰ দ্বাৰা ভাৰত-ম্যানমাৰ সীমান্তৰ ওচৰত বাস কৰা ব্যক্তিসকলক ভিছা অবিহনে ইজনে সিজনৰ অঞ্চললৈ ১৬ কিলোমিটাৰ পৰ্যন্ত যাবলৈ অনুমতি আছিল। গুৰুত্বপূৰ্ণ কথা এয়ে যে উত্তৰ-পূৰ্বাঞ্চলৰ বিদ্ৰোহী সংগঠন (Extremist group of North East) ক্ৰমে - এন এছ চি এন, আলফা আৰু পি এল এৰ তিনিটা প্ৰধান গোটৰ শিবিৰ ভাৰত-ম্যানমাৰ সীমান্তৰ সিপাৰে আছে, য'ৰ পৰা গোটসমূহে নিজৰ স্থিতি নিশ্চিত কৰিবলৈ বিভিন্ন কাম-কাজত লিপ্ত হয়। এই গোটসমূহে বিভিন্ন সময়ত চলাই আহিছে ধন সংগ্ৰহৰ এক ৰেকেট। ভাৰত-ম্যানমাৰ সীমান্তৰ সিপাৰে থকা সামৰিক শিবিৰসমূহত নেতৃত্বৰ লগতে কেডাৰসকলেও তেওঁলোকৰ উপস্থিতি বজাই ৰাখে কেৱল ৰাজহ সংগ্ৰহৰ লক্ষ্যৰে। চাংলাং আৰু লংডিং জিলাত আৰম্ভ হোৱা ভাৰত-ম্যানমাৰ সীমান্তৰ ফেন্সিং বেৰ নিৰ্মাণৰ ফলত ভাৰত-ম্যানমাৰ সীমান্তত বিদ্ৰোহী গোটৰ কাৰ্যকলাপ কিছু ৰোধ হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে।

এই নিৰ্বাচন চৰকাৰ সলনি কৰাৰ নহয়

বৰিবজাৰ খেলপথাৰত অনুষ্ঠিত এক বিশাল নিৰ্বাচনী সমাবেশত অংশগ্ৰহণ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ৯ নং নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ সমৰ্থনত এই জনসভা আয়োজন কৰা হয়। সমাবেশত ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, ভাৰতীয় জনতা পাৰ্টী অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী পিযুষ হাজৰিকা, কেশৱ মহন্ত, নিলীমা দেৱী, দিছপুৰ সমষ্টিৰ বিধায়ক প্ৰদ্যুৎ বৰদলৈ, নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা আৰু নগাঁও বিজেপিৰ ভাৰপ্ৰাপ্ত সভাপতি সুবৰ্ণ সিং উপস্থিত থাকে। সমাবেশৰ আৰম্ভণিতে বিধায়ক প্ৰদ্যুৎ বৰদলৈয়ে ভাষণ দিয়ে; তাৰ পাছত সভাপতি দিলীপ শইকীয়া, কেশৱ মহন্ত আৰু বিধায়ক ৰূপক শৰ্মায়ো ভাষণ প্ৰদান কৰে। এই সভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভাষণ প্ৰদান কৰি কয় যে এই নিৰ্বাচন দিছপুৰৰ চৰকাৰ সলনি কৰাৰ নিৰ্বাচন নহয়, চৰকাৰখনক অধিক শক্তিশালী কৰাৰহে নিৰ্বাচন। নিৰ্বাচনৰ পিছতো দিছপুৰত 'মামা'ই মুখ্যমন্ত্ৰী হৈ থাকিব আৰু দিল্লীত মোডী ডাঙৰীয়াই প্ৰধানমন্ত্ৰী হৈ থাকিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে AIUDF পাম্প নথকা ফুটবলৰ দৰে; কংগ্ৰেছক ভোট দি কোনো লাভ নাই। নগাঁৱত বিজেপি জয়ী হ'ব। প্ৰচাৰ চলাই আত্মবিশ্বাসী হৈ থকা আজমলক জিৰণি ল'বলৈও মুখ্যমন্ত্ৰীগৰাকীয়ে পৰামৰ্শ দিয়ে। তেওঁ কয় যে বিজেপিক ভোট দিলে মহিলাই অৰুণোদয়ৰ ধন পাব আৰু মহিলা উদ্যমিতাৰ ধনো পাব। শিৱামণি বৰা বিধায়ক আছিল; বিধায়ক হিচাপে তেওঁ কি কৰিছিল বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰশ্ন তোলে। ৰহাৰ ৰজ্জ হাজাৰ মহিলাই নতুনকৈ অৰুণোদয় আঁচনিৰ সুবিধা পাব। ৰাজ্যৰ প্ৰতিটো সমষ্টিত মহিলাৰ বাবে বজাৰ নিৰ্মাণ কৰা হ'ব। ৰাজ্য চৰকাৰে এখন বজাৰৰ বাবে ৫ কোটি টকা ব্যয় কৰিব। জাগীৰোডৰ দৰেই ৰহাতো ডাঙৰ উদ্যোগ হ'ব। আনহাতে, মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে জাজৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ক মডেল স্কুললৈ উন্নীত কৰা হ'ব। আইলক্ষ্মী থান আৰু কৰচোং সত্ৰৰ ব্যাপক উন্নয়ন কৰা হ'ব। বটদ্ৰৱা থানৰ কৃত্ৰিম বানপানী নিষ্কাশনৰ স্থায়ী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। নগাঁও বিশ্ববিদ্যালয়ৰ উন্নয়ন আৰু ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ সন্মুখত এখন উৰণীয়া সেতু আদি কাম দুবছৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ কথা তেওঁ কয়। লগতে মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে দুৰ্গা পূজাৰ সময়ত 'অৰুণোদয়' আঁচনিৰ ধন ১২৫০ টকাৰ সলনি ১৫০০ টকালৈ বৃদ্ধি কৰা হ'ব। ৰেচন কাৰ্ডৰ সুলভ মূল্যৰ দালি-চেনিৰ পেকেটত ১০৫ টকা লিখা থাকিলেও ৰাইজে মাত্ৰ ১০০ টকাহে দিব লাগিব। অতি সোনকালে সুলভ মূল্যত মিঠাতেলো প্ৰদান কৰা হ'ব। প্ৰতিটো উন্নয়ন খণ্ডত ৫ কোটি টকা বিনিয়োগ কৰি 'মহিলা বজাৰ' নিৰ্মাণ কৰা হ'ব। তেওঁ আৰু কয় যে গ্ৰামাঞ্চলত মহিলাসকলৰ বাবে দুগ্ধ সমবায় সমিতি গঠন কৰা হ'ব আৰু চৰকাৰে নিজে গাই গৰু প্ৰদান কৰি তাৰ খৰচ বহন কৰিব। নগাঁও-বটদ্ৰৱা সমষ্টিত ADRE চাকৰি আৰু মেডিকেলৰ শিক্ষাৰ্থীৰ বাবে বিনামূলীয়া কোচিং চেণ্টাৰ মুকলি কৰা হ'ব। সমষ্টিৰ প্ৰতিটো অঞ্চলত সৰ্বাংগ সুন্দৰ প্ৰেক্ষাগৃহ আৰু উন্নতমানৰ খেলপথাৰ নিৰ্মাণ কৰা হ'ব। শেষত মুখ্যমন্ত্ৰীগৰাকীয়ে নগাঁৱৰ আসনখন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক উপহাৰ দিয়াৰ আহ্বান জনায় আৰু কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি ভাষণ সামৰে।

সপ্তম শতিকাৰ পৰাই ভাৰতীয়

ব্যৱস্থাই খাদ্য যোগান ধৰা উৰ্বৰ সমভূমিৰ কৃষিজাত উৎপাদনে জনসাধাৰণৰ অৰ্থনৈতিক মংগলত অৰিহণা যোগাইছিল। লগতে এই সমভূমিসমূহ আক্ৰমণৰ এটা প্ৰধান কাৰণ হৈ পৰিছিল। পাঠ্যপুথিখনৰ 'প্ৰতিৰোধ আৰু স্থিতিস্থাপকতা' (Resistance and Resilience) শীৰ্ষক অধ্যায়টোত ভাৰতীয় শাসক আৰু সম্প্ৰদায়সমূহে কেতিয়া আৰু কেনেকৈ আৰব, তুৰ্কী, মোগল তথা ইউৰোপীয় শক্তিৰ বিৰুদ্ধে প্ৰতিৰোধ গঢ়ি তুলিছিল, সেই বিষয়ে তথ্য প্ৰদান কৰা হৈছে। পাঠ্যপুথিত লিখা আছে, "সপ্তম শতিকাৰ মাজভাগৰ পৰাই আৰব বাহিনীয়ে সাগৰ আৰু স্থলপথেৰে আক্ৰমণ আৰম্ভ কৰিছিল। এই প্ৰাৰম্ভিক আক্ৰমণকাৰীসকলে সমগ্ৰ ডেকান, মালৱা, কাশ্মীৰ আৰু ৰাজস্থানত ভাৰতীয় শাসকসকলৰ মুখামুখি হ'ব লগা হৈছিল আৰু তেওঁলোকৰ দ্বাৰা প্ৰতিহত হৈছিল। গজনীৰ চুলতান মাহমুদে ১০০১ চনত হিন্দু শাহী বংশৰ জয়াপালৰ বিৰুদ্ধে প্ৰথম আক্ৰমণ আৰম্ভ কৰিছিল।" অধ্যায়টোত লগতে উল্লেখ আছে যে একাদশ আৰু দ্বাদশ শতিকাৰ সময়ছোৱাত উত্তৰ আৰু পশ্চিম ভাৰতে তুৰ্কী আক্ৰমণৰ বোজা বহন কৰিছিল। আনহাতে, উপদ্বীপীয় ভাৰত তুৰ্কী নিয়ন্ত্ৰণৰ পৰা মুক্ত হৈ আছিল। মোগল সাম্ৰাজ্যৰ বিৰুদ্ধে জাঁটসকলৰ প্ৰতিৰোধৰ বিষয়েও পাঠ্যপুথিখনত বিশদভাৱে উল্লেখ কৰা হৈছে। গংগা-যমুনা উপকূলত বাস কৰা এই সম্প্ৰদায়টোৱে বিপুল পৰিমাণৰ কৰ আৰু শোষণৰ সন্মুখীন হৈছিল। ১৬৬৯ চনত গকুল জাঁটৰ নেতৃত্বত তেওঁলোকে বিদ্ৰোহ কৰিছিল। ঔৰংজেৱৰ ধৰ্মীয় নীতিৰ লগতে অৰ্থনৈতিক দুৰ্দশাৰ ফলত জাঁটসকলৰ মাজত ক্ষোভ বাঢ়ি আহিছিল। বিদ্ৰোহ দমন কৰিবলৈ মোগল বাহিনীয়ে কেইবামাহো সংগ্ৰাম কৰিছিল যদিও জাঁটসকলে নিজৰ প্ৰতিৰোধ অব্যাহত ৰাখিছিল। পাঠ্যপুথিখনত শিখসকলৰ প্ৰতিৰোধ আৰু গুৰু অৰ্জন দেৱ তথা গুৰু টেগ বাহাদুৰৰ শ্বহীদত্বৰ বিষয়েও অধিক বিশদভাৱে উল্লেখ কৰা হৈছে। ইয়াত সপ্তদশ শতিকাৰ আৰম্ভণিৰ পৰা শিখ সম্প্ৰদায়ৰ ক্ৰমবৰ্ধিত সামাজিক-সাংস্কৃতিক প্ৰভাৱৰ বাবে মোগল ৰাষ্ট্ৰই তেওঁলোকৰ বিষয়ত হস্তক্ষেপ বৃদ্ধি কৰাৰ ব্যাখ্যা দিয়া হৈছে। এই অধ্যায়টোত ১৫৮২ চনত উদয়পুৰৰ সমীপৰ দেৱাইৰৰ যুদ্ধ আৰু ১৬৭১ চনত শৰাইঘাটৰ যুদ্ধকে ধৰি অসমত আহোমৰ প্ৰতিৰোধৰ তথ্যও প্ৰদান কৰা হৈছে। পাঠ্যপুথিখনত কোৱা হৈছে, "প্ৰতিৰোধ আৰু স্থিতিস্থাপকতা ওতপ্ৰোতভাৱে জড়িত। স্থিতিস্থাপকতা হৈছে প্ৰতিৰোধৰ মেৰুদণ্ড। কোনো ৰাজনৈতিক কাৰণ বা নেতৃত্বই প্ৰতিৰোধৰ চৰ্ত প্ৰদান কৰে যদিও সহ্য কৰাৰ ক্ষমতা স্থিতিস্থাপকতাৰ পৰাই আহে। প্ৰতিৰোধ আৰু স্থিতিস্থাপকতাই একেলগে বিভিন্ন বয়সৰ মাজেৰে, বিশেষকৈ অধ্যয়ন কৰা সময়ছোৱাৰ মাজেৰে ভাৰতীয় সমাজে নিজকে কেনেকৈ টিকাই ৰাখিছিল, সেই কথা বুজিবলৈ সহায় কৰে।" ইয়াৰ লগতে পাঠ্যপুথিখনত কোৱা হৈছে, "এই সময়ছোৱা কেৱল আক্ৰমণ আৰু প্ৰতিৰোধৰ কাহিনী নহয়; ই সংঘাত আৰু সহযোগিতা দুয়োটাৰে বৈশিষ্ট্যৰে ভৰা।"

জামিন লাভ জুবিন গাৰ্গৰ দুই

জুবিনৰ দুই দেহৰক্ষী পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাক আটক কৰা হৈছিল। এই গোচৰত তদন্তকাৰী আৰক্ষীৰ ভুলৰ বাবেই দুয়োগৰাকীক আটক কৰা হৈছিল বুলি আদালতে উল্লেখ কৰে। যদিও তেওঁলোকে জামিন লাভ কৰিছে, জুবিন গাৰ্গৰ মৃত্যুৰ মূল গোচৰটোত এতিয়াও পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাই জামিন পোৱা নাই। সেয়ে তেওঁলোকে এতিয়াও মুকলি আকাশৰ তললৈ ওলাই আহিব নোৱাৰে। শেহতীয়াকৈ জুবিন গাৰ্গ ঘটনাৰ প্ৰথমটো গোচৰত জামিন পোৱা দুয়োজন অসম আৰক্ষীৰ বিশেষ শাখাৰ কৰ্মচাৰী আছিল। তেওঁলোক হৈছে হেড কনিষ্টবল পৰেশ বৈশ্য আৰু কনিষ্টবল নন্দেশ্বৰ বৰা। দুয়োগৰাকীয়ে দীৰ্ঘদিন ধৰি জুবিন গাৰ্গৰ পিএছঅ' হিচাপে কৰ্মৰত আছিল। উল্লেখ্য, বিগত বৰ্ষৰ ১০ অক্টোবৰত জুবিন গাৰ্গৰ দুই দেহৰক্ষী পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাক গ্ৰেপ্তাৰ কৰা হৈছিল। জেৰা চলোৱাৰ সময়ত এছআইটিয়ে দুয়োগৰাকী দেহৰক্ষীৰ একাউণ্টত বৃহৎ পৰিমাণৰ ধনৰ লেনদেনৰ তথ্য লাভ কৰিছিল। এই তথ্যৰ ভিত্তিত ১০ অক্টোবৰত তেওঁলোকক গ্ৰেপ্তাৰ কৰি জেৰা চলোৱাৰ অন্তত ৰপ্ত অক্টোবৰত বাক্সা জিলাত নৱনিৰ্মিত কাৰাগাৰলৈ ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হৈছিল। তদন্তৰ প্ৰক্ৰিয়াত দুই দেহৰক্ষীয়ে জুবিন গাৰ্গৰ আৰ্থিক লেনদেন কৰাৰ কথা এছআইটিয়ে আনুষ্ঠানিকভাৱে লাভ কৰাৰ পিছত যোৱা ৭ অক্টোবৰত তেওঁলোকক নিলম্বন কৰা হৈছিল। জীৱিতকালত জুবিন গাৰ্গে সৰহভাগ সময় নিজ হাতে ধনৰ লেনদেন নকৰিছিল। কেইবাটাও সাক্ষাৎকাৰত তেওঁ উল্লেখ কৰিছিল যে দুই দেহৰক্ষীৰ জৰিয়তে তেওঁৰ ওচৰলৈ বিপদত সহায় বিচাৰি অহা লোকক দৈনিক 50/60 হাজাৰ টকাকৈ সহায় কৰা হৈছিল। গ্ৰেপ্তাৰ হোৱা নন্দেশ্বৰ বৰাৰ একাউণ্টত মুঠ ৭৫ লাখ টকাৰ লেনদেন হোৱাৰ বিপৰীতে পৰেশ বৈশ্যৰ একাউণ্টত ৪৫ লাখ টকাৰ লেনদেনৰ তথ্য এছআইটিয়ে লাভ কৰিছিল। এই ঘটনাৰ পটভূমিত জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্য আৰু তদন্তৰ গতিপ্ৰকৃতি লৈ ৰাজ্যজুৰি চলি থকা আলোচনা আৰু অধিক তীব্ৰ হৈ পৰিছে।

হোমষ্টে-ল'জৰ প্ৰতিটো কোঠাত

দিয়ে। আৰক্ষী প্ৰশাসনৰ এই কঠোৰ পদক্ষেপে হোমষ্টে আৰু ল'জসমূহত হোৱা অনিয়ম, অপৰাধমূলক কাৰ্যকলাপ আৰু অসামাজিক ঘটনা ৰোধ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

জ্ঞানেশ কুমাৰৰ একপক্ষীয়

সিদ্ধান্ত সৰ্বসন্মতিক্ৰমে বা সংখ্যাগৰিষ্ঠতাৰে গ্ৰহণ কৰা হয়। সেই কাৰণেই তেওঁলোকে এই বিষয়ত তাৎক্ষণিক শুনানি বিচাৰিছে। জ্যেষ্ঠ অধিবক্তাগৰাকীৰ মতে, নিৰ্বাচন আয়োগে কেনেদৰে কাম কৰি আছে সেয়া লক্ষ্য কৰিলে এটা কথা স্পষ্ট হয় - সমগ্ৰ এছআইআৰ প্ৰক্ৰিয়াৰ বাবে নিৰ্বাচন আয়োগৰ সিদ্ধান্ত লোৱা হৈছিল নে নাই, সেই সন্দৰ্ভত গুৰুতৰ সন্দেহ আছে। যদি আয়োগে সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰা নাই, তেন্তে আদালতৰ আগত যি তথ্য আছে সেয়া আয়োগৰ সামূহিক সিদ্ধান্ত বুলি ধৰি লোৱাটোৱে প্ৰশ্নৰ সৃষ্টি কৰে। তেওঁ কেৱল এই অনুৰোধ কৰিছে যে বিষয়টোৰ গুৰুত্ব বিবেচনা কৰি আদালতে হস্তক্ষেপ কৰক। উল্লেখ্য, মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ অধীনত লোৱা অভ্যন্তৰীণ সিদ্ধান্ত সন্দৰ্ভত ১০ মাহৰ ভিতৰত দুজন নিৰ্বাচন আয়ুক্তই কমেও ১৪ বাৰ আনুষ্ঠানিক আপত্তি দাখিল কৰা বুলি প্ৰকাশ পোৱাৰ কিছুদিনৰ পিছতে উচ্চতম ন্যায়ালয়ত এই আবেদন দাখিল কৰা হৈছে। তেওঁলোকে প্ৰ-পত্ৰ ছ শচভোটাৰ পঞ্জীয়ন প্ৰ-পত্ৰগত কৰা পৰিৱৰ্তন আৰু দিল্লীত নিৰ্বাচনী তালিকাৰ ছফ্‌টৱেৰ কেন্দ্ৰীভূতকৰণক লৈও উদ্বেগ প্ৰকাশ কৰিছে। আনহাতে, এই প্ৰতিবেদন প্ৰকাশ পোৱাৰ পিছত ভাৰতৰ নিৰ্বাচন আয়োগে দিয়া এক বিবৃতিত কয় যে সকলো মূল সিদ্ধান্ততে তিনিওজন সদস্যৰ সৰ্বসন্মতিক্ৰমে অনুমোদন পোৱা গৈছে। অভ্যন্তৰীণ টোকাসমূহক আয়োগে স্বাভাৱিক আলোচনা বুলি অভিহিত কৰিছে। উচ্চতম ন্যায়ালয়ৰ কাৰ্যবিধি সম্পৰ্কে অৱগত এগৰাকী অধিবক্তাৰ মতে, আদালতে অহা সপ্তাহত শুনানিৰ বাবে বিষয়টো তালিকাভুক্ত কৰিবলৈ সন্মতি জনাইছে। আবেদনখনত জ্ঞানেশ কুমাৰক এই বিষয়ে স্পষ্ট কৰিবলৈ নিৰ্দেশ দিবলৈ অনুৰোধ কৰা হৈছে যে তেওঁ কি অধিকাৰৰ ভিত্তিত এককভাৱে কাম কৰি আছে আৰু কৰি থাকিব। সংবিধানৰ ৩২৪ অনুচ্ছেদৰ অধীনত নিৰ্বাচন আয়োগক সামূহিকভাৱে সিদ্ধান্ত গ্ৰহণৰ যি ক্ষমতা প্ৰদান কৰা হৈছে, তাক তেওঁ অকলে প্ৰয়োগ কৰিব পাৰে নেকি - সেয়াই প্ৰশ্ন। ৩২৪/৩) অনুচ্ছেদত তেওঁক কেৱল আয়োগৰ অধ্যক্ষ হিচাপেহে গণ্য কৰা হৈছে আৰু আয়োগৰ সামূহিক ক্ষমতাৰ ওপৰত তেওঁৰ কোনো ব্যক্তিগত অধিকাৰ নাই। আবেদনখনত কোৱা হৈছে যে (৩২৪/১) অনুচ্ছেদে নিৰ্বাচনী তালিকা প্ৰস্তুত কৰা আৰু নিৰ্বাচন পৰিচালনাৰ অধ্যক্ষতা, নিৰ্দেশনা আৰু নিয়ন্ত্ৰণ "এটা নিৰ্বাচন আয়োগ"ৰ ওপৰত ন্যস্ত কৰিছে; এই ক্ষমতা মুখ্য নিৰ্বাচন আয়ুক্তৰ কাৰ্যালয়ত নিহিত নহয়। আবেদনখনত লগতে কোৱা হৈছে, প্ৰ-পত্ৰ-৬ 'ভোটাৰ পঞ্জীয়ন নিয়ম, ১৯৬০'ৰ অধীনত নিৰ্ধাৰণ কৰা হৈছে। যদি ২০২৬ চনৰ ১৬ মে'ত আয়ুক্ত বিবেক যোশী আৰু ২০২৬ চনৰ ১৯ মে'ত আয়ুক্ত সুখবীৰ সিং সান্ধুৰ ৰেকৰ্ড অনুসৰি, এছআইআৰৰ সৈতে জড়িত এনে এক বিষয় প্ৰ-পত্ৰ-ছত সংযোগ কৰিবৰ বাবে নিয়ম সংশোধনীৰ প্ৰয়োজন হৈছিল, তেন্তে সেই পৰিৱৰ্তন অবিহনে প্ৰয়োজনীয়তা প্ৰৱৰ্তনৰ আইনী ভিত্তি কি - সেয়া নিৰ্ণয় কৰাটো প্ৰয়োজনীয়। আবেদনখনত আৰু কোৱা হৈছে যে যোশী আৰু সান্ধুৰ নিৰন্তৰ, সমসাময়িক আৰু ৰেকৰ্ডত থকা মতানৈক্য সত্ত্বেও কুমাৰে কাৰ্যভাৰ অব্যাহত ৰখা, আৰু সেই সময়ছোৱাত অনুষ্ঠিত হোৱা প্ৰতিটো নিৰ্বাচনী প্ৰক্ৰিয়া তথা নিৰ্বাচনৰ নিৰপেক্ষতাক লৈ গুৰুতৰ সন্দেহৰ সৃষ্টি হৈছে। বিশেষকৈ নিবিড় সংশোধনৰ ক্ষেত্ৰত এই সন্দেহ আৰু অধিক গুৰুতৰ। আবেদনখনত দাবী কৰা হৈছে যে এছআইআৰ সম্পৰ্কে উচ্চতম ন্যায়ালয়ৰ নিজা আদেশসমূহ এই ধাৰণাৰে আগবাঢ়িছিল যে এই প্ৰক্ৰিয়া কেৱল কুমাৰৰ অনুৰোধত নহয়, নিৰ্বাচন আয়োগৰ দ্বাৰা আৰু তেওঁলোকৰ হৈ এক সামূহিক সংস্থা হিচাপে গ্ৰহণ কৰা হৈছিল। সেয়ে এই বিষয়টোৱে অধিক গুৰুত্ব লাভ কৰিছে।

মই এটা ফুঃ মাৰিলেই দেবাশিষ

লাহৰীঘাট বিধান সভা সমষ্টিৰ বৰচাপৰিত অনুষ্ঠিত এ আই ইউ ডি এফৰ এখন বৃহৎ নিৰ্বাচনী সভাত এই মন্তব্য কৰে এ আই ইউ ডি এফ প্ৰধান বদৰ উদ্দিন আজমলে। আগন্তুক নগাঁও লোক সভাৰ উপনিৰ্বাচনত ৭৫ শতাংশ ভোটেই আজমলে লাভ কৰিব বুলি দাবী কৰে। চুটি ভাষণেৰে ইখনৰ পিছত সিখন সভা সম্বোধন কৰা আজমলে বৰচাপৰিত প্ৰায় ৬ - ৭ সহস্ৰাধিক সংখ্যালঘু ভোটাৰক সাৱধান কৰি কয়- কাৰো ভয় ভাবুকিত ভুল নাজাব। কেৱল তালাচাবিত ভোট দিব। বয়সৰ ওচৰত হাৰ নমনা আজমলক নগাঁও লোকসভাৰ উপ - নিৰ্বাচনে যেন যৌৱন ঘূৰাই দিছে। কংগ্ৰেছ বিজেপিৰ ষ্টাৰ কেম্পেইনাৰৰ পৰিবৰ্তে বদৰ উদ্দিনে নিজেই প্ৰাৰ্থী নিজেই হৈ পৰিছে ষ্টাৰ কেম্পেইনাৰ। শিবামনিৰ পৰিবৰ্তে তেওঁ গৌৰৱ গগৈকহে আক্ৰমণৰ লক্ষ্য কৰি লয়। সংখ্যালঘুৰ শিক্ষা আৰু উন্নয়নৰ স্বাৰ্থত তেওঁক ভোট দিবলৈ আহ্বান জনাই আজমলে। আজমলে কয় সংখ্যালঘু জনতাৰ বাবে চৰকাৰৰ ওচৰত কোনে দাবী কৰি আহিছে। এন আৰ চি, ডি ভোটাৰ, ডিটেনচন কেম্প আদি সমস্যাৰ বাবে কংগ্ৰেছে কেতিয়াবা মাত দিছে নেকি। হিমন্তই কামিহাড় ভাঙিম বুলি সংখ্যালঘুক ভাবুকি দিয়াৰ সময়ত উত্তৰ দিছিল কোনে। গতিকে হে ন-জোৱান আগন্তুক নগাঁও লোকসভাৰ উপনিৰ্বাচনত এইবোৰৰ উচিত প্ৰত্যুত্তৰ দিবলৈ সাজু হওক। এইটো আমাৰ সমষ্টি। ইয়াত ভোটাৰ বোৰৰ ৯০ শতাংশ মুছলমান। তেন্তে ইয়াত কিয় তেওঁলোকৰ প্ৰাৰ্থীয়ে ভোট বিছাৰে। তদুপৰি তেওঁ কয়, এই নিৰ্বাচনত উচিত জবাব দিব লাগিব কংগ্ৰেছক। ধুবুৰিৰ ১০ লাখ ভোটত মোক পৰাজিত কৰাৰ জবাব দিব পাৰিবনে নাই। আজমলৰ ভাষণত ভোটাৰসকল আবেগ বিহ্বল হৈ তালাচাবি জিন্দাবাদ ধ্বনিৰে উত্তাল কৰে সভাকক্ষ। এনেদৰেই আবেগৰ ঢল বোৱাই আজমলে নগাঁৱৰ সংখ্যালঘু ভোটাৰৰ মাজত নিশালৈকে চলাই গৈছে ইখনৰ পাছত সিখন নিৰ্বাচনী সভা।

অসমত স্থাপন হ'ব ACAৰ ৬খন

লীগ (APL)ৰ বাবে দুজনীয়া গভৰ্নিং কাউন্সিলৰ সদস্য নিৰ্বাচিত কৰা হয়। নিৰ্বাচিত সদস্য দুজন হৈছে গুৱাহাটীৰ নাছিৰ গুল খান আৰু বিশ্বনাথৰ প্ৰেমানন্দ শইকীয়া। সভাই এই দুজনক APLৰ গভৰ্নিং কাউন্সিলত প্ৰতিনিধিত্ব কৰিবলৈ সন্মতি প্ৰদান কৰে। লগতে, অসমত ক্ৰিকেট প্ৰতিভা চিনাক্তকৰণ আৰু প্ৰশিক্ষণৰ বাবে ACA-এ ছখনকৈ ক্ৰিকেট একাডেমী স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই একাডেমীসমূহে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ যুৱ ক্ৰিকেটাৰসকলক উন্নত প্ৰশিক্ষণ আৰু প্ৰয়োজনীয় সুবিধা প্ৰদান কৰিব। সভাত ঐতিহাসিক বৰদলৈ ট্ৰফী অনুষ্ঠিত কৰাৰ বাবেও ACA-এ আৰ্থিক সহায় আগবঢ়োৱাৰ সিদ্ধান্ত লয়। এই পদক্ষেপে ৰাজ্যৰ ক্ৰীড়া ক্ষেত্ৰখনক অধিক উৎসাহিত কৰিব বুলি সন্থাই আশা প্ৰকাশ কৰে। সভাত গ্ৰহণ কৰা এই সিদ্ধান্তসমূহে অসমৰ ক্ৰিকেট আৰু সামগ্ৰিক ক্ৰীড়া উন্নয়নত নতুন গতি আনিব বুলি অসম ক্ৰিকেট সন্থাই মত প্ৰকাশ কৰে।

নগাঁও দখলৰ লক্ষ্যৰে ৰণডংকা

সমৰ্থকৰ ব্যাপক সমাগম পৰিলক্ষিত হয়। নিৰ্বাচনক কেন্দ্ৰ কৰি ইতিমধ্যে নগাঁও লোকসভা সমষ্টিৰ বিভিন্ন প্ৰান্তত NDAৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ পৰিছে। তাৰেই অংশ হিচাপে মৰিগাঁৱত অনুষ্ঠিত এই সভাত দলীয় নেতৃত্বই প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ সমৰ্থনত ৰাইজৰ মাজত প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীৰ সভাক কেন্দ্ৰ কৰি মৰিগাঁও চহৰ আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা হয়। সভাস্থলীত দলীয় পতাকা-বেনাৰেৰে এক নিৰ্বাচনী পৰিৱেশৰ সৃষ্টি হয়। বৃহৎ সংখ্যক লোকৰ উপস্থিতিয়ে সভাখনক বিশেষ গুৰুত্ব প্ৰদান কৰে। উল্লেখযোগ্য যে আগন্তুক নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক লৈ NDA, কংগ্ৰেছ আৰু অন্যান্য ৰাজনৈতিক দলসমূহে নিজ নিজ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। মৰিগাঁৱত মুখ্যমন্ত্ৰীৰ এই বৃহৎ সভাৰ জৰিয়তে NDAৰ নিৰ্বাচনী প্ৰচাৰে নতুন গতি লাভ কৰে।

ডিব্ৰুগড়ত বিশেষভাৱে সক্ষম শিল্পীৰ প্ৰতিভাৰে জীপাল অসম চিকিৎসা মহাবিদ্যালয়

দেবাংগ বিদ্যুম কলিতাৰ পিয়ানো বাদন আৰু লু মাজাঅৰ অনুষ্ঠানে মুগ্ধ কৰিলে সহস্ৰাধিক দৰ্শকক

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৯ ছেপ্টেম্বৰ ঃ বিশেষভাৱে সক্ষম শিল্পীসকলৰ অন্তৰ্নিহিত প্ৰতিভাক এখন উপযুক্ত মঞ্চ প্ৰদানৰ লগতে তেওঁলোকক সমাজৰ মূলসুঁতিৰ সৈতে আগুৱাই নিয়াৰ লক্ষ্যৰে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় 'মিউজিক এবিলিটি ৪.০' শীৰ্ষক এক বিশেষ সংগীতানুষ্ঠান। উত্তৰ পূৰ্বাঞ্চলৰ কিংবদন্তি তথা মেঘালয়ৰ প্ৰখ্যাত সংগীত শিল্পী লুও মাজাঅ'ৰ তত্বাৱধানত গঢ় লৈ উঠা এই অনুষ্ঠানত বিশেষভাৱে সক্ষম কেইবাগৰাকীও শিল্পীয়ে সংগীত পৰিৱেশন কৰি দৰ্শকক আপ্লুত কৰে। অনুষ্ঠানৰ অন্যতম বিশেষ আকৰ্ষণ আছিল নিউৰ'ডাইভাৰজেণ্ট পিয়ানোবাদক দেবাংগ বিদ্যুম কলিতাৰ পিয়ানো বাদন। বিশেষ শিক্ষণ অক্ষমতাক নেওচি নিজৰ একক সংগ্ৰাম আৰু সাধনাৰ জৰিয়তে সংগীতৰ জগতত সুকীয়া পৰিচয় গঢ়ি তোলা দেবাংগই দেশ-বিদেশৰ বিভিন্ন মঞ্চত পিয়ানো বাদনেৰে ইতিমধ্যে শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰিছে। মিউজিক এবিলিটি ৪.০তো তেওঁৰ অনবদ্য পিয়ানো বাদনে উপস্থিত দৰ্শকৰ বিশেষ সমাদৰ লাভ কৰে। অনুষ্ঠানত উত্তৰ পূৰ্বাঞ্চলৰ কিংবদন্তি সংগীত শিল্পী লুও মাজাঅ'ই দেবাংগ বিদ্যুম কলিতাৰ সৈতে একেলগে সংগীত পৰিৱেশন কৰে। আনহাতে, দৃষ্টিহীন শিল্পী বিবেক শৰ্মাই ভূপেন হাজৰিকাৰ গীত পৰিৱেশন কৰি অনুষ্ঠানটোলৈ সুকীয়া মাত্ৰা প্ৰদান কৰে। মৰাণ অন্ধ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা 'বন্দে মাতৰম'ও অনুষ্ঠানটোৰ অন্যতম আকৰ্ষণ হৈ পৰে। ৰাষ্ট্ৰীয় বঁটা প্ৰাপক বিশিষ্ট চলচিত্ৰ পৰিচালক তথা সমালোচক উৎপল বৰপূজাৰী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়ায়। অসম চিকিৎসা মহাবিদ্যালয়ৰ শিক্ষক সন্থা আৰু ছাত্ৰ একতা সভাৰ সহযোগত অনুষ্ঠিত অনুষ্ঠানটোৰ অন্যতম উদ্যোক্তা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° কবিতা ডেকা কলিতাই কয় যে দেবাংগ, বিবেকৰ দৰে বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ মাজত থকা প্ৰতিভাক সমাজৰ সন্মুখলৈ অনাৰ লগতে তেওঁলোকক এক উপযুক্ত সংগীতৰ মঞ্চ প্ৰদান কৰাই 'মিউজিক এবিলিটি'ৰ মূল উদ্দেশ্য। উল্লেখ্য যে বিশেষভাৱে সক্ষম শিল্পীসকলৰ প্ৰতিভাক স্বীকৃতি দিয়াৰ লগতে সংগীতৰ জৰিয়তে এখন অন্তৰ্ভুক্তিমূলক সমাজ গঢ়াৰ লক্ষ্যৰে 'মিউজিক এবিলিটি'ৰ এই যাত্ৰা সমগ্ৰ দেশতেই অব্যাহত আছে। উদ্যোক্তাসকলে জানিবলৈ দিয়া অনুসৰি, ঐতিহাসিক যোৰহাট জিমখানা ক্লাবৰ ১৫০ বছৰীয়া জয়ন্তী উপলক্ষে 'মিউজিক এবিলিটি ৫.০' অনুষ্ঠিত হ'ব।

বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজ তথা বিষ্ণুজ্যোতি সংগীত মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহৰ সফল সামৰণি

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৯ ছেপ্টেম্বৰ ঃ তিনিচুকীয়াৰ বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ দ্বাৰা ২৬ আৰু ২৭ ছেপ্টেম্বৰত উদযাপিত সমাজৰ সোণালী জয়ন্তী সমাৰোহৰ দুদিনীয়া সামৰণি অনুষ্ঠানৰ দ্বিতীয় তথা অন্তিম দিনাৰ কাৰ্যসূচী 'সংগীতজ্ঞ বিজন দত্ত সোঁৱৰণী সাংস্কৃতিক সন্ধিয়া'ৰে সামৰণি পৰে। অনুষ্ঠানৰ মূল কাৰ্যসূচী বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সম্পাদক পূৰ্ণ কাকতিয়ে লিখা 'শংকৰদেৱৰ পৰা ৰাজীৱ শদিয়া-জুবিন গাৰ্গলৈকে শ্ৰদ্ধাৰ্ঘ' শীৰ্ষক এখনি সংগীতালেখ্য সাংস্কৃতিক সমাজৰ শিল্পীসকলে পৰিবেশন কৰে। সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি তথা তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য শিক্ষাবিদ ড° মদন শৰ্মাই প্ৰয়াত সংগীতজ্ঞ বিজন দত্তৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি নিবেদন কৰে, সোণালী জয়ন্তী উদযাপন সমিতিৰ উপসভাপতি ড° ৰাজীৱ বৰদলৈয়ে বিজন দত্ত সম্পৰ্কে এক চমু ব্যাখ্যা দাঙি ধৰে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে বিজন দত্তৰ দুহিতা পূবালী(মুমু) দত্তই গুৱাহাটীৰ পৰা দেউতাকৰ সোঁৱৰণিত বিষ্ণুজ্যোতিয়ে পতা বিশেষ অনুষ্ঠানৰ বাবে ভইচ মেচেজৰ যোগেদি আবেগেৰে কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে তিনিচুকীয়াবাসীৰ প্ৰতি সেৱা জনায়। অনুষ্ঠানৰ মাজতে অনুষ্ঠানত উপস্থিত থকা গণশিল্পী ৰাজীৱ শদিয়াৰ পৰিবাৰ উপাসনা বকলিয়াল গগৈক এখনি ফুলাম গামোচা আৰু এখনি স্মৃতিগ্ৰন্থৰে সম্বৰ্ধনা জনোৱা হয়। তাৰ পাছতে সোণালী জয়ন্তী উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি ড° জ্যোতি প্ৰসাদ চলিহাই সাংস্কৃতিক কাৰ্যসূচী মুকলি কৰি বিজন দত্তৰ অৱদান সম্পৰ্কে বক্তব্য আগবঢ়োৱাৰ লগতে বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ শীৰ্ষগীতৰ সুৰ দি এই অনুষ্ঠানটোক কৃতাৰ্থ কৰে বুলি দোহাৰে। আৰম্ভণিতে সমাজৰ সম্পাদক পূৰ্ণ কাকতিয়ে সেউজ কোঁৱৰ পৰাগধৰ চলিহাই তাহানি চাৰিহাজাৰ বছৰৰ অসম লিখি উপস্থাপন কৰাৰ পৰাই প্ৰেৰণা লাভ কৰি যোৱা পাঁচশ বছৰৰ সাংস্কৃতিক পৰিক্ৰমা সংগীতালেখ্যখনৰ জৰিয়তে দাঙি ধৰাৰ এটা ক্ষুদ্ৰ প্ৰচেষ্টা চলোৱা বুলি কয় আৰু পৰিৱেশনকাৰী শিল্পীসকলে উপস্থাপন কৰিবলগীয়া সঙ্গীতালেখ্যখনৰ যোগেদিয়েই প্ৰিয় অনুষ্ঠানটোৰ বিষয়ে ক'বলগীয়া কথাখিনি কোৱা হৈছে বুলি কৈ অশেষ কষ্টেৰে উদযাপিত সোণালী জয়ন্তী কাৰ্যক্ৰমত থাকি যাব পৰা ভুল -ত্ৰুটীসমূহৰ বাবে ক্ষমা ভিক্ষা মাগে। লিপিকা শইকীয়া বৰুৱা আৰু স্যমন্ত বৰাৰ পৰিচালনাত, শিল্পীসকল ক্ৰমে মণিষা ভাগৱতী, মৌচুমী ভৰালী, পিনাকী বালা, লক্ষ্মীন্দ্ৰ ৰাজখোৱা, দিগন্ত গগৈ, মিণ্টু চক্ৰৱৰ্তী, কথাংশত- শিল্পী শৰ্মা, বাদ্যযন্ত্ৰত পাৰ্থ প্ৰতিম শৰ্মা, দিলীপ কুমাৰ, চিৰঞ্জীৱ ভঁৰালী, বিজয় ডেকা, উত্তৰণ বৰগোহাঁইৰ অংশগ্ৰহণেৰে প্ৰায় ডেৰঘণ্টা সময় মন্ত্ৰমুগ্ধৰ দৰে চাই থকা দৰ্শকমণ্ডলীৰ সঁহাৰিৰে উপস্থাপিত সংগীতালেখ্যখনৰ বিষয় বস্তু হৈছে যুগে যুগে চলি অহা সংস্কৃতি আৰু দুষ্কৃতিৰ যুঁজ। শংকৰদেৱেও দুষ্কৃতিৰ বিৰুদ্ধে যুঁজ দিছিল আৰু সাম্প্ৰতিক পৰিক্ৰমাত এই যুঁজৰ বাবেই জুবিন গাৰ্গৰ দৰে শক্তিয়ে অস্বাভাৱিক মৃত্যুক সাৱটি ল'লে। এই যুঁজৰ কথা উপলব্ধি কৰি ৰাইজেও শিল্পীৰ আহ্বানত যোগ দি আপোন পথাৰখনৰ পৰা দুষ্কৃতিক হুৰাই দি সংস্কৃতিক বিজয়ী কৰি তুলিবলৈ চেষ্টা অব্যাহত ৰাখিছে আৰু ৰাখিব আৰু এইদৰেই এদিন দুষ্কৃতিৰ পৰাজয় হ'ব বুলি আশাবাদ প্ৰকাশ কৰা হৈছে।

CWC বৈঠকত মুখ্য নিৰ্বাচন

দাবী তোলে। তেওঁ অভিযোগ কৰে যে জ্ঞানেশ কুমাৰ বৰ্তমান চৰকাৰৰ ইচ্ছাধীনভাৱে কাম কৰি আছে আৰু ষড়যন্ত্ৰমূলকভাৱে বহু ভোটাৰৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দিয়া হৈছে। এই বিষয়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নৈতিক ভিত্তিত হস্তক্ষেপ কৰি নিৰ্বাচন আয়োগৰ মুৰব্বীৰ বিষয়টোৰ সমাধান কৰিব লাগে বুলিও খাৰ্গে দাবী জনায়। বৈঠকত কংগ্ৰেছৰ সভানেত্ৰী ছোনিয়া গান্ধী, ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী ভাদ্ৰা, কে চি বেণুগোপাল, জয়ৰাম ৰমেশ আদি বহু জ্যেষ্ঠ নেতাই অংশগ্ৰহণ কৰে। বৈঠকত খাৰ্গে স্পষ্ট কৰি দিয়ে যে ভোটাৰ তালিকাত দেখা দিয়া অসংগতি আৰু নিৰ্বাচনী প্ৰক্ৰিয়াৰ অনিয়মৰ বিষয়টো কংগ্ৰেছে সংসদত উত্থাপন কৰাৰ লগতে ৰাজপথতো শক্তিশালীভাৱে প্ৰতিবাদ কৰিব। এই বৈঠকত কংগ্ৰেছ সভাপতিয়ে পাঁচটা গুৰুত্বপূৰ্ণ দাবী উত্থাপন কৰে: ভোটাৰ তালিকাত হোৱা প্ৰতিটো ডাঙৰ পৰিৱৰ্তনৰ সম্পূৰ্ণ তথ্য ৰাজহুৱা কৰা হওক, যাৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ পৰিছে, তেওঁলোকক সম্পূৰ্ণ তথ্য দিয়াৰ লগতে পুনৰ আবেদন কৰাৰ সুযোগ দিয়া হওক, ৰাজনৈতিক দলসমূহক ভোটাৰ তালিকা আৰু সম্পৰ্কীয় তথ্য সময়মতে সহজ ফৰ্মেটত উপলব্ধ কৰোৱা হওক, য'ত গুৰুতৰ অসংগতিৰ প্ৰমাণ পোৱা যাব, তাত স্বতন্ত্ৰ আৰু সময়োচিত তদন্ত কৰা হওক, নিৰ্বাচনী প্ৰক্ৰিয়াৰ সৈতে জড়িত মূল তথ্য আৰু সিদ্ধান্তসমূহ স্বচ্ছ ৰখা হওক, যাতে কোনো দলে তথ্য লুকুৱাই ৰখা হৈছে বুলি অভিযোগ কৰাৰ সুযোগ নাপায়। খাৰ্গে কয়, "এই বিষয়টো কেৱল নিৰ্বাচনত জয়ী বা পৰাজয়ৰ প্ৰশ্ন নহয়। নিৰ্বাচনৰ পাছত চৰকাৰ আহে আৰু যায়, কিন্তু গণতন্ত্ৰ আৰু সংবিধান স্থায়ী। গণতন্ত্ৰত আটাইতকৈ শক্তিশালী শক্তি সাধাৰণ ভোটাৰ; প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী বা ক্ষমতাত থকা নেতা নহয়।" তেওঁ লগতে কয়, "কংগ্ৰেছ ৱৰ্কিং কমিটীৰ পৰা এটা স্পষ্ট সিদ্ধান্ত লোৱা উচিত যে ভোটাৰ তালিকা স্বচ্ছ হ'ব লাগে, নিৰ্বাচনী প্ৰক্ৰিয়া ন্যায্য হ'ব লাগে, প্ৰতিষ্ঠানসমূহ স্বতন্ত্ৰ থাকিব লাগে আৰু প্ৰতিজন যোগ্য নাগৰিকৰ ভোট সুৰক্ষিত থাকিব লাগে। এয়াই সংবিধানৰ মনোভাৱ আৰু গণতন্ত্ৰৰ আত্মা। এই গণতান্ত্ৰিক দায়িত্বৰ পৰা কংগ্ৰেছ কেতিয়াও আঁতৰি নাযায়।" সংবিধানৰ খচৰা প্ৰস্তুত কৰা প্ৰক্ৰিয়াত ড° বি. আৰ. আম্বেদকাৰৰ অৱদানৰ কথা স্মৰণ কৰি খাৰ্গে কয় যে ১৯৪৯ চনৰ ৰপ্ত জুনত সংবিধান সভাত আম্বেদকাৰে কৈছিল-গণতন্ত্ৰত ভোটাধিকাৰ এক মৌলিক বিষয়। স্থানীয় চৰকাৰৰ পক্ষপাতিত্ব বা কোনো বিষয়াৰ স্বেচ্ছাচাৰিতাৰ বাবে কোনো ব্যক্তিৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ পৰা উচিত নহয়। তেওঁ কয় যে জৱাহৰলাল নেহৰু আৰু বাবা চাহেব আম্বেদকাৰে বুজি পাইছিল, গণতান্ত্ৰিক অংশগ্ৰহণ অবিহনে দুখীয়া আৰু দুৰ্বল লোকৰ মাত শুনা নাযায়। সেয়ে তেওঁলোকে ভাৰতৰ প্ৰতিজন প্ৰাপ্তবয়স্ক নাগৰিকক ভোটাধিকাৰ দিয়াৰ পোষকতা কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কটাক্ষ কৰি কংগ্ৰেছ সভাপতিয়ে কয়, "১০ বছৰ পূৰ্বে বিমুদ্ৰাকৰণৰ সিদ্ধান্তই ভাৰতৰ অৰ্থনীতিক ক্ষতিগ্ৰস্ত কৰিছিল। এতিয়া ১০ বছৰৰ পাছত ভোটদানৰ অধিকাৰ খৰ্ব কৰাৰ ষড়যন্ত্ৰৰ জৰিয়তে আমাৰ শক্তিশালী গণতন্ত্ৰক আঘাত কৰিব বিচৰা হৈছে।" তেওঁ অভিযোগ কৰে যে প্ৰধানমন্ত্ৰী মোদীৰ নীতি-নিৰ্ধৰৰ ফলত দুখীয়া লোকসকল আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। বিমুদ্ৰাকৰণৰ সময়ত দুখীয়াই বেংকৰ শাৰীত ৰ'ব লগা হৈছিল; SIR প্ৰক্ৰিয়াৰ সময়ত তেওঁলোকক শাৰীৰ পৰাই আঁতৰাই দিয়া হৈছে। খাৰ্গে কয়, "দুখীয়াৰ এটাই ডাঙৰ শক্তি আছে-সেয়া হ'ল তেওঁলোকৰ ভোট। আমি কোনো কাৰণতে সেয়া কাঢ়ি নিবলৈ নিদিওঁ। ভোটাধিকাৰেই দুখীয়া, দলিত, বঞ্চিত আৰু শোষিতসকলৰ আটাইতকৈ ডাঙৰ অস্ত্ৰ। প্ৰধানমন্ত্ৰী মোদীয়ে এই অধিকাৰ কাঢ়ি নিব বিচাৰিছে, কিন্তু আমি সেয়া হ'বলৈ নিদিওঁ।" বৈঠকৰ শেষত কংগ্ৰেছে স্পষ্ট কৰে যে ভোটাৰ তালিকা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াৰ স্বচ্ছতাৰ দাবীত তেওঁলোকৰ সংগ্ৰাম অব্যাহত থাকিব। সংসদৰ পৰা ৰাজপথলৈকে এই বিষয়টো শক্তিশালীভাৱে উত্থাপন কৰা হ'ব।

বান অধ্যুষিত ধোদাং পথ, নতুন প্ৰাককলনেৰে ওখ আৰু বহলকৈ নিৰ্মাণ কৰিবৰ বাবে পুনৰ বিভাগ স্থানীয় বিধায়ক অতুল বৰা আৰু মুখ্যমন্ত্ৰীলৈ আহ্বান

লোক নিৰ্মাণ বিভাগে মেৰামতি কৰিবলৈ লোৱা ধোদাং-বুধবাৰী পথৰ উন্নয়নৰ কাম ৰাইজক কেৱল মাত্ৰ আভুৱা ভৰা এটা টোপ!

অসম বাৰ্তা, নুমলীগড়, ২৯ ছেপ্টেম্বৰ ঃ গোলাঘাট জিলাৰ নুমলীগড়ৰ ধোদাং অঞ্চলৰ দীৰ্ঘদিনীয়া পথৰ সমস্যাই ৰাইজক বাৰুকৈয়ে হাৰাশাস্তি কৰি মাৰিছে। নুমলীগড় ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ধোদাং গাঁৱৰ মাজেদি যোৱা বৃহত্তৰ এলেকাৰ একমাত্ৰ যাতায়তী পথটো প্ৰতি বছৰে ধনশিৰি নদীৰ ভয়াবহ বানে বিস্তৰ ক্ষতি সাধন কৰি আহিছে যদিও এই পথটো গুৰুত্ব সহকাৰে লোক নিৰ্মাণ বিভাগে নলৈ বৰ্তমান সামান্যতম মেৰামতিৰে ৰাইজক আভুৱা ভৰা টোপ দি সময় অতিবাহিত কৰিছে বুলি সচেতন ৰাইজে অভিযোগ আনিছে। উল্লেখযোগ্য যে বানপানীৰ সময়ত ধোদাং গাঁৱৰ এই পথটো পানীত ডুবি থকা সময়তে কেইবা বছৰো কেইবাটাও বানপানীত সেই পথেৰে বোকাখাত সমষ্টিৰ বিধায়ক, কেবিনেট মন্ত্ৰী অতুল বৰা বহুবাৰ অহা যোৱা কৰি বান ক্ষতিগ্ৰস্ত ৰাইজৰ খবৰ লবলৈ গৈছে। তথাপিওঁ ভিতৰ অঞ্চলৰ পৰা কমেও দহ খনমান গাওৰ দৰিদ্ৰ ৰাইজ অহা যোৱা কৰা এই একমাত্ৰ যাতায়তী পথটোৰ বাবে এটা নতুন, ওখ আৰু বহলকৈ নিৰ্মাণ কৰা সবল আঁচনিৰ অন্তৰ্ভুক্ত নহল এই অতি গুৰুত্বপূৰ্ণ বান অধ্যুষিত ধোদাং গাঁৱৰ একমাত্ৰ যাতায়তী পথটো। বৰ্তমান কণাহাঁহক পতান ধান দিয়াৰ দৰে যি যৎসামান্য মেৰামতিৰ কাম হাতত লৈছে তাৰ কাহিনী শুনিলেও মুৰে কপালে হাত দিব লগা অৱস্থা। এই সামান্য মেৰামতিৰ বাবেও জোৰা হ'ল এক দীঘলীয়া মেৰপেচ লগা ভাও। এই পথ মেৰামতিৰ বাবে মুখ্যমন্ত্ৰীৰ পকী পথ নিৰ্মাণ আঁচনি (MMPNA)-ৰ RIDF-XXXI, NABARD-ৰ অধীনত "Budhbari Ali to Dhodang via Budhbari Gaon" পথ নিৰ্মাণৰ কামত অন্তৰ্ভুক্ত কৰা হ'ল। চৰকাৰী ভাৱে উপলব্ধ তথ্য অনুসৰি এই পথছোৱাৰ নিৰ্ধাৰিত দৈৰ্ঘ্য ১.২৬০ কিলোমিটাৰ দেখুৱা হৈছে যদিও এই একেটা বৰ্ষতে একেলগে পাৰঘাট বাউৰীপাৰৰ শ্বহীদ বেজা বৈষ্ণপথ আৰু কুৰুৱাবাহীৰ তিনি সুতি মৰিয়াহোলা আলিৰ মেৰামতিৰ আন এটা পৃথক কামো অনুমোদন কৰা হয়। দেখাত বহুত ডাঙৰ পেকেজ নিচিনা কৰি থোৱা হৈছে যদিও ধোদাং বুধবাৰী পথ আৰু তিনি সুতি মৰিয়াহোলা পথৰ মেৰামতিৰ বাবে মাত্ৰ ৯১, ৮২, ৯০০/ টকাহে নিৰ্ধাৰণ কৰা আছে। এই সামান্য ধনেৰেই ধোদাং পথ আৰু মৰিয়াহোলা এটা পথ মুঠ দুটা পথ মেৰামতি কৰিব লোক নিৰ্মাণ বিভাগে। এই কামটো NH-37ৰ পৰা Parghat (Beza Boisnab Path)লৈ ১.২৫০ কিলোমিটাৰ পথ নিৰ্মাণৰ সৈতে একেটা টেণ্ডাৰ পেকেজত অন্তৰ্ভুক্ত কৰা হৈছে। দুয়োটা কামৰ বাবে টেণ্ডাৰৰ মুঠ আনুমানিক মূল্য প্ৰায় ২.২৩ কোটি টকা। টেণ্ডাৰটোৰ ৰেফাৰেন্স নম্বৰ CE/DEV/TB/60/2025-26/06, যিটো ১৪ জুলাই ২০২৫ তাৰিখে জাৰি কৰা হৈছিল। ইফালে, ধোদাং অঞ্চলৰ পথ যোগাযোগ ব্যৱস্থাৰ সৈতে জড়িত আন এটা পৃথক কামো PWD Roads-এ গ্ৰহণ কৰিছে। NH-37ৰ পৰা ধোদাং পথৰ পুনৰ নিৰ্মাণ আৰু Tinisuti moriahola Ali-ৰ ০ৰ পৰা ১৭৩০ মিটাৰ অংশক লৈ ২০২৫—২৬ বৰ্ষৰ MMPNA/SOPD(G)-ৰ অধীনত পৃথক টেণ্ডাৰ জাৰি কৰা হৈছিল। এই পেকেজটোৰ টেণ্ডাৰ মূল্য ৯১, ৮২, ৯০০ আৰু কাম সম্পূৰ্ণ কৰাৰ সময়সীমা ১৮০ দিন বুলি টেণ্ডাৰ তথ্যত উল্লেখ আছে। এই সামান্য ধন ৰাশিৰে ধোদাং আৰু কুৰুৱাবাহী তিনি সুতি পথ মুঠ দুটা পথ মেৰামতিৰ বাবে সমানে ধন দুভাগ হ'ব। ইয়াৰোপৰি GST ৰ ধন কৰ্টন কৰাৰ পিছত নিচেই সামান্য ধনেৰে চলিব প্ৰায় ৫ কি মি দৈৰ্ঘ্যৰ ধোদাং বুধবাৰী পথৰ মেৰামতিৰ কাম। উল্লেখযোগ্য যে টেণ্ডাৰৰ তথ্যত এই পথৰ মুঠ দৈৰ্ঘ্য দেখুৱা আছে ১.২৬০ কি মি, ।গতিকে সম্পূৰ্ণ এই ৫ কি মি পথ সমুদায় মেৰামতি নকৰি মাজে মাজে খাল খাল হৈ থকা ১ কি মি পথৰ গাঁত বোৰহে পুৰন কৰি মেৰামতি হ'ব পাৰে বুলি ৰাইজে সন্দেহ প্ৰকাশ কৰিছে। গতিকে এইয়া চৰকাৰী উন্নয়নৰ পৰিসংখ্যা বঢ়োৱা মেৰামতি হে হ'ব প্ৰকৃত বাস্তৱিক সমস্যা দূৰীকৰণ পথ নিৰ্মাণ নহব বুলি ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। ধোদাং গাঁৱৰ এই অতি গুৰুত্বপূৰ্ণ একমাত্ৰ যাতায়তী পথটো বানপানী আৰু ধনশিৰি নদীৰ প্ৰভাৱত যথেষ্ট ক্ষতিগ্ৰস্ত হৈ অহাৰ কথাও স্থানীয় ভুক্তভোগী লোকসকলে বহুবাৰ উত্থাপন কৰি আহিছে। শেহতীয়া বানপানীৰ সময়ত ধোদাং-বুধবাৰী সংযোগী PWD পথটো যথেষ্ট ক্ষতিগ্ৰস্ত হোৱাৰ লগতে যাতায়াত ব্যৱস্থা ব্যাহত হোৱা বুলি সংবাদ মাধ্যমত ইতিমধ্যে কেইবাবাৰোৰো ফটো সহ সবিস্তাৰে প্ৰকাশ পাইছিল। স্থানীয় ৰাইজে পথটোৰ পুনৰ ওখ আৰু বহলকৈ নিৰ্মাণ আৰু স্থায়ী উন্নয়নৰ দাবীত মুখ্যমন্ত্ৰীৰ ওচৰতো স্থানীয় বিধায়ক তথা কেবিনেট মন্ত্ৰী অতুল বৰাৰ যোগেদি স্মাৰক-পত্ৰ দাখিল কৰিছিল। তথাপিওঁ গত বিধান সভাৰ নিৰ্বাচনী ধামখুমীয়াত লৰা ঢাপৰাকৈ এনেদৰে এপাচি কচুশাকত এটা জালুক চতিয়াই দিয়াৰ দৰে পথ মেৰামতিৰ আধাৰ শিলাৰে ৰাইজৰ চকু চমক খুৱাই নিৰ্বাচনী বৈতৰনী পাৰ হোৱাৰ পিছত এতিয়া বান অধ্যুষিত ধোদাং গাঁৱৰ পথ মেৰামতিৰ এই কণা হাঁহক পতান ধান দিয়াৰ আঁচনিৰ কাম চলাই আভুৱা ভৰা কাৰ্যত ক্ষুব্ধ হৈ পৰিছে ৰাইজ। ধোদাং, বুধবাৰী আৰু ইয়াৰ কাষৰীয়া ভিতৰুৱা অঞ্চলৰ গাও সমূহৰ বাবে এই পথটো কেৱল দৈনন্দিন যাতায়াতৰ পথেই নহয়; ছাত্ৰ-ছাত্ৰী, ৰোগী, কৃষক আৰু জৰুৰীকালীন সেৱাৰ বাবেও ই এক অতি গুৰুত্বপূৰ্ণ সংযোগী পথ। সেয়েহে বৰ্তমান অনুমোদিত/টেণ্ডাৰভুক্ত কামৰ যি সামান্যতম মাটি বালী আৰু নামমাত্ৰ পকী ব্যৱস্থাৰে মেৰামতি কৰিবৰ বাবে বিভাগে কাম আৰম্ভ কৰিছে সেই মেৰামতিৰ পৰা ৰাইজ কোনো কাৰণতেই উপকৃত নহয়। সেয়েহে এই পথৰ বাবে নতুন প্ৰাককলন প্ৰস্তুত কৰি ওখ আৰু বহলকৈ নতুনকৈ নিৰ্মাণ কৰিলেহে বান অধ্যুষিত ধোদাং গাঁৱৰ ভুক্তভোগী ৰাইজৰ বানপানীৰ সময়ত সুচল যাতায়তৰ উপৰিও নদীৰ প্ৰবহমান জলস্তৰৰ পৰা ওখ পকী পথ হলে বানপীৰিত ৰাইজৰ আশ্ৰয় স্থল হিচাপে কামত আহিব। ৰাইজে এই আশাৰে পুনৰ স্থানীয় বিধায়ক তথা কেবিনেট মন্ত্ৰী অতুল বৰাক ৰাইজৰ এই দীৰ্ঘদিনীয়া সমস্যা এবাৰ নতুনকৈ বিবেচনা কৰিবৰ বাবে আহ্বান জনাইছে। গত বাৰিষাৰ বান দুৰ্যোগৰ সময়ত মুখ্যমন্ত্ৰীয়ে নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বান শিবিৰ পৰিদৰ্শন কৰোঁতে বান আশ্ৰয় শিবিৰত পকী মজিয়াত ৰাইজৰ লগত লেপেটা কাঢ়ি বহি দুখৰ সমভাগী হোৱাৰ সময়ত, স্থানীয় বিধায়ক অতুল বৰাৰ উপস্থিতিত বান অধ্যুষিত ধোদাং গাঁৱৰ পথ নিৰ্মাণৰ যি আবেদন গ্ৰহণ কৰি আশ্বাস দিছিল সেইয়া লোক নিৰ্মাণ বিভাগৰ তৎপৰতাত বাস্তৱিক অৰ্থত কাৰ্যকৰী হোৱাৰ বাবে সকলোৱে আশাৰে বাট চাই স্থানীয় বিধায়ক তথা কেবিনেট মন্ত্ৰী অতুল বৰা, আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ পুনৰায় আহ্বান জনাইছে।

অৰুণাচলৰ ভাৰত-ম্যানমাৰ সীমান্তৰ

লগতে আন চাৰিজন জোৱান আহত হয়। নিহত জোৱানজনৰ নাম হাবিলদাৰ জাংকোকাই কুকি বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, আজি পুৱা প্ৰায় ৬.৩০ বজাত নামপং চক্ৰৰ অন্তৰ্গত নামপং নাল্লাৰ সমীপত চৰ আছাম ৰাইফলছৰ জোৱানসকলে ভাৰত-ম্যানমাৰ সীমান্ত বেৰৰ কাম চলি থকা এলেকাত নিৰাপত্তাৰ দিশ পৰীক্ষা চলাই থকা সময়তে এই ভয়ংকৰ ঘটনাটো সংঘটিত হয়। সূত্ৰ অনুসৰি, ১৭২ নম্বৰ সীমান্তৰ স্তম্ভৰ ওচৰত অসম ৰাইফলছৰ এটা টহলদাৰী দলে এলেকাটো পৰিদৰ্শন কৰি আছিল। সেই সময়ত আনকি চলি থকা সীমান্ত বেৰ নিৰ্মাণৰ আশে-পাশে আছাম ৰাইফলছৰ জোৱানে নিৰাপত্তা প্ৰদান কৰি আছিল। টহলদাৰী দলটোৱে নিৰ্মাণ এলেকাটোৰ চাৰিওফালে নিয়মীয়াকৈ নিৰাপত্তা পৰীক্ষা কৰিবলৈ যাওঁতেই এই আক্ৰমণৰ বলি হয়। আহত চাৰিজন জোৱানক উন্নত চিকিৎসাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। আনহাতে এই ঘটনাৰ পিছতে নিৰাপত্তা বাহিনীয়ে অঞ্চলটোত উগ্ৰপন্থীক বিচাৰি অভিযান তীব্ৰতৰ কৰি তুলিছে। প্ৰাথমিক প্ৰতিবেদনত এন এছ চি এন (কে- ৱাই এ) ফৈদৰ অন্তৰ্গত কেডাৰসকলৰ দ্বাৰাই এই ঘটনা সংঘটিত হোৱা বুলি নিশ্চিত হৈছে। আক্ৰমণৰ পিছতে নিৰাপত্তা বাহিনীয়ে আশে-পাশে থকা অঞ্চলত উগ্ৰপন্থী সদস্যক বিচাৰি উলিয়াবলৈ আৰু সীমান্তৱৰ্তী অঞ্চলটো সুৰক্ষিত কৰিবলৈ ব্যাপক অভিযান চলায়। এই ঘটনাই ভাৰত-ম্যানমাৰ সীমান্তৰ চাংলাঙত নিৰাপত্তাজনিত প্ৰত্যাহ্বানৰ প্ৰতিও এক প্ৰশ্নৰ উদয় হৈছে। উক্ত অঞ্চলটোত ঐতিহাসিকভাৱে বিদ্ৰোহীৰ কাৰ্যকলাপ আৰু সীমা অতিক্ৰম কৰি চলাচল-নিৰাপত্তাৰ ক্ষেত্ৰত সদায় এক চিন্তাৰ বিষয় হৈ আহিছে। স্মৰ্তব্য যে, কটকটীয়া নিৰাপত্তাৰ মাজেৰে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ চাংলাং আৰু লংডিং জিলাত আৰম্ভ হৈছে ভাৰত-ম্যানমাৰ সীমান্তৰ ফেন্সিং বেৰ নিৰ্মাণৰ কাম। ২০২৪ চনত কেন্দ্ৰীয় গৃহ পৰিক্ৰমা মন্ত্ৰণালয়ে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায় ১, ৬৪৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ ভাৰত-ম্যানমাৰ সীমান্তত ফেন্সিং বেৰ দিয়াৰ এক অভিলাষী আঁচনি গ্ৰহণ কৰাত মণিপুৰ, নাগালেণ্ড, মিজোৰাম আদি ৰাজ্যৰ স্থানীয় জনগোষ্ঠীয়ে এই পদক্ষেপৰ তীব্ৰ বিৰোধিতা কৰিছিল যদিও যোৱা বছৰৰ পৰা অৰুণাচল প্ৰদেশৰ চাংলাং আৰু লংডিং জিলাত এই কাম আৰম্ভ হয়। সম্প্ৰতি উক্ত জিলা দুখনত ক্ৰমাগতভাৱে আগবাঢ়িছে এই কাম। সীমান্ত পথ সংগঠন, চমুকৈ বি আৰ অ'ই এই প্ৰকল্পটোৰ কাম সুকলমে আগবঢ়াই নিছে। চাংলাং জিলাত প্ৰথম পৰ্যায়ৰ প্ৰকল্পৰ অধীনত পৰিকল্পিত ৭.৩ কিলোমিটাৰ পথৰ ভিতৰত ইতিমধ্যে ৪.১৪ কিলোমিটাৰ বেৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। পাংছাউ পাছ এলেকাৰ চাৰিওফালে এই পাইলট প্ৰজেক্টটো সুচাৰুৰূপে আগবাঢ়িছে। উল্লেখ্য যে, এই চাংলাং জিলাখনে ম্যানমাৰৰ সৈতে আটাইতকৈ দীঘলীয়া আন্তঃৰাষ্ট্ৰীয় সীমা ভাগ-বতৰা কৰিছে। এই প্ৰকল্পটো ৰূপায়ণৰ ক্ষেত্ৰত সংস্থাটোৱে কিছু প্ৰত্যাহ্বানৰো সন্মুখীন হৈ আহিছে বিগত সময়ত। চলিত বৰ্ষৰ মাৰ্চ মাহত চাংলাং জিলাৰ ভাৰত-ম্যানমাৰ সীমান্তত ফেন্সিং বেৰৰ কামত নিয়োজিত এটা দলক সন্দেহযুক্ত উগ্ৰপন্থীয়ে গুলীচালনা কৰাৰ ফলত এজন আছাম ৰাইফলছৰ জোৱান আহত হৈছিল। এন এছ চি এন (কে-ৱা)ৰ সদস্যসকলে ফেঞ্চিং প্ৰকল্পত কাম কৰা দলটোক আক্ৰমণ কৰিছিল। উক্ত ঘটনাৰ পিছৰ পৰাই জিলাখনৰ ভাৰত-ম্যানমাৰ সীমান্তত পহৰা দিয়া আছাম ৰাইফলছে এই প্ৰকল্পৰ সৈতে জড়িত শ্ৰমিকসকলক নিৰাপত্তাৰ আৱৰণ প্ৰদান কৰি আছে। উল্লেখযোগ্য যে, ভাৰতে ম্যানমাৰৰ সৈতে প্ৰায় ১, ৬৪৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমান্ত ভাগ কৰে যিখিনি অৰুণাচল প্ৰদেশ (৫২০ কিলোমিটাৰ), নাগালেণ্ড (২১৫ কিলোমিটাৰ), মণিপুৰ (৩৯৮ কিলোমিটাৰ) আৰু মিজোৰাম (৫১০ কিলোমিটাৰ) ৰাজ্যৰ মাজেৰে পাৰ হৈ যায়। এই এলেকাত উগ্ৰপন্থীৰ কাৰ্যকলাপ যথেষ্ট পৰিমাণে বেছি। এই ১, ৬৪৩ কিলোমিটাৰ জোৰা এক সুদীৰ্ঘ ভাৰত-ম্যানমাৰ সীমান্ত পূৰ্বতে মুক্ত আন্দোলন শাসন অৰ্থাৎ এফ এম আৰ (Free Movement Rule)ৰ অধীনত পৰিচালিত হৈছিল। ২০১৮ চনত আৰম্ভ কৰা এই এফ এম আৰ নীতি ভাৰতৰ এক্ট ইষ্ট নীতিৰ এক উপাদান আছিল। ইয়াৰ দ্বাৰা ভাৰত-ম্যানমাৰ সীমান্তৰ ওচৰত বাস কৰা ব্যক্তিসকলক ভিছা অবিহনে ইজনে সিজনৰ অঞ্চললৈ ১৬ কিলোমিটাৰ পৰ্যন্ত যাবলৈ অনুমতি আছিল। গুৰুত্বপূৰ্ণ কথা এয়ে যে উত্তৰ-পূৰ্বাঞ্চলৰ বিদ্ৰোহী সংগঠন (Extremist group of North East) ক্ৰমে - এন এছ চি এন, আলফা আৰু পি এল এৰ তিনিটা প্ৰধান গোটৰ শিবিৰ ভাৰত-ম্যানমাৰ সীমান্তৰ সিপাৰে আছে, য'ৰ পৰা গোটসমূহে নিজৰ স্থিতি নিশ্চিত কৰিবলৈ বিভিন্ন কাম-কাজত লিপ্ত হয়। এই গোটসমূহে বিভিন্ন সময়ত চলাই আহিছে ধন সংগ্ৰহৰ এক ৰেকেট। ভাৰত-ম্যানমাৰ সীমান্তৰ সিপাৰে থকা সামৰিক শিবিৰসমূহত নেতৃত্বৰ লগতে কেডাৰসকলেও তেওঁলোকৰ উপস্থিতি বজাই ৰাখে কেৱল ৰাজহ সংগ্ৰহৰ লক্ষ্যৰে। চাংলাং আৰু লংডিং জিলাত আৰম্ভ হোৱা ভাৰত-ম্যানমাৰ সীমান্তৰ ফেন্সিং বেৰ নিৰ্মাণৰ ফলত ভাৰত-ম্যানমাৰ সীমান্তত বিদ্ৰোহী গোটৰ কাৰ্যকলাপ কিছু ৰোধ হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে।

পুনৰসংস্থাপন আৰু স্থানান্তৰৰ ব্যৱস্থা সন্দৰ্ভত গুৰুত্বপূৰ্ণ পদক্ষেপ

নাজিৰাত বানপীড়িত অঞ্চল পৰিদৰ্শন সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰামৰ

অসম বাৰ্তা, গেলেকী, ২৯ ছেপ্টেম্বৰ ঃ নাজিৰা সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰামে শেহতীয়া বানপানীৰ কৱলত পৰি গুৰুতৰভাৱে ক্ষতিগ্ৰস্ত হোৱা আমগুৰি টোল লাইন আৰু বামুণপুখুৰী চাহ বাগিচা অঞ্চল পৰিদৰ্শন কৰে। বানাক্ৰান্ত অঞ্চলটোৰ শেহতীয়া অৱস্থা প্ৰত্যক্ষ কৰাৰ লগতে ক্ষতিগ্ৰস্ত লোকসকলৰ পুনৰসংস্থাপনৰ বাবে প্ৰশাসনে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। বানপানীৰ তাণ্ডৱত ঘৰ-বাৰী সম্পূৰ্ণৰূপে হেৰুৱাই পেলোৱা পৰিয়ালসমূহক সুৰক্ষিত স্থানলৈ স্থানান্তৰ আৰু পুনৰসংস্থাপনৰ বাবে প্ৰশাসনে পূৰ্বতে কিছুমান স্থান চিহ্নিত কৰিছিল। সমজিলা আয়ুক্তগৰাকীয়ে আজি এই স্থানসমূহ নিজে পৰিদৰ্শন কৰি ইয়াৰ আন্তঃগাঁথনিগত সুবিধা আৰু উপযুক্ততা সবিশ্লেষণেৰে পৰ্যালোচনা কৰে। লগতে, এই সন্দৰ্ভত সংশ্লিষ্ট বিভাগীয় কৰ্তৃপক্ষৰ সৈতেও তেওঁ এক গুৰুত্বপূৰ্ণ আলোচনাৰ মিলিত হয়। পৰিদৰ্শন কালত সমজিলা আয়ুক্তগৰাকীক সংগ দিয়ে সহকাৰী আয়ুক্ত পৰ্চিয়া খানিকৰ আৰু আমগুৰিৰ খণ্ড উন্নয়ন বিষয়া ৰাতুল গগৈয়ে। প্ৰশাসনৰ এই তৎপৰতাই বানপীড়িত লোকসকলৰ মাজত আশা সঞ্চাৰ কৰিছে।

গোলকগঞ্জত হিন্দু ৰক্ষা দলৰ ধুবুৰী জিলা কাৰ্য্যালয় শুভ উদ্বোধন

অসম বাৰ্তা, গোলকগঞ্জ, ২৯ ছেপ্টেম্বৰ ঃ হিন্দু ৰক্ষা দলৰ উদ্যোগত গোলকগঞ্জৰ সুধাকণ্ঠ ড° ভূপেন হাজৰিকা মুকলি মঞ্চত এখন সভা অনুষ্ঠিত হয়। তদুপলক্ষে অনুষ্ঠিত সভাত উপস্থিত থাকে ৰাজ্যিক হিন্দু ৰক্ষা দলৰ সভাপতি ভোলানাথ কৰ্মকাৰ, ধুবুৰী জিলা হিন্দু ৰক্ষা দলৰ সভাপতি হৰিশ ৰায়, উপ সভাপতি কৃষ্ণা দাস, হিন্দু ৰক্ষা দলৰ ধুবুৰী জিলা মহিলা সমিতিৰ সভানেত্ৰী বীনা বৰ্মন, আৰু পৱন ৰায় সাধাৰণ সম্পাদক উপস্থিত থাকে। সভাৰ পিছতে গোলকগঞ্জত হিন্দু ৰক্ষা দলৰ ধুবুৰী জিলাৰ নতুন কাৰ্যালয় গোলকগঞ্জৰ ব্লক মোৰত আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। অনুষ্ঠানত কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে। লগতে শতাধিক হিন্দু ৰক্ষা দলৰ কৰ্মকৰ্তাই অংশগ্ৰহণ কৰে। কাৰ্যালয় মুকলিৰ সময়ত উপস্থিত কৰ্মকৰ্তাসকলে 'জয় শ্ৰী ৰাম' ধ্বনিৰে পৰিৱেশ মুখৰিত কৰি তোলে। নতুন কাৰ্য্যালয়ত জিলাৰ সাংগঠনিক কাম-কাজ অধিক আৰু বহি অন্তৰ্ভুক্ত কৰাৰ লগতে আগন্তুক দিনত বিভিন্ন কাৰ্যসূচী ৰূপায়ণৰ আৰু লগতে হিন্দুৰ সুৰক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব বুলি জানিবলৈ দিয়ে।

শিৱামণি বৰাও বিজেপিলৈ

দাবী কৰে। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত আঠটা বিধানসভা সমষ্টিৰ ভিতৰত চাৰিটা সমষ্টিত যি ধৰণৰ উন্নয়ন হৈছে, সেই ধৰণৰ উন্নয়ন ধিং, ৰূপহীহাট, লাহৰিঘাট আৰু চামগুৰি সমষ্টিত হোৱা নাই। এইবাৰৰ নিৰ্বাচনত ৰাইজে সেই বিষয়টো বিবেচনা কৰি বিজেপিক সমৰ্থন কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। এআইইউডিএফৰ সভাপতি বদৰুদ্দিন আজমল মুখ্যমন্ত্ৰীৰ কথামতেই উঠা-বহা কৰে বুলি গৌৰৱ গগৈয়ে কৰা কটাক্ষৰ প্ৰত্যুত্তৰ দি মুখ্যমন্ত্ৰী শৰ্মাই কয়, "কংগ্ৰেছেও মোৰ কথামতেই উঠা-বহা কৰে। কংগ্ৰেছৰ বহু নেতা আছে; মই মাতিলেই তেওঁলোক বিজেপিলৈ আহিব। কংগ্ৰেছৰ প্ৰাৰ্থী শিৱামণি বৰায়ো বিজেপিলৈ অহাৰ বাবে সাজু হৈ আছে। মই মাতিলে তেওঁ বিজেপিত যোগ দিব। এদিন কংগ্ৰেছত গৌৰৱ গগৈ অকলেই থাকিব।" মৰিগাঁৱত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে চাকৰিৰ প্ৰসংগতো কয়, "আগন্তুক পাঁচ বছৰত দুই লাখৰো অধিক চাকৰি দিয়াৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। তাৰ বাবে বিভাগসমূহত পদোন্নতিৰ কামো চলি আছে। বিজেপিৰ দিনত যদি এটকাও নিদিয়াকৈ চাকৰি পোৱা গৈছে, তেন্তে কংগ্ৰেছৰ দিনত কিয় এই ব্যৱস্থা হোৱা নাছিল বুলি ৰাইজে প্ৰশ্ন কৰিছে।" ৰাইজে কংগ্ৰেছৰ নেতৃত্বক ক'লা পতাকা দেখুওৱাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী শৰ্মাই কয়, "ৰাইজৰ ক্ষোভ আছে। বিজেপিৰ দিনত যিমান উন্নয়ন হৈছে, কংগ্ৰেছৰ দিনত কিয় হোৱা নাছিল? কিয় সকলোতে দুৰ্নীতি হৈছিল বুলি ৰাইজে প্ৰশ্ন কৰিছে। লগতে ৰকিবুল হুছেইনৰ দিনত এই অঞ্চলসমূহত কাম হোৱা নাছিল। সেয়ে কংগ্ৰেছৰ নেতা য'তেই গৈছে, তাতেই ৰাইজে তেওঁলোকক ক'লা পতাকা দেখুৱাইছে।" আজমলৰ নিৰ্বাচনী প্ৰচাৰ সভাসমূহত মানুহৰ সমাগম সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়, "তেওঁ এজন ধৰ্মীয় মানুহ। সেয়ে তেওঁৰ ভাষণ শুনিবলৈ মানুহ যায়। কিন্তু সেই মানুহখিনিয়ে তেওঁক ভোট নিদিয়ে। ধৰ্মীয় ব্যক্তি হোৱাৰ বাবে মৌলানা বা তেওঁলোকৰ ধৰ্মীয় লোকসকল আজমলৰ সভালৈ যায়।" ইফালে, মুখ্যমন্ত্ৰীগৰাকীয়ে ছ'চিয়েল মিডিয়াতো 'ডাবল ইঞ্জিন চৰকাৰ'ৰ প্ৰতি ৰাইজৰ মৰম-আশীৰ্বাদকে নিজৰ কৰ্মযজ্ঞৰ নিৰন্তৰ সাৰথি বুলি উল্লেখ কৰে। তেওঁ মৰিগাঁৱৰ গান্ধী ময়দানত ৰাইজক বিভিন্ন কল্যাণমূলক আঁচনিৰ জৰিয়তে সহায় কৰাৰ কথা উল্লেখ কৰি কেইবাটাও টুইটো কৰে।

বঙাইগাঁও জিলাৰ বিভিন্ন স্বাস্থ্যকেন্দ্ৰত সুৰক্ষিত গৰ্ভপাত দিৱস আৰু বিশ্ব জলাতংক দিৱস পালন

অসম বাৰ্তা, বঙাইগাঁও সদৰ, ২৯ ছেপ্টেম্বৰ ঃ সুৰক্ষিত গৰ্ভপাত সেৱা, অসুৰক্ষিত গৰ্ভপাত ৰোধ, সময়মতে প্ৰতিষেধক গ্ৰহণ আৰু কুকুৰ বান্দৰ বা আন স্তনপায়ী জন্তুৰ কামোৰৰ পাছত সঠিক চিকিৎসা সেৱাৰ যোগেদি জলাতংক প্ৰতিৰোধ সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি বঙাইগাঁও জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত জিলাখনৰ বিভিন্ন স্বাস্থ্যকেন্দ্ৰত 'সুৰক্ষিত গৰ্ভপাত দিৱস' আৰু 'বিশ্ব ৰেবিজ দিৱস' পালন কৰা হয়। বঙাইগাঁও প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ (BPHC)ত এই সন্দৰ্ভত এক জিলা পৰ্যায়ৰ সজাগতা সভা অনুষ্ঠিত কৰা হয়। এই কাৰ্যসূচীত বঙাইগাঁও জিলাৰ স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক, মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া, জিলা নিৰীক্ষণ বিষয়া, মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া (SDMগুHO), আয়ুষ নোডেল বিষয়া, জিলা প্ৰচাৰ মাধ্যম বিশেষজ্ঞ (DME), জিলা পৰিয়াল কল্যাণ পৰামৰ্শদাতা (DFPC), মহামাৰী ৰোগ বিশেষজ্ঞ (Epidemiologist), আইডিএছপি (IDSP) ডাটা মেনেজাৰ, ব্লক প্ৰকল্প ব্যৱস্থাপনা গোটৰ (BPMU) সদস্যসকলৰ লগতে অন্যান্য স্বাস্থ্য বিষয়া, আশা কৰ্মী (ASHA), এএনএম (ANM), আশা ছুপাৰভাইজাৰসকল উপস্থিত থাকে। সভাখনত স্বাস্থ্য বিষয়াসকলে প্ৰশিক্ষণপ্ৰাপ্ত স্বাস্থ্যকৰ্মী আৰু উপযুক্ত স্বাস্থ্যকেন্দ্ৰৰ জৰিয়তে সুৰক্ষিত, আইনী আৰু মানসম্পন্ন গৰ্ভপাত সেৱা লাভৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। লগতে অসুৰক্ষিত পদ্ধতি পৰিহাৰ কৰি সময়মতে চিকিৎসা সেৱা গ্ৰহণ কৰাৰ বাবে উপস্থিত সকলোকে সচেতন কৰা হয়। কাৰ্যসূচীত জলাতংক ৰোগ প্ৰতিৰোধ আৰু সজাগতাৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ ভিতৰত পোহনীয়া জীৱ-জন্তুৰ সঠিক যত্ন, জন্তুবোৰক সময়মতে প্ৰতিষেধক প্ৰদান, কোনো জন্তুৱে কামুৰিলে লগে লগে ঘাঁ টুকুৰা ধোৱা আৰু প্ৰতিষেধকৰ বাবে ক্ষিপ্ৰতাৰে চিকিৎসা সেৱা গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোচনা কৰা হয়। জিলাখনৰ অগ্ৰণী স্বাস্থ্যকৰ্মী আৰু স্থানীয় ৰাইজক সামৰি বঙাইগাঁও জিলাৰ আন আন স্বাস্থ্যকেন্দ্ৰ সমূহতো অনুৰূপ ধৰণৰ সজাগতা কাৰ্যসূচী, পৰামৰ্শদান সভা আৰু চক্ৰ পৰ্যায়ৰ সচেতনতামূলক সভা অনুষ্ঠিত কৰা হয়। বঙাইগাঁও জিলাৰ ৰাইজৰ বাবে সহজলভ্য, সুৰক্ষিত আৰু গুণগত মানৰ স্বাস্থ্য সেৱা সুনিশ্চিত কৰাৰ লগতে ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰাৰ বাবে জিলা স্বাস্থ্য সমিতি বঙাইগাঁৱত য়ে এনে ধৰণৰ সজাগতা সভা প্ৰায়ে অনুষ্ঠিত কৰি আহিছে।

গোলাঘাটত ছাত্ৰ মুক্তিৰ সভাপতি পিণ্টু গগৈৰ সংবাদমেল

গোলাঘাটে উদঙালে অসমৰ ৰাজহুৱা শিক্ষাৰ ধ্বংসৰ নগ্ন ছবি
শিক্ষামন্ত্ৰীৰ পদত্যাগৰ দাবী ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ



অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, অসমৰ ৰাজহুৱা শিক্ষা ব্যৱস্থাক ভিতৰৰ পৰা দুৰ্বল কৰি পেলোৱা হৈছে। বিদ্যালয় আছে, কিন্তু শিক্ষক নাই; ছাত্ৰ-ছাত্ৰী আছে, কিন্তু পৰ্যাপ্ত শ্ৰেণীকোঠা নাই; বিদ্যালয় আছে, কিন্তু স্বাস্থ্যসন্মত শৌচাগাৰ আৰু বিশুদ্ধ খোৱাপানীৰ দৰে মৌলিক সুবিধাও নাই। চৰকাৰী শিক্ষা ব্যৱস্থাৰ এই ভয়ংকৰ ছবিখন কোনো বিৰোধী দলৰ অভিযোগ নহয়, গোলাঘাট জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ, অসমৰ সভাপতি পিণ্টু গগৈক প্ৰদান কৰা চৰকাৰী তথ্যতেই এই বাস্তৱতা স্পষ্ট হৈ পৰিছে। আজি গোলাঘাটত সংবাদমেল সম্বোধন কৰি ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, অসমৰ সভাপতি পিণ্টু গগৈয়ে কয় যে গোলাঘাট জিলাৰ ৰাজহুৱা শিক্ষা ব্যৱস্থাৰ এনে দুৰৱস্থাৰ বাবে মূলতঃ শিক্ষা বিভাগৰ দায়িত্বত থকাৰ লগতে গোলাঘাট জিলাখনৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্বত থকা শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু দায়ী। সেয়েহে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে শিক্ষামন্ত্ৰীগৰাকীৰ পদত্যাগৰ দাবী কৰে। পিণ্টু গগৈয়ে কয়, গোলাঘাটৰ এই তথ্য কেৱল গোলাঘাটৰ সমস্যা নহয়; এয়া অসমৰ ৰাজহুৱা শিক্ষা ব্যৱস্থাৰ গভীৰ সংকটৰ এখন প্ৰতিচ্ছবি। এজন শিক্ষকৰে এখন বিদ্যালয়, দুজন শিক্ষকৰে এখন বিদ্যালয় এইদৰে যদি বিদ্যালয় চলাবলগীয়া হয়, তেন্তে সেই বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীয়ে গুণগত শিক্ষা লাভ কৰিব কেনেকৈ? চৰকাৰে উত্তৰ দিব লাগিব বুলি মন্তব্য কৰে। গোলাঘাট জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ে ২৫ ছেপ্টেম্বৰ ২০২৬ তাৰিখে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে উত্থাপন কৰা প্ৰশ্নৰ উত্তৰত প্ৰদান কৰা UDISE ২০২৫-২৬ৰ তথ্য সংবাদমেলত ৰাজহুৱা কৰে। চৰকাৰী তথ্যমতে গোলাঘাট জিলাত ৪৫খন বিদ্যালয় মাত্ৰ এজন শিক্ষকৰ দ্বাৰা পৰিচালিত হৈ আছে। ৬৯৪খন বিদ্যালয়ত মাত্ৰ দুজন শিক্ষক, ২১২খন বিদ্যালয়ত তিনিজন শিক্ষক আৰু ১১৮খন বিদ্যালয়ত মাত্ৰ চাৰিজন শিক্ষক আছে। ইয়াৰ উপৰিও জিলাখনত ৮২খন বিদ্যালয়ত স্বাস্থ্যসন্মত শৌচাগাৰৰ অভাৱ, ৩৭৫খন বিদ্যালয়ত ছোৱালী আৰু ল'ৰাৰ বাবে পৃথক শৌচাগাৰৰ অভাৱ, ৮খন বিদ্যালয়ত বিশুদ্ধ আৰু নিৰাপদ খোৱাপানীৰ সুবিধা নাই। আনহাতে, ৩০৯খন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অনুপাত অনুসৰি ৪৪৭টা অতিৰিক্ত শ্ৰেণীকোঠাৰ প্ৰয়োজন। পিণ্টু গগৈয়ে লগতে কয় "এখন বিদ্যালয়ত এজন শিক্ষক। সেই শিক্ষকজনেই যদি পাঁচটা শ্ৰেণী, একাধিক বিষয় আৰু শতাধিক ছাত্ৰ-ছাত্ৰীৰ দায়িত্ব ল'বলগীয়া হয়, তেন্তে শিক্ষকজনে পাঠদান কৰিব নে প্ৰশাসনিক কাম কৰিব? এই প্ৰশ্নটোৰ উত্তৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ৰণোজ পেগুয়ে দিব লাগিব।" কেৱল গোলাঘাটতে নহয়, ৰাজ্যৰ সামগ্ৰিক পৰিস্থিতিও একেধৰণৰ বুলি উল্লেখ কৰি পিণ্টু গগৈয়ে কয় যে ২০২৬ চনৰ জুলাই মাহত অসম বিধানসভাত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে নিজেই প্ৰকাশ কৰা তথ্য অনুসৰি ৰাজ্যখনত অনুমোদিত ১, ৫৪, ০৭৮টা শিক্ষক পদৰ ভিতৰত ৩০, ০৩২টা পদ খালী হৈ আছে। ইয়াৰে ১৮, ৮০১টা প্ৰাথমিক পৰ্যায়ত আৰু ১১, ২৩১টা মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ত খালী। তেওঁ প্ৰশ্ন কৰে এফালে ৩০, ০৩২টা শিক্ষক পদ খালী। আনফালে প্ৰতিখন জিলাতে এজন-দুজন শিক্ষকেৰে বিদ্যালয় চলিছে। তেন্তে খালী পদসমূহ চৰকাৰে পূৰণ নকৰাৰ কাৰণ কি? চৰকাৰৰ আন্তৰিকতাৰ অভাৱ নেকি? শিক্ষক নিযুক্তিৰ পৰিকল্পনাৰ অভাৱ নেকি? নে ৰাজহুৱা খণ্ডৰ বিদ্যালয়সমূহক ক্ৰমাৎ দুৰ্বল কৰি ব্যক্তিগতকৰণ আৰু বাণিজ্যিকীকৰণ কৰিবৰ বাবে চক্ৰান্ত কৰিছে? অসমৰ ৰাইজে এই প্ৰশ্নৰ স্পষ্ট উত্তৰ বিচাৰে।" লগতে গোলাঘাট জিলাখনত অজন্তা নেওগ আৰু অতুল বৰাৰ দৰে দুজনকৈ প্ৰভাৱশালী মন্ত্ৰী থকাৰ পাছতো জিলাখনৰ ৰাজহুৱা শিক্ষা ব্যৱস্থা ধ্বংসৰ গৰাহলৈ কিয় গৈছে বুলিও মন্ত্ৰী দুগৰাকীকো প্ৰশ্ন কৰে। আনহাতে ৩০৯খন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অনুপাত অনুসৰি ৪৪৭টা অতিৰিক্ত শ্ৰেণীকোঠাৰ প্ৰয়োজন। এই বিদ্যালয় সমূহত এটা ডাঙৰ হলৰ ভিতৰত পাঁচটাকৈ শ্ৰেণীত পাঠদান কৰিব লাগে গৰু গোহালীৰ দৰে, মাছৰ বজাৰৰ দৰে। এনেকুৱা পৰিৱেশত শিশুসকলে গুণগত মানসম্পন্ন শিক্ষা লাভ কৰাটো সম্ভৱ হয় নে বুলি প্ৰশ্ন কৰে ছাত্ৰ নেতাগৰাকীয়ে। আনহাতে শিক্ষকৰ এই সংকটৰ মাজতো থকা শিক্ষকসকলক বৰ্তমানৰ চৰকাৰখনে বিভিন্ন শিক্ষা-বহিৰ্ভূত কামত নিয়োজিত কৰি থোৱাটো ৰাজহুৱা শিক্ষা ব্যৱস্থাৰ আন এক গুৰুতৰ সমস্যা। এজন-দুজন-তিনিজন শিক্ষক থকা বিদ্যালয়ত শিক্ষককেই নেমু পুলি ৰোৱা, অমৃত কলহ যাত্ৰা, পেলুৰ ঔষধ খুওৱা, বিভিন্ন চৰকাৰী জৰীপ, তথ্য সংগ্ৰহ, BLOৰ দায়িত্ব, Google Meet-Zoom Meetৰ বৈঠক, 'হৰ ঘৰ তিৰংগা', 'হৰ ঘৰ দস্তক' আদি অসংখ্য শিক্ষা-বহিৰ্ভূত কামত ব্যস্ত কৰি ৰখা হৈছে। যিখন বিদ্যালয়ত শিক্ষককেই পৰ্যাপ্ত নহয়, সেই বিদ্যালয়ৰ শিক্ষকক যদি পাঠদানৰ বাহিৰৰ কামতে ব্যস্ত ৰখা হয়, তেন্তে ছাত্ৰ-ছাত্ৰীক পঢ়াব কেতিয়া? পিণ্টু গগৈয়ে কয় যে শিক্ষক এজনৰ মূল দায়িত্ব হৈছে শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীক পঢ়োৱা, তেওঁলোকৰ শিক্ষণ-শৈক্ষিক বিকাশ নিশ্চিত কৰা। শিক্ষকক সকলো ধৰণৰ চৰকাৰী কামৰ 'মাল্টিপাৰপাছ কৰ্মচাৰী' হিচাপে ব্যৱহাৰ কৰিলে শ্ৰেণীকোঠাৰ শিক্ষাৰ ওপৰত ইয়াৰ পোনপটীয়া প্ৰভাৱ পৰিবই। পিণ্টু গগৈয়ে আৰু কয়, চৰকাৰে শব্দ সলনি কৰি বাস্তৱতা সলনি কৰিব নোৱাৰে। বিদ্যালয়ৰ সংখ্যা, শিক্ষক, আন্তঃগাঁথনি আৰু ছাত্ৰ-ছাত্ৰীৰ সুবিধা এই চাৰিটা বিষয়ত চৰকাৰৰ সফলতা জোখা হ'ব লাগিব। কাগজত বিদ্যালয় 'merge' হ'ল নে 'close' হ'ল সেই শব্দৰ খেলত আমি যাব নোখোজোঁ; আমি জানিব বিচাৰোঁ— সেই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষা অধিকাৰ বাস্তৱত কিমান সুৰক্ষিত হৈছে? "ৰাজহুৱা বিদ্যালয়ৰ প্ৰতি অভিভাৱকৰ আস্থা কিয় কমিছে? পিণ্টু গগৈয়ে কয় যে চৰকাৰী বিদ্যালয়ত শিক্ষক, শৌচাগাৰ, খোৱাপানী, শ্ৰেণীকোঠা আদি মৌলিক সুবিধাৰ অভাৱ থাকিলে অভিভাৱকৰ আস্থা কমি যোৱাটো স্বাভাৱিক। অভিভাৱকক চৰকাৰী বিদ্যালয়ৰ পৰা আঁতৰাই ব্যক্তিগত বিদ্যালয়ৰ ফালে ঠেলি দিয়াৰ পৰিৱেশ কোনে সৃষ্টি কৰিছে? যেতিয়া চৰকাৰী বিদ্যালয়ত পৰ্যাপ্ত শিক্ষক নাথাকে, শৌচাগাৰ নাথাকে, খোৱাপানী নাথাকে, শ্ৰেণীকোঠা নাথাকে, তেতিয়া অভিভাৱকে বাধ্য হৈ বিকল্প বিচাৰে। ৰাজহুৱা বিদ্যালয়ক শক্তিশালী কৰাৰ দায়িত্ব চৰকাৰৰ। সেই দায়িত্ব পালনত ব্যৰ্থ হৈ পুনৰ অভিভাৱকক দোষাৰোপ কৰিব নোৱাৰি।" তেওঁ অভিযোগ কৰে যে ৰাজহুৱা শিক্ষা ব্যৱস্থাক শক্তিশালী কৰাৰ পৰিৱৰ্তে ক্ৰমাৎ ব্যক্তিগতকৰণ আৰু বাণিজ্যিকীকৰণৰ বাবে অনুকূল পৰিৱেশ সৃষ্টি কৰা হৈছে। এয়া কেৱল গোলাঘাটৰ প্ৰশ্ন নহয় সমগ্ৰ অসমৰ প্ৰশ্ন। গগৈয়ে কয়, গোলাঘাটত আজি ৪৫খন বিদ্যালয় এজন শিক্ষকেৰে চলিছে। কালিলৈ অসমৰ অন্য জিলাৰ তথ্যও একেই ভয়ংকৰ ৰূপত আমাৰ সন্মুখলৈ আহিব পাৰে। কাৰণ ৰাজ্যজুৰি ৩০, ০৩২টা শিক্ষক পদ খালী আৰু হাজাৰ হাজাৰ বিদ্যালয় নিৰ্ধাৰিত শিক্ষক-ছাত্ৰ অনুপাতৰ পৰা পিছপৰি আছে। সেয়েহে গোলাঘাটৰ এই তথ্যক আমি এখন জিলাৰ সমস্যা হিচাপে নেদেখোঁ; এয়া অসমৰ ৰাজহুৱা শিক্ষা ব্যৱস্থাক লৈ চৰকাৰৰ নীতি আৰু অগ্ৰাধিকাৰৰ প্ৰশ্ন। শিক্ষামন্ত্ৰী গৰাকীৰ পদত্যাগৰ দাবী কৰিছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে কয় যে শিক্ষা বিভাগৰ দায়িত্বত থকা মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ বিদ্যালয়সমূহৰ শিক্ষকৰ সংকট, আন্তঃগাঁথনিৰ অভাৱ আৰু সমগ্ৰ ৰাজহুৱা শিক্ষা ব্যৱস্থা ধ্বংস গৰাহলৈ যোৱাৰ দায়িত্ব স্বীকাৰ কৰিব লাগিব। গগৈয়ে কয়, যিখন ৰাজ্যত ৩০,০৩২টা শিক্ষক পদ খালী, যিখন ৰাজ্যত ৭,৯৪৮খন চৰকাৰী বিদ্যালয়ে নিৰ্ধাৰিত ৩০ঃ১ শিক্ষক-ছাত্ৰ অনুপাত পূৰণ কৰিব পৰা নাই, শিক্ষামন্ত্ৰী গৰাকীয়ে নিজেই অভিভাৱক মন্ত্ৰীৰ দায়িত্বত থকা গোলাঘাট জিলাত ৪৫খন বিদ্যালয় এজন শিক্ষকেৰে চলিছে সেই ৰাজ্যৰ শিক্ষা ব্যৱস্থাৰ দায়িত্বত থকা মন্ত্ৰীগৰাকীয়ে ইয়াৰ পৰা ফালৰি কাটি যাব নোৱাৰে। আমি সেয়েহে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ পদত্যাগ দাবী জনায়। ৰাজহুৱা শিক্ষা ব্যৱস্থা ৰক্ষা কৰাৰ এই যুঁজ কেৱল ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ যুঁজ নহয় এয়া অসমৰ প্ৰতিটো শিশুৰ আৰু প্ৰতিটো প্ৰজন্মৰ ভৱিষ্যতৰ যুঁজ বুলি অভিহিত কৰে। লগতে এমাহৰ ভিতৰত জিলাখনৰ শিক্ষা ব্যৱস্থা অভাৱ আৰু সমস্যা সমূহৰ লগতে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে উত্থাপন কৰা দাবী সমূহ যদি শিক্ষা বিভাগৰ লগতে চৰকাৰে কাৰ্যকৰী কৰাৰ প্ৰক্ৰিয়া আৰম্ভ নকৰে তেন্তে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ উদ্যোগত শিক্ষাৰ অধিকাৰ সুৰক্ষিত কৰা আৰু ব্যৰ্থ অকৰ্মণ্য শিক্ষামন্ত্ৰী ৰণোজ পেগুৰ পদত্যাগৰ দাবীত ৰাজ্যজুৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব বুলি জানিবলৈ দিয়ে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, অসমৰ সভাপতি পিণ্টু গগৈয়ে। সংবাদমেলত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ গোলাঘাট জিলা সমিতিৰ বিষয়ববীয়া সকল উপস্থিত থাকে।

আজি প্ৰাৰ্থীৰ প্ৰতিনিধিৰ উপস্থিতিত কাৰ্যক্ষম কৰা হ'ব ইভিএম

অসম বাৰ্তা, পুৰণিগুদাম, ২৯ ছেপ্টেম্বৰ ঃ নগাঁও সংসদীয় সমষ্টিৰ উপনিৰ্বাচনত ব্যৱহৃত ইলেকট্ৰনিক ভোটিং যন্ত্ৰ (ইভিএম) আৰু ভিভিপেটসমূহ কাইলৈ নিৰ্বাচনত অৱতীৰ্ণ প্ৰাৰ্থী বা প্ৰাৰ্থীৰ প্ৰতিনিধিৰ উপস্থিতিত কাৰ্যক্ষম কৰি তোলা হ'ব। নগাঁও জিলাৰ নিৰ্বাচন বিষয়া তথা জিলা আয়ুক্ত আৰণ্যক শইকীয়াই এখন প্ৰেছ বিজ্ঞপ্তিত এই কথা প্ৰকাশ কৰি জনাইছে যে, কাইলৈ নগাঁও জিলাৰ ধিং, ৰূপহীহাট আৰু চামগুৰি বিধানসভা সমষ্টিৰ বাবে ডচন উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত আৰু নগাঁও-বটদ্ৰৱা আৰু ৰহা সমষ্টিৰ বাবে নগাঁও চৰকাৰী ল'ৰাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সংশ্লিষ্ট সহকাৰী ৰিটাৰ্নিং বিষয়াৰ তত্ত্বাৱধানত এই প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব। ইভিএম-ভিভিপেটৰ দ্বিতীয় যাদৃচ্ছিকীকৰণ সম্পন্ন হোৱাৰ পিছত এই ইভিএম সমূহত বেলট পেপাৰ সংস্থাপন কৰাৰ লগতে প্ৰাৰ্থীসকলৰ প্ৰতীকসমূহ আৰু প্ৰাৰ্থীৰ সংখ্যা আদি তথ্য সংস্থাপন কৰি ইয়াক ভোটগ্ৰহণৰ বাবে কাৰ্যক্ষম কৰি তোলাৰ এই প্ৰক্ৰিয়াটো অতি গুৰুত্বপূৰ্ণ। নিৰ্বাচনৰ স্বচ্ছতা বৰ্তাই ৰখাৰ স্বাৰ্থত এই সমগ্ৰ প্ৰক্ৰিয়াটো প্ৰাৰ্থীসকল বা তেওঁলোকৰ প্ৰতিনিধিৰ উপস্থিতিত সম্পন্ন কৰা হয়। কাৰ্যক্ষম কৰাৰ পিছত ইয়াৰ সঠিক কাৰ্যকাৰিতা পৰীক্ষাৰ বাবে প্ৰাৰ্থীসকলৰ দ্বাৰা পৰ্যাপ্ত ভোটদানৰ আখৰাৰো সুবিধা প্ৰদান কৰা হয়। ইতিমধ্যে সকলো প্ৰাৰ্থীৰে উপস্থিতি আশা কৰি পত্ৰ প্ৰেৰণ কৰাৰ লগতে জিলা নিৰ্বাচন বিষয়াই এই বিজ্ঞপ্তিৰ জৰিয়তেও তেওঁলোকৰ উপস্থিতি কামনা কৰিছে। উল্লেখযোগ্য যে, যোৱা ২৩ ছেপ্টেম্বৰত কোনোটো ইভিএম কোনটো ভোটগ্ৰহণ কেন্দ্ৰত স্থাপন কৰা হ'ব সেই সম্পৰ্কে যাদৃচ্ছিকভাৱে নিৰ্ধাৰণ কৰা হৈ গৈছে। কাইলৈ ইভিএম-ভিভিপেট কাৰ্যক্ষম কৰাৰ পিছতে সকলোৰে উপস্থিতিত সেইবোৰ ষ্ট্ৰংৰুমত তলা বন্ধ কৰা হ'ব। নগাঁও জিলা প্ৰশাসনে নিৰ্বাচন প্ৰক্ৰিয়াটো স্বচ্ছ আৰু নিকাভাৱে সম্পন্ন কৰাৰ স্বাৰ্থত আৰু নিৰ্বাচনী বিধি অনুসৰি এই সমগ্ৰ প্ৰক্ৰিয়াটো ভিডিঅ'গ্ৰাফী কৰাৰো ব্যৱস্থা গ্ৰহণ কৰিছে বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়াই জনাইছে।

মঙলদৈ মহাবিদ্যালয়ত আৰ্কাইভ আৰু ডিজিটেল আৰ্কাইভ সম্পৰ্কীয় ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত

অসম বাৰ্তা, মঙলদৈ, ২৯ ছেপ্টেম্বৰ ঃ মঙলদৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ মহাৰজত জয়ন্তী উদযাপনৰ অংশ হিচাপে ২৫ ছেপ্টেম্বৰ, ২০২৬ তাৰিখে মহাবিদ্যালয়খনত "Archives and Digital Archives: Conservation, Preservation and Digitization" শীৰ্ষক এখনি এদিনীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত হয়। মঙলদৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ইতিহাস বিভাগ আৰু আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ (IQAC)ৰ যুটীয়া উদ্যোগত আৰু Heritage Foundation, Maharashtraৰ সহযোগত কৰ্মশালাখন আয়োজন কৰা হয়। কৰ্মশালাখনত ১০০ৰো অধিক ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অন্যান্য অংশগ্ৰহণকাৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে অনুষ্ঠিত উদ্বোধনী অধিৱেশনত মঙলদৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ ড° কমলাকান্ত বৰাই উদ্বোধনী ভাষণ প্ৰদান কৰে। ভাষণত তেওঁ ঐতিহাসিক নথি-পত্ৰ, পাণ্ডুলিপি আৰু প্ৰতিষ্ঠানৰ ঐতিহ্য সংৰক্ষণৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। লগতে ভৱিষ্যৎ প্ৰজন্মৰ বাবে মূল্যৱান আৰ্কাইভেল সমলসমূহ সুৰক্ষিত কৰি ৰখাৰ ক্ষেত্ৰত আধুনিক ডিজিটেল প্ৰযুক্তিৰ ব্যৱহাৰৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। কৰ্মশালাখনৰ উদ্দেশ্য আৰু গুৰুত্ব ব্যাখ্যা কৰে মঙলদৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° সন্তোষ বৰকাকতিয়ে। তেওঁ ডিজিটেল যুগত ঐতিহাসিক নথি-পত্ৰৰ সুসংগঠিত সংৰক্ষণ, ডিজিটাইজেচন আৰু দায়িত্বশীল ব্যৱস্থাপনাৰ বৰ্ধিত গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। কৰ্মশালাখনৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকে ভুজং ৰামৰাও ববাডে, তেওঁ এগৰাকী বিশিষ্ট ভাৰতীয় পুৰাতত্ত্ববিদ, আৰ্কাইভিষ্ট আৰু ইতিহাসবিদ তথা বৰ্তমান Heritage Foundation, Maharashtraৰ সঞ্চালক। তেওঁ আৰ্কাইভেল সমলৰ সংৰক্ষণ আৰু প্ৰতিপালনৰ বিভিন্ন নীতি আৰু পদ্ধতিৰ বিষয়ে অংশ গ্ৰহণকাৰীসকলক মূল্যৱান জ্ঞান প্ৰদান কৰে। কৰ্মশালাখনত পাণ্ডুলিপি সংৰক্ষণ, নথি-পত্ৰৰ ডিজিটাইজেচন, ভৌতিক নথিক ডিজিটেল ৰূপলৈ ৰূপান্তৰ আৰু ডিজিটেল আৰ্কাইভ পৰিচালনা আদি গুৰুত্বপূৰ্ণ বিষয় সামৰি লোৱা হয়। অংশগ্ৰহণকাৰীসকলে আৰ্কাইভেল সমলৰ ডিজিটাইজেচন আৰু সংৰক্ষণৰ ক্ষেত্ৰত ব্যৱহাৰিক তথা হাতে-কামে প্ৰশিক্ষণ লাভ কৰাৰো সুযোগ যোগ পায়। মঙলদৈ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উদযাপনৰ পৰিপ্ৰেক্ষিতত এই কৰ্মশালাখনে বিশেষ তাৎপৰ্য বহন কৰে। কৰ্মশালাখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী আৰু শৈক্ষিক সমাজৰ মাজত ঐতিহাসিক, সাংস্কৃতিক আৰু প্ৰতিষ্ঠানিক ঐতিহ্য সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টি কৰাৰ প্ৰয়াস কৰা হয়। লগতে ডিজিটেল প্ৰযুক্তিৰ সহায়ত আৰ্কাইভেল সমলসমূহৰ দীৰ্ঘম্যাদী সংৰক্ষণ, সহজলভ্যতা আৰু ফলপ্ৰসূ ব্যৱস্থাপনা কেনেদৰে নিশ্চিত কৰিব পাৰি, সেই বিষয়েও অংশগ্ৰহণকাৰীসকলক অৱগত কৰা হয়। অনুষ্ঠানটো সঞ্চালনা কৰে পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড° সৰস্বতী দেৱী আৰু প্ৰাণীবিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা শ্ৰীমতী কৃষ্ণা দাসে। কৰ্মশালাৰ সামৰণিত মঙলদৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক তথা পৰীক্ষা নিয়ন্ত্ৰক ড° মৃদুল ডেকাই, সমল ব্যক্তি, মহাবিদ্যালয় কৰ্তৃপক্ষ, আয়োজকমণ্ডলী, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী তথা সকলো অংশগ্ৰহণকাৰীলৈ কৰ্মশালাখন সফল কৰি তোলাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। এই কৰ্মশালাখনে ঐতিহ্য সংৰক্ষণ, আৰ্কাইভ সম্পৰ্কীয় সজাগতা আৰু ডিজিটেল সংৰক্ষণৰ ক্ষেত্ৰত মঙলদৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হয়। লগতে ঐতিহাসিক অধ্যয়ন আৰু আধুনিক ডিজিটেল প্ৰযুক্তিৰ মাজত এক ফলপ্ৰসূ সংযোগ স্থাপনৰ ক্ষেত্ৰতো এই কাৰ্যসূচীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

বাক্সাত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে কংগ্ৰেছৰ উত্তাল প্ৰতিবাদ

অসম বাৰ্তা, বাক্সা, ২৯ ছেপ্টেম্বৰ ঃ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে কংগ্ৰেছ দলৰ কেন্দ্ৰীয় নেতৃত্বই সমগ্ৰ দেশজুৰি আহ্বান জনোৱা প্ৰতিবাদী কাৰ্যসূচীৰ অংশ হিচাপে আজি বাক্সাতো জিলা পৰ্যায়ৰ এক উত্তাল প্ৰতিবাদী সমদল প্ৰদৰ্শন কৰা হয়। বাক্সা জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত অনুষ্ঠিত এই প্ৰতিবাদী সমদলত দলৰ বহুসংখ্যক নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। হাতে হাতে প'ষ্টাৰ আৰু বেনাৰ লৈ প্ৰতিবাদকাৰীসকলে মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীৰ বিৰুদ্ধে ক্ষোভ উজাৰি একাধিক অভিযোগ উত্থাপন কৰে আৰু তেওঁৰ পদত্যাগ তথা অপসাৰণৰ জোৰদাৰ দাবী জনায়। ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধন বা Special Intensive Revision (SIR) আৰু নিৰ্বাচন আয়োগৰ সামগ্ৰিক কাৰ্যপ্ৰণালীক লৈ কংগ্ৰেছসহ বিৰোধী দলসমূহে ধাৰাবাহিকভাৱে অভিযোগ উত্থাপন কৰি আহিছে। নিৰ্বাচন আয়োগৰ স্বতন্ত্ৰতা আৰু স্বচ্ছতাক লৈ প্ৰশ্ন উত্থাপন কৰি কংগ্ৰেছৰ কেন্দ্ৰীয় নেতৃত্বই ২৮ ছেপ্টেম্বৰত সমগ্ৰ দেশৰ জিলাসমূহত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণৰ আহ্বান জনাইছিল। সেই আহ্বায়নেই সঁহাৰি জনাই বাক্সা জিলা কংগ্ৰেছে নিজৰ আপত্তি আৰু ক্ষোভ প্ৰকাশ কৰে। এই প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে বাক্সা জিলা কংগ্ৰেছৰ নেতা-কৰ্মীসকলে নিৰ্বাচন আয়োগৰ নিৰপেক্ষতা আৰু স্বচ্ছতা বজায় ৰখাৰ দাবী জনায়। ভোটাৰ তালিকা সংশোধন প্ৰক্ৰিয়া যাতে কোনো বিশেষ পক্ষৰ পোষকতা নকৰে আৰু প্ৰক্ৰিয়াটো সম্পূৰ্ণ নিকা আৰু ভয়হীন হয়, তাৰ বাবে নিজৰ দাবী আৰু আপত্তি দৃঢ়ভাৱে ব্যক্ত কৰে প্ৰতিবাদকাৰীসকলে।

বাঘজান চাহ বাগিচাত আন্তঃৰাষ্ট্ৰীয় নিৰাপদ গৰ্ভপাত দিৱস পালন



অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৯ ছেপ্টেম্বৰ ঃ আন্তঃৰাষ্ট্ৰীয় নিৰাপদ গৰ্ভপাত দিৱস উপলক্ষে ২৮ ছেপ্টেম্বৰত তিনিচুকীয়া জিলাৰ বাঘজান চাহ বাগিচাত এক সজাগতামূলক অনুষ্ঠান অনুষ্ঠিত হয়। অইল ইণ্ডিয়া লিমিটেডৰ Arogya—CSR Project-ৰ সহযোগত অনুষ্ঠিত এই অনুষ্ঠানৰ মূল উদ্দেশ্য আছিল নিৰাপদ গৰ্ভপাত সম্পৰ্কে সজাগতা সৃষ্টি কৰা আৰু সময়মতে উপযুক্ত স্বাস্থ্যসেৱা গ্ৰহণৰ গুৰুত্ব সম্পৰ্কে জনসাধাৰণক অৱগত কৰা। অনুষ্ঠানটোত প্ৰায় ৮০ গৰাকী অংশগ্ৰহণকাৰীয়ে অংশগ্ৰহণ কৰে। ইয়াৰ ভিতৰত যোগ্য দম্পতী, কিশোৰী, গৰ্ভৱতী মহিলা আৰু স্তন্যপান কৰাই থকা মাতৃসকল উপস্থিত থাকে। অনুষ্ঠানত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, তিনিচুকীয়াৰ জিলা পৰ্যায়ৰ বিষয়াসকলৰ লগতে 'অইল আৰোগ্য প্ৰজেক্ট'ৰ প্ৰতিনিধি, চাহ বাগিচাৰ চিকিৎসা বিষয়া, পৰিচালক আৰু কল্যাণ বিষয়াসকল উপস্থিত থাকে। অনুষ্ঠানত অংশগ্ৰহণকাৰীসকলক নিৰাপদ আৰু সময়মতে গৰ্ভপাতৰ গুৰুত্ব, অসুৰক্ষিত গৰ্ভপাতৰ সৈতে জড়িত বিভিন্ন স্বাস্থ্যজনিত বিপদ, প্ৰশিক্ষিত তথা যোগ্য স্বাস্থ্যসেৱা প্ৰদানকাৰীৰ পৰা চিকিৎসা সেৱা গ্ৰহণৰ প্ৰয়োজনীয়তা সম্পৰ্কে পৰামৰ্শ প্ৰদান কৰা হয়। সময়মতে চিকিৎসা সেৱা গ্ৰহণ আৰু উপযুক্ত প্ৰজনন স্বাস্থ্যসেৱাই জটিলতা হ্ৰাস কৰাৰ লগতে অসুৰক্ষিত গৰ্ভপাতৰ সৈতে জড়িত মাতৃৰ অসুস্থতা আৰু মাতৃ মৃত্যুৰ আশংকা হ্ৰাস কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি সজাগ কৰা হয়। ইয়াৰ লগতে পৰিয়াল পৰিকল্পনা, প্ৰজনন স্বাস্থ্য সম্পৰ্কীয় সজাগতা আৰু তথ্যভিত্তিক সিদ্ধান্ত গ্ৰহণৰ গুৰুত্ব সম্পৰ্কেও আলোচনা কৰা হয়, বিশেষকৈ কিশোৰ-কিশোৰী আৰু যোগ্য দম্পতীসকলৰ মাজত এই বিষয়সমূহৰ প্ৰতি সজাগতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। অনুষ্ঠানটোত পুষ্টি আৰু মানসিক স্বাস্থ্য সম্পৰ্কেও সজাগতামূলক আৰু পৰামৰ্শমূলক সভা অনুষ্ঠিত কৰা হয়। সুস্থ জীৱনশৈলী, মানসিক সুস্থতা আৰু প্ৰয়োজনৰ সময়ত উপযুক্ত স্বাস্থ্যসেৱা তথা সহায় গ্ৰহণৰ গুৰুত্ব সম্পৰ্কে অংশগ্ৰহণকাৰীসকলক অৱগত কৰা হয়। এই সজাগতামূলক অনুষ্ঠানে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰাৰ লগতে মহিলা আৰু পৰিয়ালসমূহক নিৰাপদ, গোপনীয় আৰু উপযুক্ত স্বাস্থ্যসেৱা সময়মতে গ্ৰহণ কৰিবলৈ উৎসাহিত কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

মৰিয়নিৰ অসম-নাগালেণ্ড সীমান্তত শ্ৰমিকৰ পথ অৱৰোধ

ILP থকাৰ পিছতো নগা আৰক্ষীৰ বিৰুদ্ধে ধন দাবীৰ অভিযোগ

অসম বাৰ্তা, মৰিয়নি, ২৯ ছেপ্টেম্বৰ ঃ সোমবাৰে মৰিয়নিৰ অসম-নাগালেণ্ড সীমান্তত পুনৰ উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হৈছে। নাগালেণ্ডলৈ দিন হাজিৰা কৰিবলৈ যোৱা শ্ৰমিকসকলক নগা আৰক্ষীয়ে ধন বিচাৰি হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপন কৰি শতাধিক শ্ৰমিকে পথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। অভিযোগ অনুসৰি, মৰিয়নিৰ অসম-নাগালেণ্ড সীমান্তৰ ছুটাফলা গেটৰে নাগালেণ্ডলৈ দিন হাজিৰা কৰিবলৈ যোৱা শ্ৰমিকসকলৰ বৈধ ILP (Inner Line Permit) থকাৰ পিছতো নগা আৰক্ষীয়ে তেওঁলোকৰ পৰা ধন দাবী কৰাৰ অভিযোগ উত্থাপন হৈছে। ধন নিদিলে শ্ৰমিকসকলক হাৰাশাস্তি কৰাৰ লগতে কামলৈ যাবলৈ বাধা প্ৰদান কৰাৰ অভিযোগ উত্থাপন কৰিছে শ্ৰমিক তথা স্থানীয় ৰাইজে। ইয়াৰ প্ৰতিবাদত শতাধিক শ্ৰমিকে নিউ সোণোৱাল বিট অফিচৰ সন্মুখত মৰিয়নি-মোকোকচুং পথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। ফলত পথটোৰ যাতায়াত ব্যৱস্থা কিছুসময়ৰ বাবে ব্যাহত হয়। ঘটনাৰ খবৰ পাই অসম প্ৰশাসনৰ লোক ঘটনাস্থলীত উপস্থিত হৈ প্ৰতিবাদকাৰীসকলৰ সৈতে আলোচনা কৰে আৰু পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা চলায়। ঘটনাটোক কেন্দ্ৰ কৰি সীমান্ত অঞ্চলটোত পুনৰ উত্তেজনাৰ সৃষ্টি হৈছে। অৱশ্যে শ্ৰমিকসকলে উত্থাপন কৰা অভিযোগ সন্দৰ্ভত নগা আৰক্ষী বা নাগালেণ্ড প্ৰশাসনৰ আনুষ্ঠানিক বক্তব্য এই পৰ্যন্ত জানিব পৰা হোৱা নাই।

গান্ধী জয়ন্তী উপলক্ষে ২ অক্টোবৰত কামৰূপ জিলাভিত্তিত যোগ প্ৰতিযোগিতা

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৯ ছেপ্টেম্বৰ ঃ জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ জন্মজয়ন্তী উপলক্ষে কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আৰু গান্ধী আশ্ৰম পৰিচালনা সমিতি, শুৱালকুছিৰ সহযোগত বিভিন্ন কাৰ্যসূচীৰ লগতে কামৰূপ জিলা ভিত্তিত এখন যোগ প্ৰতিযোগিতা আয়োজন কৰা হৈছে। উক্ত যোগ প্ৰতিযোগিতাখন অহা ২ অক্টোবৰ, ২০২৬ তাৰিখে পুৱা ৬.৩০ বজাত শুৱালকুছিস্থিত গান্ধী আশ্ৰমত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখন মুকলি শাখাত অনুষ্ঠিত হ'ব আৰু কামৰূপ জিলাৰ অন্তৰ্গত সকলোৰে ইয়াত অংশগ্ৰহণ কৰিব পাৰিব। ইচ্ছুক প্ৰতিযোগীসকলক প্ৰতিযোগিতাৰ দিনা পুৱা ৬ বজাত গান্ধী আশ্ৰম, শুৱালকুছিত উপস্থিত থাকিবলৈ অনুৰোধ জনোৱা হৈছে। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিযোগীসকলে আধাৰ কাৰ্ড লগত লৈ আহিব লাগিব। কামৰূপৰ মহকুমা ক্ৰীড়া বিষয়া পংকজ ভৰালীয়ে জিলাখনৰ সকলো আগ্ৰহী খেলুৱৈ, যোগ অনুৰাগী, যুৱক-যুৱতী আৰু ক্ৰীড়াপ্ৰেমী লোকক এই মুকলি শাখাৰ যোগ প্ৰতিযোগিতাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। যোগে শাৰীৰিক সুস্থতাৰ লগতে মানসিক সুস্থতা আৰু সুস্থ জীৱনশৈলী গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়ে অধিক সংখ্যক লোকক এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ তেওঁ আহ্বান জনায়। গান্ধী জয়ন্তীৰ সৈতে সংগতি ৰাখি আয়োজন কৰা এই যোগ প্ৰতিযোগিতাৰ জৰিয়তে জনসাধাৰণৰ মাজত যোগাভ্যাস আৰু সুস্থ জীৱনশৈলীৰ প্ৰতি সজাগতা বৃদ্ধি কৰাৰ লগতে ক্ৰীড়া আৰু স্বাস্থ্যসন্মত জীৱনচৰ্যাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। গান্ধী আশ্ৰম পৰিচালনা সমিতি, শুৱালকুছিৰ সভাপতি মৃগেন কুমাৰ দাসে সকলো আগ্ৰহী প্ৰতিযোগীক নিৰ্ধাৰিত সময়ত গান্ধী আশ্ৰমত উপস্থিত থাকি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। অধিক তথ্যৰ বাবে ৬০০৭১-১৫৮৭৩ অৰু ৯১০১০-২৭৩০২ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে আয়োজক সকলে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা | ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন